# উত্তৰণ

সোণাৰি মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ মুখপত্ৰ



সম্পাদনা

ড° ৰীতা দত্ত

# উত্তৰণ

সোণাৰি মহাবিদ্যালয়ৰ
মহিলা অধ্যয়ন কোষৰ মুখপত্ৰ

সম্পাদনা
ড° ৰীতা দত্ত

মন্যতম
বিজ্ঞান
লয়খনি
য়ৰ পৰা
ল সাজু
ৰকাৰী-
াগবঢ়াই
ত্ৰা।
ন কৰিও
-দীক্ষাৰ
জনীতি,
। আমাৰ
লকভাবে
বিলক্ষিত
ওঁলোকক
সোণাৰি
উদ্দেশ্যে
ছ। এইবাৰ
খপত্ৰখনৰ
। আমাৰ
উঠক।

সাণাৰি

# উত্তৰণ

## সোণাৰি মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ মুখপত্ৰ

## ২০১৮

### সম্পাদনা সমিতি




ড° বিমল চন্দ্ৰ গগৈ
(সভাপতি)



শ্ৰী দিলীপ ৰঞ্জন বৰুৱা
(উপ-সভাপতি)



ৰীণা বৰঠাকুৰ



ড° ৰীতা দত্ত

**যুটীয়া সম্পাদিকা ঃ**

প্ৰকাশক ঃ অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়
ছপাশাল ঃ ইষ্টাৰ্ণ অফ্‌ছেট প্ৰিণ্টাৰ্ছ, সোণাৰি

## অধ্যক্ষৰ একলম

সোণালী জয়ন্তীৰ দ্বাৰত উপস্থিত হোৱা চৰাইদেউ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান সোণাৰি মহাবিদ্যালয়। এঘাৰটি বিভাগে কলা আৰু বিজ্ঞান দুটি শাখাক সামৰি লোৱাৰ উপৰিও অন্যান্য বহু সা-সুবিধাৰে মহাবিদ্যালয়খনি সমৃদ্ধ। প্ৰকৃতাৰ্থত এখন মহাবিদ্যালয়ৰ পৰিমাপন হয় সেই মহাবিদ্যালয়ৰ পৰা উৎপাদিত মানৱ সম্পদৰ দ্বাৰা। প্ৰায় পঞ্চাচটা বছৰ অতিক্ৰম কৰিবলৈ সাজু হৈ উঠা আমাৰ মহাবিদ্যালয়ৰ পৰা অনেক ছাত্ৰ-ছাত্ৰী ওলাই গৈ বিভিন্ন চৰকাৰী-বেচৰকাৰী পদত অধিষ্ঠিত হৈছে। সমাজ আৰু দেশৰ বাবে সেৱা আগবঢ়াই আমাক গৌৰৱান্বিত কৰি তোলা এইসকল সম্পদকেই লৈ আমাৰ যাত্ৰা।

আমাৰ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ কঠোৰ নীতি-নিয়ম পালন কৰিও বৰ্তমান নাৰীসকল ওলাই আহিছে। পূৰ্বৰ দৰে নাৰীক বা মহিলাক শিক্ষা-দীক্ষাৰ পৰা আঁতৰাই ৰখাৰ বিপৰীতে বৰ্তমানৰ নাৰীসমাজে নিজকে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি সকলোতে উচ্চাসন লাভ কৰিবলৈ সমৰ্থ হৈছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলো প্ৰায় সকলো দিশতেই আগবঢ়া। তুলনামূলকভাৱে ছাত্ৰতকৈ ছাত্ৰীসকল শিক্ষাৰ দিশত অধিক ঐকান্তিকতাৰে আগবঢ়া পৰিলক্ষিত হয়। খেলা-ধূলা, পঢ়া-শুনা, গীত-নৃত্য, কলা-সংস্কৃতি সকলোতে তেওঁলোকক আগবঢ়াই নিয়াৰ ব্যৱস্থা আমাৰ মহাবিদ্যালয়ত আছে। বিশেষকৈ সোণাৰি মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষে বিগত বছৰবোৰত ছাত্ৰীসকলৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ কাউঞ্চেলিং, আলোচনাচক্ৰ আদি আয়োজন কৰি আহিছে। এইবাৰ ২০১৮ চনৰ প্ৰথম পদক্ষেপ হিচাপে মহিলাকোষে 'উত্তৰণ' নামৰ মুখপত্ৰখনৰ দ্বিতীয়টি সংখ্যা প্ৰকাশৰ যো-জা কৰাত আমি নথৈ আনন্দিত হৈছো। আমাৰ আশা খনাৰতী, মৈত্ৰেয়ী, গাৰ্গেয়ীৰ দৰে আমাৰ ছাত্ৰীসকল উজ্বলি উঠক।

*Principal*
SONARI COLLEGE
SONARI
ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ,
সোণাৰি মহাবিদ্যালয়, সোণাৰি

উপাধ্যক্ষৰ একলম

# ভাৰতৰ অৰ্থনৈতিক উন্নয়ন, মহিলাৰ সৱলীকৰণ আৰু উত্তৰণ

ক্ৰমোন্নতিশীল ৰাষ্ট্ৰ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ ৭ দশক অতিক্ৰম কৰিলে। এই দীৰ্ঘ সময়কালত দেশখনত প্ৰভূত পৰিবৰ্তন ঘটিল । দেশখনৰ অৰ্থনীতিয়ে বিশ্বদৰবাৰত খোপনি পুতিবলৈ সক্ষম হৈছে । এই সমগ্ৰ প্ৰক্ৰিয়াত দেশখনৰ বিভিন্ন শ্ৰেণীৰ লোকৰ প্ৰত্যক্ষ অংশগ্ৰহণ অতি আৱশ্যকীয় । লক্ষণীয় কথা যে যোৱা দুটা দশকত দেশখনৰ সামাজিক, আৰ্থিক, ৰাজনৈতিক আদি বিভিন্ন দিশত মহিলাসকলৰ সবলীকৰণ আৰু অংশগ্ৰহণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে । মহিলাসকলৰ উত্তৰণত ২০০৪ চনত গঠিত সোণাৰি মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ দ্বাৰা প্ৰকাশিত 'উত্তৰণ' এ নিশ্চয় সহায় কৰিব । 'উত্তৰণ'ৰ এই যাত্ৰা অব্যাহত থাকক, এই কামনাৰে ----

দিলীপ ৰঞ্জন বৰুৱা
উপাধ্যক্ষ,
সোণাৰি মহাবিদ্যালয়, সোণাৰি

## সম্পাদকীয়

"Strength doesn't come from physical capacity, it comes from will power"- কথাষাৰ কৈছিল মহামানব মহাত্মা গান্ধীয়ে। will power অৰ্থাৎ ইচ্ছাশক্তিত সকলো লোক শক্তিশালী নহ'ব পাৰে; কিন্তু তাক আয়ত্ব কৰিব পাৰি। ইচ্ছাশক্তি প্ৰবল কৰিবলৈ প্ৰথমতেই আমি মানসিক শক্তিৰ অধিকাৰিণী হ'ব লাগিব। মানসিক শক্তিত নাৰী যথেষ্ট শক্তিশালী হোৱাৰ বাবে নাৰীয়ে ইচ্ছাশক্তিৰ সহায়ত অসম্ভৱকো সম্ভৱ কৰি তুলিছে। বাহ্যিক দৃষ্টিত নাৰীক অবলা যেন লগাৰ সময় এতিয়া অতীত। যুগে যুগে নাৰীক শাৰীৰিক শক্তিত দুৰ্বল বুলি ভাবি লোৱাৰ ফলত পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীক মুকলি আকাশৰ তললৈ যোৱাত বাধা প্ৰদান কৰি আহিছে। যাৰ ফলত নাৰীক পণ্যসামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিবলৈ গৈ এচামে আসুৰিক আনন্দ লাভ কৰিছে। আইনেও নাৰীক সুৰক্ষা দিব পৰা নাই। কাৰণ আইন প্ৰণেতাসকলো একে সমাজৰে বাসিন্দা। ক'ৰবাত নহয় ক'ৰবাত আইনীব্যৱস্থাত অপৰাধী পলাই সৰাৰ সুৰুঙা থকাৰ বাবেই নাৰীয়ে তাতো ভৰসা কৰিব আজি পৰা নাই। বিকল্প মাথো অসম্ভৱক সম্ভৱ কৰা। সেয়ে বৰ্তমানৰ উঠি অহা যুৱতীয়ে শৰীৰ চৰ্চাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। সুস্থ শৰীৰেৰে কুম্ফু-কেৰাটে আদি শিকি নাৰীয়ে নিজকে নিজে সুৰক্ষা দিবলৈ আগবাঢ়ি আহিছে। এয়া সময়ৰেই আহ্বান। ডাঙৰ ডাঙৰ অপৰাধ কৰিও অপৰাধী সাৰি যায়। কিন্তু নাৰীয়ে অপমানৰ ভয়ত, মানহানিৰ ভয়ত জীৱনৰ বহু কলংকিত অধ্যায় গোপন কৰি অপৰাধী স্বামী, ভাই বা আত্মীয়ক সুৰক্ষিত কৰি কৰি নিজে নিঃস্ব হৈ পৰে। সেই দুৰ্বলতাৰ-সবলতাৰ সুযোগ লৈ অপৰাধীয়ে বাৰে বাৰে মূৰ তুলি উঠে। সেয়ে, শিক্ষিতা-অশিক্ষিতা নিৰ্বিশেষে আজিৰ নাৰীয়ে সেইসকলৰ মুখা খুলি দিবলৈ সাহস কৰিছে। এইটো অত্যন্ত আদৰণীয় কথা।

আমি সকলোৱে যুগৰ পৰিৱৰ্তন মানি লবলৈ বাধ্য। মানসিক পৰিৱৰ্তন অবিহনে আত্ম পৰিচয় অৰ্থহীন। নাৰীয়ে প্ৰকৃতি প্ৰদত্ত দুৰ্বলতাক জয় কৰি আত্মসন্মান সুৰক্ষিত কৰিব নোৱাৰিলে এই সমস্যাবোৰৰ কেতিয়াও অন্ত নপৰিব। প্ৰকৃতাৰ্থত

এইবোৰ কাৰণতেই নাৰী মানসিক শক্তিত অপৰাজেয়। কাৰণ, এজন ৰজাই এখন ৰাজ্য শাসন কৰে, অথচ সেই ৰজাজনক শাসনকৰে তেওঁৰ মাতৃ অথবা পত্নীয়ে। পুৰুষে সকলো কৰিব পাৰে, কিন্তু গৰ্ভত সন্তান ধাৰণ কৰিব নোৱাৰে। নোৱাৰে সন্তানক অমৃতপান কৰাব। জন্মহোৱা ঘৰখনতেই জীৱন-যাপন কৰি সংসাৰ নিয়াৰিকৈ চলোৱাৰ গুৰু দায়িত্ব সুচাৰুৰূপে পালন কৰা একো একোজন পুৰুষৰ বিপৰীতে নাৰীয়ে ছাত্ৰীৰ পৰা মাতৃলৈ, মাতৃৰ পৰা ধাত্ৰীলৈ সকলো দায়িত্ব ভিন ভিন পৰিৱেশত গৈ পালন কৰিব পাৰে একমাত্ৰ অসীম ধৈৰ্য্য, মমতা আৰু কষ্টৰ বিনিময়ত। গৃহ-পৰিচালনা, সন্তান লালন-পালন, চাকৰি-ব্যৱসায় সকলো সমান্তৰালভাৱে চলায়ো আজিৰ নাৰীয়ে সামাজিক দায়বদ্ধতা পালন কৰি সমাজত উচ্চস্থান আৰু সন্মান অধিকাৰ কৰিবলৈ সক্ষম হোৱাটোৱেই প্ৰমাণ কৰিছে যে নাৰী অবলা হৈ থকা নাই।

সকলোৱে একেমুখে স্বীকাৰ কৰাৰ সময় সমাগত যে নাৰীৰ বাহ্যিক ৰূপ-সৌন্দৰ্যতকৈ মানসিক সৌন্দৰ্য শতগুণে বেছি। নাৰী এতিয়া অৰ্দ্ধআকাশ নহয়;সম্পূৰ্ণ এখন বিশাল আকাশৰ গঢ়ত বৰ্তমান নাৰী প্ৰকৃতিৰ কমাৰশালত।

এনে এটি আশাবাদেৰেই সোণাৰি মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ 'উত্তৰণ' নামৰ মহিলা আলোচনীখনৰ দ্বিতীয় সংখ্যাটো পাঠকৰ হাতত তুলি দিবলৈ চেষ্টা কৰা হ'ল। অনেকবাৰ লিখিত আৰু মৌখিকভাৱে লেখা বিচৰাৰ পিছতো আশানুৰূপ সহাৰি নোপোৱাত আলোচনীখন প্ৰকাশ কৰোঁতে যথেষ্ট পলম হৈছে। কিন্তু তাৰ মাজতো অনেক ব্যস্ততাৰ পিছতো যিসকল লেখক-লেখিকাই মেইলযোগে আমালৈ বহুমূলীয়া লেখা প্ৰেৰণ কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

আশাকৰোঁ দোষ মাৰ্জনা কৰি পাঠকে মুখপত্ৰখন আদৰি ল'ব।

ধন্যবাদেৰে,

**সম্পাদিকা**
ড° ৰীতা দত্ত
মহিলা অধ্যয়ন কোষ
সোণাৰি মহাবিদ্যালয়

# : সূচীপত্ৰ :

**প্ৰবন্ধ ঃ**

১. মঞ্জু বৰাৰ 'নৈমিত্তিক প্ৰলয়' গল্পত নাৰীৰ সমমৰ্য্যাদাৰ প্ৰসংগ
✍ ড° বিভা দত্ত নেওগ

২. পৰিবৰ্তনৰ বাবে সাহসী হোৱা
✍ ড° অন্নজ্যোতি গগৈ

৩. অলকানন্দাৰ পাৰে পাৰে
✍ ৰীণা বৰঠাকুৰ

৪. নাৰীৰ গণিত প্ৰীতি আৰু এগৰাকী প্ৰখ্যাত মহিলা গণিতবিদৰ কথাৰে
✍ টংকেশ্বৰ বৰুৱা

৫. ৰাম গগৈৰ প্ৰথম কবিতা পুথি 'মাটিৰ স্বপ্ন'ত কাব্যিক সৌন্দৰ্য
✍ ড° ৰীতা দত্ত

৬. জ্যোতিপ্ৰসাদৰ সৃষ্টিত সৌন্দৰ্য চেতনা ঃ সমকালীন সমাজত ইয়াৰ গুৰুত্ব
✍ ৰেখামণি গগৈ

৭. আধুনিক অসমীয়া সাহিত্যত সীতা বিষয়ক সংগ্ৰহণ ঃ এক তুলনামূলক অধ্যয়ন
✍ কেশৰী ভূঞা

৮. জাতীয় চেতনাৰে উজ্জীৱিত লেখিকা অনিমা গগৈ
✍ কল্পনা বৰুৱা

**ইংৰাজী ঃ**

১. THE LIMITATIONS OF INDIAN NATIONALIST HISTORIOGRAPHY ✍ **Lindy Goodwin**

২. ROLE OF FEMALE PERSON IN VIOLENCE AND CONFLICTS: AN ETHICAL OUTLOOK ✍ **Dr. Bimal Chandra Gogoi**

**অনুবাদ ঃ**

১. এই নন্দিনী (মূল ঃ বাংলা)
   ✍ স্বৰ্ণালী গগৈ বৰা

**কবিতা ঃ**

১. নাৰী
   ✍ গুণ বৰা


২. অন্তহীন
   ✍ গীতাঞ্জলী হাজৰিকা ভূঞা

৩. ঐ চাও কা ঐ
   ✍ ড° জীৱন কলিতা

**গল্প ঃ**

১. আজিৰ বাস্তৱ
   ✍ মানিক পাল





# মঞ্জু বৰাৰ 'নৈমিত্তিক প্ৰলয়' গল্পত নাৰীৰ সমমৰ্য্যাদাৰ প্ৰসংগ

✍ **ড° বিভা দত্ত নেওগ**
সহযোগী অধ্যাপক
ধেমাজি মহাবিদ্যালয়

এগৰাকী ব্যস্ত নাৰী। নাম মালতী। পুৱাৰপৰা গধূলিলৈকে যন্ত্ৰৱৎ চকৰীৰদৰে সাংসাৰিক কৰ্মক্ষেত্ৰত ঘূৰি পৰিয়ালৰ প্ৰতিজন সদস্যক সন্তোষিত কৰাই তেওঁৰ দায়িত্ব। জোন আৰু ৰিণ্টি মালতীৰ সন্তান, সন্দীপ দেওৰ আৰু সুৰঞ্জন মালতীৰ স্বামী। দুটি ডেকা-গাভৰু সন্তান আৰু দুজন চাকৰিয়াল ব্যক্তিলৈ তেওঁলোকৰ টাইম-টেবুলমতে ভিন্নৰুচিৰ ভিন্ন খাদ্যৰ যোগান ধৰা আৰু দাবী পূৰণ কৰাত মালতী দিনে-নিশাই ব্যস্ত থাকিব লগীয়া হয়। মাজে মাজে শাহুৰেক থাকেহি। সেইকেইদিনত মালতীৰ ব্যস্ততাৰ ধৰণো সুকীয়া হয়।

বিয়াৰ পঁচিশটা বছৰ গৰকা মালতীয়ে নিজানত নিজকে বিচাৰি চায়। মালতীৰ ভাব হয় 'তাই যেন একেখন ট্ৰেইনৰে যাত্ৰী — ইটোৰ পিছত সিটো ষ্টেচন আহিছে গৈছে — সহযাত্ৰীবোৰ উঠিছে নামিছে — তাই কিন্তু একেটা স্থানতেই উপবিষ্ট, একে গতিৰেই আগবাঢ়িছে — লক্ষ্য ক'ত অজানা।'

মালতীয়ে পুৱাৰপৰা গধূলিলৈ ব্যস্ত হৈ থাকোঁতে সময় কেনেকৈ পাৰ হয় গম নাপায়। নিজৰ কথা ভাবিবলৈ সময় নাপায়। এদিন মালতীৰ গা বেয়া লাগিল। ডাক্তৰৰ ওচৰলৈ গৈ গম পালে শৰীৰৰ ওজন বহুত বাঢ়িছে, কলেষ্ট্ৰলো বাঢ়িছে। ৰক্তচাপ বাঢ়িছে। ঔষধ খাই থাকিব লাগে। মনতে তাই ভাবে অন্ততঃ মৃত্যুটো সুখৰ হ'ব। ডাক্তৰে মালতীক চৰ্বি জাতীয় খোৱা ত্যাগ কৰিবলৈ কৈছে, লাইফ-ষ্টাইল সম্পৰ্কে দিহা দিছে। পুৱা দুঘণ্টা খোজ কাঢ়িবলৈ নিৰ্দ্দেশ দিছে।

কিন্তু মালতীয়ে খোজ কাঢ়ে কোন সময়ত! তাইৰ একমাত্ৰ অৱলম্বন পুৱা ছটাৰ আগৰ পুৱতীনিশাৰ সময়কণ। উঠিল মাত্ৰকে ৰুটিনমাফিক কৰ্মব্যস্ততা আহি পৰে। সেইকণেই তাইৰ একান্ত নিজৰ সময়। তাইৰ সেই একমাত্ৰ অৱলম্বন

কণৰপৰা এৰাই আহিলেই ক'বনোৱৰাকৈ তাই আনৰ অৱলম্বনৰ কেন্দ্ৰবিন্দু হৈ পৰে। তথাপি তাই পুৱা পাঁচটা ত্ৰিশ মিনিটত শুই উঠি খোজ কঢ়াৰ অভ্যাস কৰে। কিন্তু ঘূৰি আহি দেখে 'কাম কৰা ল'ৰাটো শুয়েই নুঠে, পানীৰ মেচিন নচলে, জোনে বাগৰ মাৰি শুয়েই থাকে। খিৰিকী, দুৱাৰ খোল নেখায় —, সুৰঞ্জনৰ পুৱাৰ চাহ দুকাপৰ ছন্দপতন ঘটে। শাহুৰেকৰ মুখ ফুলে। দেওৰেকৰ ভাত-মাছ বনাবলৈ দেৰি হয়গৈ।' বেমেজালি বাঢ়ি যোৱাত মালতীয়ে খোজ কাঢ়িবলৈ এৰি দিয়ে। মালতীৰ ঔষধৰ তালিকাখন বাঢ়ি যায়; মানসিক দুশ্চিন্তা বাঢ়ে, উৎকণ্ঠা, হাইপাৰটেনচন বাঢ়ে। পুনৰ ডাক্তৰৰ কাষ চাপে। ডাক্তৰে বুজাই দিয়ে তাইক প্ৰি-মেন'পজৰ সময় চলি থকা বাবে এনেবোৰ শাৰীৰিক উপসৰ্গই তাইক ব্যতিব্যস্ত কৰি তোলাটোৱেই স্বাভাৱিক। মাজে মাজে তাই ঘামে, মূৰটো আচন্দ্ৰাই কৰে, হতাশা আহে, খিঙখিঙিয়া হয়। এনেধৰণৰ অস্বাভাৱিকতা সত্বেও মালতীৰ বাবে ভাবিবলৈ মানুহ নাই; জিৰাবলৈ সময় নাই, তাইৰ খোৱা-লোৱা চাবলৈ, যোগান ধৰিবলৈ কোনো নাই। একো বিকল্প নেদেখি তাই নিজৰ কথা ভাবিবলৈ বাদ দি সকলো দুখ-বেদনা-যাতনা সামৰি-সুতৰি পৰিয়লৰ সকলোৰে মন যোগাই যায়। সকলো ওলাই যোৱাৰ পিছৰ দুপৰীয়া সময়কণত আলোচনীৰ পৃষ্ঠা লুটিওৱা যিকণ অভ্যাস আছিল শাহুৰেক একেবাৰে থাকিবলৈ অহাৰ পিছত সেইকণৰো অন্ত পৰিল। কোনেও মালতীৰ ৰুটিনখন ফঁহিয়াই চাবলৈ বিচৰা নাই।

সুৰঞ্জনে কেতিয়াও ভবা নাছিল এদিন সংসাৰৰো ছন্দপতন ঘটিব পাৰে। মালতীয়ে সংসাৰখন ছন্দোময় কৰি ৰাখিছিল। মালতীৰো যে অসুখ হ'ব পাৰে সেয়া যেন সুৰঞ্জনৰ বাবে সপোনৰো অগোচৰ আছিল। তথাপি সুৰঞ্জন নিজৰ স্বাস্থ্য লৈহে চিন্তিত হ'ল। মালতীয়ে স্পৰ্শকাতৰ সুৰঞ্জনক তাইক লৈ চিন্তিত নহ'বলৈ কয়।

সকলো ভাগে ভাগে গ'ল। মালতীয়ে বেচ ভাগৰুৱা অনুভৱ কৰিছে। তাই লেতুসেতু হৈ গাৰুটোকে আকোঁৱালি চকু দুটা মুদি দিছে। তাইৰ মূৰৰ ওপৰত কেৰ্ কেৰ্ শব্দ কৰি ফেনখনে মাত্ৰ জাগতিক স্থিতিৰ উমান দি আছে। তাই অনুভৱ কৰিলে তাইৰ জীৱনৰ এই ঘটনা-পৰিঘটনা, দুখ-বেদনা-যাতনা কেৱল এদিনতে সৃষ্টি হৈ এদিনতে জামৰি যোৱা কথা নহয়। এয়াতো তাইৰ



বাবে 'অহৰহ আহি থকা দিন-প্ৰতিদিন আৰু অনেক দিন ...।' তাইৰ মানস পটত 'কোনোবা চুৰ্‌ৰিয়েলিষ্টিক আৰ্হিত আঁকা ছবি এখনৰ বুজা নুবুজা ৰং আৰু ৰেখাবোৰৰ দৰে তাইৰ পঞ্চলিশ বছৰীয়া জীৱন কালছোৱাও বৰ ধূসৰ হৈ, বৰ বুজিব নোৱৰা হৈ তাইৰ মনৰ মাজত দুলিবলৈ আৰম্ভ কৰিলে।'

মালতীয়ে উপলব্ধি কৰিলে এয়া যেন তাইৰ জীৱনলৈ অহা প্ৰলয়। যি প্ৰলয়ৰ অন্তত নতুন এটা দিন নতুন ৰূপত উদয় হোৱাৰ সম্ভাৱনা নাই। 'এই প্ৰলয় নৈমিত্তিক-প্ৰলয় নহয় — যে ব্ৰহ্মাৰ এদিন অন্ত হোৱাৰ পিছত সৃষ্টিৰ আৰু এটা দিন নতুন ৰূপ-ৰসেৰে আৰম্ভ হ'ব।'

মঞ্জু বৰাৰ 'নৈমিত্তিক প্ৰলয়' গল্পটো কেইবাটাও দিশৰপৰা তাৎপৰ্যপূৰ্ণ। মালতী হেজাৰজনী গৃহিণীৰে এগৰাকী প্ৰতিনিধি যি নিজৰ ইচ্ছা, সুখ, আনন্দ, আশা, সপোন, আকাংক্ষা ত্যাগ কৰি আনৰ সুখৰ বাবে জীৱন উছৰ্গা কৰে; মালতী এনে এখন সমাজৰ নাৰী যিখন পুৰুষশাসিত সমাজে নাৰীৰো এটা জীৱন আছে, অনুভূতি আছে, ব্যক্তিসত্বা আছে বুলি ভাবিব নোৱাৰে; মালতী এনে এগৰাকী নাৰী যি সহি সহি আনৰ মংগল চিন্তা কৰি নিজক হেৰুৱাই পেলায়; যি নিজৰ মাজতে নিজক হাহাকাৰ কৰিও বিচাৰি নাপায়।

সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে দেখা যায় — 'নৈমিত্তিক প্ৰলয়' গল্পটোৰ কাহিনী নাৰীকেন্দ্ৰিক যদিও গল্পটোক নাৰীবাদী চেতনাপুষ্ট গল্প বুলিব পৰা নাযায়। গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ মালতীয়ে দৈনন্দিন জীৱনৰ কাৰ্যক্ৰমণিকা শক্তিয়ে আঁতে মানে চলাই নিছে। তাৰবাবে ক্ষোভ নাইবা প্ৰতিবাদো কৰা নাই। মাথো নিৰলে মানসিক আৰু শাৰীৰিক যন্ত্ৰণাত চটফটাইছে। তাৰ পৰিত্ৰাণৰ উপায়ো বিচৰা নাই। মালতীয়ে তাইৰ জীৱন-পৰিক্ৰমাৰ পৰিৱৰ্তনৰ কোনো ইংগিত পোৱা নাই। অথচ তাই সামাজিক মানসিকতা পৰিৱৰ্তন কৰি বিদ্ৰোহী হৈ উঠা নাই। নাইবা পৰিৱৰ্তন বিচাৰি নাৰী সমাজক সংগঠিতও কৰা নাই। তাই যেন সকলো কথা তাইৰ কপালৰ লিখন বুলি মানিয়েই ইচ্ছা-অনিচ্ছাৰ বাধা নেওচি, আবেগ-বিবেকৰ দ্বন্দ্ব সামৰি যন্ত্ৰৱৎ চলাই গৈছে জীৱনৰ ৰথখন। অস্তিত্বহীনতাৰ কৰুণ উপলব্ধিয়ে তাইক কেৱল ভাৱাক্ৰান্ত কৰিছে।

'নৈমিত্তিক প্ৰলয়' গল্পটোত নাৰীৰ কেৱল মানসিক যন্ত্ৰণাৰ ছবিয়েই অংকন হৈছে এনে নহয়; নাৰীয়ে যে পুৰুষৰ সৈতে সমান মৰ্য্যাদা লাভ কৰিবলৈ

সক্ষম হোৱা নাই সেই দিশো প্ৰতিফলিত হৈছে। গল্পকাৰ মঞ্জু বৰাই উক্ত গল্পটোত মনস্তাত্বিক দৃষ্টিকোণেৰে মালতীৰ জীৱনক তুলি ধৰিছে। ইংগিতধৰ্মী বৰ্ণনাৰ লগতে চিত্ৰশিল্পৰ আৱেশ সংযোজনৰ ফলত গল্পটোৱে কাব্যিক মাত্ৰা লাভ কৰাৰ লগতে ব্যঞ্জনামণ্ডিত ৰূপত বক্তব্যক তুলি ধৰিবলৈ সক্ষম হৈছে। মালতীৰ উপেক্ষিত ব্যক্তিসত্তাৰ কৰুণ সত্য তুলি ধৰাত গল্পকাৰ সফল হৈছে।

মঞ্জু বৰা গল্পকাৰ আৰু চিত্ৰপৰিচালক। মঞ্জু বৰাই গল্পটো চলচ্চিত্ৰৰ ৰূপ দিবলৈ যাওঁতে কিছু পৰিৱৰ্তন কৰিছে। মালতীক 'আকাশীতৰা'লৈ ৰূপান্তৰ কৰা হৈছে এগৰাকী গৱেষকৰ ৰূপত। গৱেষণাৰ বিষয়বস্তু লোৱা হৈছে নাৰীকেন্দ্ৰিক লোককৃষ্টি। তাৰ মাজতেই প্ৰতিপাদন কৰিব খোজা হৈছে নাৰীয়ে পৰিয়াল বা সমাজৰ বাবে অশেষ ত্যাগ স্বীকাৰ কৰিও সমমৰ্য্যাদা লাভ কৰিব নোৱৰা বিষয়টো। বিবাহপাশত আৱদ্ধ হোৱাৰপৰাই আকাশীতৰাই নিজৰ জীৱনটোৰ তুলনা বন্দী বিহংগৰ লগত বিচাৰি পাইছে। গৱেষণাৰ জৰিয়তে নাৰীৰ জীৱনৰ কৰুণ গাথা আৱিস্কাৰ কৰিছে আৰু প্ৰতিবাদী পত্ৰও লিখিছে। 'হুদুম পূজা'ৰ প্ৰেক্ষাপটত নাৰীৰ জীৱন-গাথা তুলি ধৰিবলৈ চেষ্টা কৰা চলচ্চিত্ৰ 'আকাশীতৰাৰ কথা'ই নাৰীৰ মানসিক যন্ত্ৰণা, অৱদমিত বাসনা, অসাম্য দৃষ্টিভংগী, অৱহেলা, হতাশাবোধ; আৰু মুক্তিৰ কামনা প্ৰতিফলিত কৰাৰ ক্ষেত্ৰত সফল হৈছে। 'আকাশীতৰাৰ কথা'ই ২০০৩ চনত শ্ৰেষ্ঠ আঞ্চলিক ভাষাৰ ৰজতকমল বঁটা লাভ কৰিবলৈ সক্ষম হয়।

❖❖❖❖❖



# পৰিৱৰ্তনৰ বাবে সাহসী হোৱা

✍ ড° অন্নজ্যোতি গগৈ
সহযোগী অধ্যাপক
ধেমাজি মহাবিদ্যালয়

২০১৭ চনৰ আন্তৰ্জাতিক নাৰী দিৱসৰ মূল বিষয় বস্তু আছিল পৰিৱৰ্তনৰ বাবে সাহসী হোৱা (Be bold for change)। অৰ্থাৎ বৰ্তমানৰ যি সমাজ ব্যৱস্থা চলি আছে সেয়া পৰিৱৰ্তনৰ প্ৰয়োজন আৰু পৰিৱৰ্তনৰ বাবে লাগিব সাহসী সত্বা। নাৰীয়ে পুৰুষৰ সৈতে সম অধিকাৰ পোৱা নাই — এই কথাষাৰ এশ শতাংশই সঁচানে? নিশ্চয় নহয়। যি এমুঠিমান নাৰীয়ে নিজ কৰ্ম, গুণ বা ভাগ্যৰ বলত পুৰুষৰ সমানে সমানে বা কিছু ক্ষেত্ৰত পুৰুষক চেৰ পেলাই যাবলৈ সক্ষম হৈছে সেই মুষ্টিমেয় সংখ্যক নাৰীয়ে সমগ্ৰ নাৰী জাতিক প্ৰতিনিধিত্ব নকৰে। আমাৰ দেশৰ ৰাজনৈতিক ক্ষেত্ৰৰ শক্তিশালী নাৰীৰূপে ছোনিয়া গান্ধী, মায়াৱতী, মমতা বেনাৰ্জী, তামিলনাডুৰ প্ৰয়াত মুখ্যমন্ত্ৰী জয়া ললিতাৰ কথা কোনে নাজানে? সেইদৰে ব্যৱসায় বাণিজ্যকে ধৰি অন্যান্য কৰ্মক্ষেত্ৰত ভাৰতীয় কিছু সংখ্যক নাৰীয়ে দোপত দোপে আগুৱাই গৈ নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। কিন্তু সাধাৰণ নাৰীৰ বেলিকা ছবিখন যথেষ্ট পুতৌলগা। সেইখিনিতে আন্তৰ্জাতিক নাৰী দিৱস পালনৰ তাৎপৰ্য বা গুৰুত্ব বহন কৰিছে।

নাৰী স্বাধীনতা বা সম অধিকাৰ মানে নাৰীৰ নিজ খেয়াল খুচিমতে যি মন যায় তাকে কৰিব সেয়া মুঠেই নহয়। ইয়াৰ পৰিবৰ্তে নাৰী এগৰাকী পূৰ্ণ বিকশিত ব্যক্তি হিচাপে সমাজত প্ৰতিষ্ঠিত হোৱা, ঘৰৰ ভিতৰে-বাহিৰে সম্পূৰ্ণ সুৰক্ষা প্ৰদানৰ ব্যৱস্থা কৰা, মনোভাৱ প্ৰকাশৰ সুযোগ দিয়া, নাৰীৰ ওপৰত উৎপীড়ন, ধৰ্ষণ, বলাৎকাৰ, হত্যা আদি বিকৃত কামবোৰ বন্ধ হোৱা, নাৰীৰ প্ৰতিভা বিকাশত সুযোগ দিয়া, নাৰীয়ে কৰা সৰু-বৰ কৰ্মৰাজিক স্বীকৃতি দিয়াৰ দৰে বিষয়সমূহক নাৰী স্বাধীনতাৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰা হৈছে। নাৰী স্বাধীনতাৰ আলম লৈ মুক্ত (?) নাৰীৰ ধাৰণা পুৰুষ নালাগে মহিলাৰো কাম্য

নহয়। কোনো সুবিবেচক অভিভাৱক বা পিতৃ-মাতৃয়ে নিবিচাৰে নিজ কন্যাগৰাকী দিন-ৰাতি, সময়ে-অসময়ে, হকে-বিহকে, অ'ত-ত'ত অলৌ-টলৌকৈ ঘূৰি ফুৰি নাৰী জাতিৰ কলংক হওক। কোনো ভাতৃয়ে ভগ্নীৰ অসহায় কৰুণ অৱস্থা যিদৰে প্ৰত্যক্ষ কৰিব নিবিচাৰে, সেইদৰে স্বাধীনতাৰ গইনা লৈ গুৰু-গোসাঁই নমনা ভগ্নীও কাম্য নহয়।

নাৰী দিৱস পালনৰ প্ৰাসঙ্গিকতাক লৈ কেতিয়াবা বিতৰ্কৰ সূত্ৰপাত হয়। কিছুমানে এই দিৱস পালনে পুৰুষৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰাহে সূচায় বুলি মত প্ৰকাশ কৰে। আন্তৰ্জাতিক নাৰী দিৱসৰ বিৰোধিতা কৰি ১৯৯৯ চনৰ ১৯ নৱেম্বৰত ট্ৰিনিদাদ আৰু টবাগোত আন্তৰ্জাতিক পুৰুষ দিৱস (International Men's Day) পালন কৰা হৈছিল। অষ্টেলিয়া, উত্তৰ আমেৰিকা, এছিয়া, ইউৰোপ, আফ্ৰিকা, আমেৰিকাৰ বিভিন্ন প্ৰান্তৰ পৰা এই পুৰুষ দিৱসৰ প্ৰতি সঁহাৰি পোৱা যায়। পুৰুষ দিৱসৰ প্ৰাসঙ্গিকতাক সমৰ্থন কৰা সকলৰ মতে নাৰী যেনেদৰে নিৰ্যাতিত হয়, বহুক্ষেত্ৰত পুৰুষো একে ধৰণে মহিলাৰ দ্বাৰা নিৰ্যাতিত হয়। সেই নিৰ্যাতিত পুৰুষসকলৰ হকে কোনে মাত মাতিব?

নাৰী-পুৰুষৰ সমবিকাশৰ জৰিয়তেহে ব্যক্তিবিশেষ তথা সমাজ জীৱনৰ উন্নয়ন সম্ভৱপৰ। ব্যক্তিৰ উন্নতিয়ে সমাজলৈ আৰু সমাজৰ উন্নতিয়ে বহল পৰিসৰত ৰাষ্ট্ৰলৈ বিকাশৰ ধাৰা প্ৰৱাহমান হয়। নাৰী অবিহনে পুৰুষৰ তথা পুৰুষৰ অবিহনে নাৰীৰ স্বকীয়তা মূল্যহীন। নাৰী-পুৰুষ খোজত খোজ মিলাই আগবাঢ়িলেহে বিকাশৰ গতি ত্বৰান্বিত হয়। সেয়ে দ্বাদশ পৰিকল্পনাত (২০১২-১৭) বিশ্ববিদ্যালয় অনুদান আয়োগে বিশ্ববিদ্যালয় আৰু কলেজসমূহত 'সম উত্তৰণ কোষ' (Equal opportunity cell - EOC) সৃষ্টি কৰি পুৰুষ-নাৰীৰ সম বিকাশত গুৰুত্ব আৰোপ কৰে।

এলবাৰ্ট কেমুছে এই সম্পৰ্কত এষাৰি সাৰুৱা কথা কৈ গৈছে ঃ তেওঁ কৈছিল ঃ "মোৰ পিছত খোজ নাকাঢ়িবা, কিয়নো মই নেতৃত্ব দিব নোৱাৰিব পাৰো। মোৰ আগতো খোজ নাকাঢ়িবা কিয়নো মই তোমাক অনুসৰণ নকৰিব পাৰো, তাৰ পৰিবৰ্তে মোৰ কাষে কাষে খোজ কাঢ়া আৰু মোৰ বন্ধু হোৱা।" নাৰী-পুৰুষৰ সম অধিকাৰৰ বিষয়টো এনেদৰে গ্ৰহণ কৰিব পাৰি।



নাৰীৰ সুৰক্ষাৰ হকে আমাৰ দেশত একাধিক আইন প্ৰচলিত আছে। তাৰে প্ৰধান আইন কেইখন হ'ল ঃ যৌতুক বিৰোধী আইন (The Dowry prohibition Act, 1961) ঘৰুৱা অশান্তি আইন (Domestic Violence Act, 2005), বাল্য বিবাহ প্ৰতিৰোধ আইন (The Prohibition of Child Marriage Act, 2006), বলাৎকাৰ বিৰোধী বিল (Anti Rape Bill, 2013) আৰু শেহতীয়াকৈ 'বেটী বচাও বেটী পঢ়াও' (Beti Bachao, Beti Podhao Yojana চমুকৈ BBBP, 2015) আদি। সেইদৰে ১৯৯২ চনত ৰাষ্ট্ৰীয় মহিলা আয়োগ (National Commission for Women) গঠন কৰা হৈছিল। স্বতন্ত্ৰ এই আয়োগৰ উদ্দেশ্য হ'ল নাৰীক সাংবিধানিক, আইনী সাহায্যকে ধৰি সকলো দিশৰ পৰাই সুৰক্ষা প্ৰদান কৰা। কিন্তু কাৰ্যক্ষেত্ৰত এই আয়োগৰ পৰা নাৰীজাতি কিমান উপকৃত হৈছে সেয়া বিচাৰ্যৰ বিষয়। এই দিশত ৰেনে ডেকাৰ্টে এষাৰি অতি গুৰুত্বপূৰ্ণ কথা কৈ গৈছে। তেওঁ কৈছিল ঃ "যিখন দেশৰ আইনৰ সংখ্যা কম আৰু প্ৰতিখন আইনেই কাৰ্যকৰী কৰা হয় সেইখন দেশৰেই শাসন ব্যৱস্থা উন্নত বুলি ক'ব পাৰি।" আমাৰ দেশৰ আইন বহুক্ষেত্ৰত কাগজৰ পাততহে সীমাবদ্ধ বুলি ক'লেও বঢ়াই কোৱা নহয়। বহুক্ষেত্ৰত আইনৰ মেৰপাকত সোমাবলৈ ভুক্তভোগী ৰাজী নহয় বা আগবাঢ়ি নাহে।

এগৰাকী নাৰী এখন ঘৰৰ মূল চালিকা শক্তি। তেওঁ শিক্ষিত হওকে বা নহওক, উপাৰ্জন কৰা হওক বা নহওক, ধনী-দুখীয়া নিৰ্বিশেষে পৰিয়ালৰ প্ৰতিটো কাৰ্যসূচীত সুচাৰুৰূপে আঁত ধৰোতা ব্যক্তিগৰাকীয়েই হ'ল নাৰীগৰাকী। নাৰীগৰাকীয়ে পৰিয়ালটোৰ প্ৰতিজন সদস্যৰ মনৰ কথা উপলব্ধি কৰি সেইমতে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগে। চাকৰিয়াল মহিলাসকলে দিনটোৰ অধিক সময় কৰ্মস্থলীত কটাব লগা হোৱাৰ বাবে সেইখন সমাজৰ প্ৰতিও গধুৰ দায়িত্ববোধ থাকে। নাৰীগৰাকী যিমানে উচ্চ শিক্ষিতা নহওক, যিমানেই কৰ্মব্যস্ত নহওক ঘৰখনত কিন্তু তেওঁ গৃহিনীৰ দায়িত্বহে পালন কৰিব লাগে।

ঘৰখনত গৃহিনীগৰাকীৰ কামৰ বোজা অসীম। ৰাতিপুৱা শুই উঠাৰ পৰা নিশা বিচনালৈ যোৱালৈকে সৰু-বৰ বিভিন্ন কৰ্মত নিয়োজিত হ'লেহে ঘৰখন নিয়াৰিকৈ চলে। এই অন্তহীন কামবোৰক কিন্তু সমাজৰ অধিকাংশ মানুহে স্বীকৃতি দিবলৈ টান পায়। চাকৰি নকৰা মহিলাক স্বামীয়ে পৰিচয় কৰাই

দিবলগীয়া হ'লে উপাৰ্জনৰ দিশটো উহ্য হৈ ৰয়। কিবা কৰে নেকি বুলি সুধিলে সুধোতাজনক একো নকৰে বুলিহে প্ৰত্যুত্তৰ দিয়ে। আনকি নাৰীগৰাকীয়ে নিজেও 'একো নকৰো' বুলি ক'বলৈহে বাট চাই থাকে। কামৰ যে সৰু-বৰ নাই বা প্ৰত্যক্ষ উপাৰ্জনহীন কামবোৰ যে পৰোক্ষভাৱে উপাৰ্জনক্ষম হ'ব পাৰে সেয়া কোনেও গুৰুত্ব নিদিয়ে। গৃহিনীসকলে পোনপটীয়াকৈ উপাৰ্জন নকৰে সঁচা; কিন্তু সেই একেখিনি কামকে মূল্যৰ বিনিময়ত কাৰোবাক কৰাব লাগিলে সেই পইচাখিনি খৰচৰ ৰূপত ঘৰখনৰ পৰা ওলাই যায়। ঘৰৰ গৃহিনীগৰাকীয়ে সেই সমস্ত কামৰ দায়িত্ব কান্ধ পাতি লৈ টকাখিনি সঞ্চয় ৰূপত থাকি পৰোক্ষভাৱে উপাৰ্জন কৰাৰ নিচিনাই হয়। অৱশ্যে এই গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি সকলো লোকেই আওকান কৰা দেখা যায়। সেয়ে হয়তো চৰকাৰে চাকৰিয়াল স্বামীৰ দৰমহাৰ দহ শতাংশ ধন গৃহিনীগৰাকীক দিয়াৰ বাবে আইন প্ৰণয়নৰ কথা চিন্তা কৰিছে।

ল'ৰা-ছোৱালী বা নাৰী-পুৰুষ জৈৱিকভাৱেহে পৃথক; অন্যথা তেওঁলোক সমান অধিকাৰৰ যোগ্য। বিগ বি ৰূপে জনাজাত অমিতাভ বচনে তেওঁৰ মৃত্যুৰ পাছত পুত্ৰ আৰু কন্যা-সমষ্ট সম্পত্তিৰ সমান অংশীদাৰ হ'ব বুলি ইতিমধ্যে ঘোষণা কৰিছে। ইয়ে সমাজলৈ এক শুভবাৰ্তা কঢ়িয়াই আনিছে।

নাৰীক সাধাৰণতে দুৰ্বল, অৱলা আদি বিশেষণ প্ৰয়োগ কৰি শক্তিত যে নাৰী দুৰ্বল তাক বুজোৱা হয়। কিন্তু নাৰী যে প্ৰয়োজন সাপেক্ষে বা পৰিস্থিতিয়ে বাধ্য কৰিলে অধিক শক্তিশালী ৰূপত অৱতীৰ্ণ হ'ব পাৰে তাক দোহৰাৰ প্ৰয়োজন নাই। ঈশ্বৰে নাৰীক এনে শক্তি প্ৰদান কৰিছে যে যিকোনো বিপদ-বিঘিনিৰ সন্মুখীন হ'লে সাহসেৰে বিপদৰ লগত যুঁজি উদ্ধাৰৰ বাট বিচাৰি উলিয়াব পাৰে। ধৈৰ্য সহকাৰে সমস্যাৰ লগত মোকাবিলা কৰিব পৰাৰ শক্তি নাৰীৰ স্বভাৱগত লক্ষণ।

এইক্ষেত্ৰত কেইগৰাকীমান সাহসী নাৰীৰ দৃষ্টান্ত দিয়াৰ প্ৰয়োজনবোধ কৰিলো।

পাকিস্তানৰ কিশোৰী মালালা ইউছুফজাইৰ অদম্য সাহসৰ কথা প্ৰথমেই মনলৈ আহিছে। মৌলবাদী সংগঠন, তালিবানৰ ৰোষত পৰি হত্যাৰ প্ৰচেষ্টা মালালাৰ ওপৰত চলোৱা হৈছিল। গুলীবৃদ্ধ হৈ মৃত্যুৰ দুৱাৰ-দলিৰ পৰা উভতি



অহা মালালাই শিশু শিক্ষা বিশেষকৈ কন্যা শিশুৰ শিক্ষাৰ হকে অহৰহ মাত মাতি আহিছে। শিক্ষা আৰু শান্তি প্ৰচেষ্টাৰ স্বীকৃতি স্বৰূপে ২০১৪ চনত ভাৰতৰ কৈলাশ সত্যাৰ্থীৰ সৈতে যুটীয়াভাৱে শান্তিৰ ন'বেল বঁটা মালালালৈ আগবঢ়োৱা হৈছিল।

সেইদৰে অৰুনিমা সিনহা নামৰ মহিলা গৰাকী ভাগ্যৰ চকৰীত পৰি অকস্মাতে ৰে'লৰ চেপাত বাওঁ ভৰিখন হেৰুৱাবলগীয়া হৈছিল। সেয়া ২০১১ চনৰ কথা। কিন্তু অৰুনিমাই ভাগ্য বা নিয়তিৰ ওচৰত হাৰ মনা নাছিল। তেওঁৰ অদম্য সাহস, মনোবল আৰু ইচ্ছা শক্তিৰ জোৰত এভাৰেষ্ট শৃংগ জয়ৰ সপোন দেখিছিল আৰু সঁচাকৈয়ে এখন কৃত্ৰিম ভৰিৰে পৃথিৱীৰ সৰ্বোচ্চ এভাৰেষ্ট শৃংগ জয় কৰি অসম্ভৱ যেন লগা কামকো সম্ভৱ কৰি তুলিলে।

সেইদৰে অশান্ত আৰু প্ৰতিবাদী মণিপুৰৰ এক আপোচবিহীন নাৰীৰ নাম বীনালক্ষ্মী নেপ্ৰাম। এগৰাকী মানৱদৰদী সুলেখিকা আৰু সমাজকৰ্মী হিচাপে পৰিচিত বীনালক্ষ্মী। গৃহৰাজ্য মনিপুৰৰ লগতে অশান্ত জৰ্জৰিত উত্তৰ পূৰ্বৰ বন্দুকৰ সংস্কৃতি নোহোৱা কৰি এখন অস্ত্ৰ বিৰোধী সংগ্ৰামৰ নেতৃত্ব দিছে বীনাই। শান্তি প্ৰতিষ্ঠাৰ মূল লক্ষ্য হিচাপে লোৱা তেওঁলোকৰ সংস্থাটোৱে লগতে মহিলাৰ অধিকাৰৰ সপক্ষে সজোৰে মাত মতাই নহয়, হাতে-কামে অসহায় মহিলাক সহায়ৰ হাতো আগবঢ়াই আহিছে। প্ৰতিকূল পৰিস্থিতি নেওচি আগবঢ়া এইগৰাকী নেত্ৰীৰ এতিয়া পৰিচয় 'দা ফেচ এণ্ড ভইচ অৱ নৰ্থ-ইষ্ট' (The Face and voice of North-East)।

ডাইনী প্ৰথাৰ বিৰুদ্ধে বীৰুবালা ৰাভাৰ সংগ্ৰামৰ বিষয়ে নকৈ কোৱাৰ প্ৰয়োজন নাই। সমাজত দকৈ প্ৰচলিত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আঁতৰ কৰাত বীৰুবালা ৰাভাই অবিৰত প্ৰচেষ্টা চলাই আহিছে। গোৱালপাৰা জিলাৰ এখন ভিতৰুৱা ঠাইত জন্মগ্ৰহণ কৰা এই মহিলাগৰাকীয়ে নিজৰ সাহসী পদক্ষেপৰ দ্বাৰা তথা সততা, দৃঢ়তা আৰু নেবানেপেৰা প্ৰচেষ্টাৰ ফলশ্ৰুতিত সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ যে ভালেখিনি নিৰাময় হৈছে তাক স্বীকাৰ কৰিব লাগিব। অৱশ্যে বাঞ্ছিত ফল পাবলৈ এতিয়াও বহুদূৰ বাকী। বীৰুবালা ৰাভাৰ ঐকান্তিক প্ৰচেষ্টাৰ বাবে অনেক নাৰীৰ জীৱনলৈ নামি আহিব খোজা কালধুমুহা জাক পিছ হুহকি যাবলৈ বাধ্য হৈছে। যতেই ডাইনীৰ সন্দেহত নাৰী নিৰ্যাতিত

হৈছে তালৈকে বীৰুবালা গৈ পৰিস্থিতিৰ লগত সাহসেৰে যুঁজ দিছে। নাৰী কেতিয়াও ডাইনী নহয়। হ'ব নোৱাৰে; ই কেৱল অন্ধবিশ্বাসৰহে ফল বুলি কৈ অসহায় নাৰীৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰিছে। সেইদৰে জুলি বৰুৱা নামৰ এগৰাকী যুৱতীয়ে এটা বাছ দুৰ্ঘটনাত দুয়োখন হাত হেৰুৱাই অৱশেষত কৃত্ৰিম হাতৰ গৰাকী হৈ কেনেদৰে প্ৰত্যাহ্বানমূলক জীৱনৰ লগত মুখামুখি হৈ অপৰাজেয় ৰূপত আত্মপ্ৰকাশ কৰিছে সেয়া নাৰী সমাজৰ বাবে চানেকি স্বৰূপ হ'ব পাৰে। তেওঁ বৰ্তমান এগৰাকী চাকৰিয়াল মহিলা হোৱাৰ উপৰিও কেইবাখনো পুথিৰ ৰচয়িতাৰূপে পৰিচয় দিবলৈ সক্ষম হৈছে।

নাৰীয়েই নাৰীৰ শত্ৰু বুলি মাজে-সময়ে আলোচিত হয়। কথাষাৰ একেবাৰে মিছা বুলি উৰুৱাই দিব নোৱাৰি। এটা উদাহৰণ দিলেই কথাষাৰৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰি। কিছু দিনৰ আগতে 'হেৰি হেৰি...' নামৰ গীত এটাই ব্যাপক চৰ্চা লাভ কৰিলে এটা কাৰণতে যে গীতটোত দুগৰাকী গায়ক-গায়িকাই নাৰী আৰু পুৰুষৰ গোপন যৌন অংগক লৈ কণ্ঠ নিগৰাইছে। গীতটো ছছিয়েল মিডিয়াত প্ৰচাৰ হোৱাৰ লগে লগে অশ্লীলতাৰ সীমা চেৰাই যোৱা বুলি বহুতে তীব্ৰ প্ৰতিবাদ কৰি ক্ষোভ উজাৰিলে। লগতে এটা ইলেকট্ৰনিক মাধ্যমে গায়কজনক ষ্টুডিঅ'লৈ মাতি আনি প্ৰকাশ্যে দেখুৱালে আৰু তেওঁৰ মতামত ল'লে। আমাৰ মতে গায়িকাগৰাকীকো বিচাৰৰ কাঠগড়াত থিয় কৰাব লাগিছিল। এগৰাকী নাৰী হৈ ইমান বিকৃত মানসিকতাৰে পুৰুষ সঙ্গীজনৰ ওচৰত কেনেদৰে গীতটো বাণীবদ্ধ কৰিছিল ভাবিলে আচৰিত লাগে। এইসকল নাৰীও নাৰী সমাজৰ ঘোৰ শত্ৰুস্বৰূপ। এনে ক্ষেত্ৰতো লিংগ অসমতা থাকিব নালাগে বুলি ভাবো। পুৰুষ-নাৰী দোষী-দোষীয়েই। তাত নাৰী হ'লে সাতগুণ মাফ হ'ব নালাগে। অন্যথা নাৰী স্বাধীনতাৰ গইনা লৈ নেতিবাচক ক্ষেত্ৰত কিছুমান নাৰী অধিক আগুৱাই যোৱাৰ অৱকাশ থাকিব। সেয়া নিশ্চয় কাৰো কাম্য নহয়।

❖❖❖❖❖



# অলকানন্দাৰ পাৰে পাৰে

✍ ৰীণা বৰঠাকুৰ
সহযোগী অধ্যাপিকা
সোণাৰি মহাবিদ্যালয়

'অলকানন্দা' এই শ্ৰুতিমধুৰ শব্দটোৱে মনত সপোনৰ সৃষ্টি কৰিব পাৰে আৰু বাস্তৱত ই এখন নদীৰ ৰূপ ধৰি গিৰিৰাজ হিমালয়ৰ পাদভূমি স্পৰ্শ কৰি নামি আহিছে। অহাৰ পথত উত্তৰাঞ্চলৰ প্ৰায়খিনি পাৰ্বত্য এলেকা সামৰি ক্ৰমে সৰস্বতী, নন্দাকিনি, মন্দাকিনি, পিণ্ডৰ আৰু ভাগীৰথীৰ লগ লাগিছে। মন্দিৰ নগৰী হৰিদ্বাৰ, আশ্ৰমনগৰী ঋষিকেশ হৈ এইনদীৰ পাৰে পাৰে দেৱপ্ৰয়াগ, কৰ্ণপ্ৰয়াগ, ৰুদ্ৰপ্ৰয়াগ, নন্দপ্ৰয়াগ আৰু বিষ্ণুপ্ৰয়াগ দৰ্শন কৰি হিন্দু ধৰ্মৰ চাৰিধামৰ অন্যতম কেদাৰনাথ আৰু বদ্ৰীনাথ ভ্ৰমণ কৰিব পাৰি। প্ৰয়াগ হৈছে নদীৰ মিলন থলী। বিষ্ণুপ্ৰয়াগও অলকানন্দাই 'সৰস্বতী নদী'ৰ লগত লগহৈ বদ্ৰীনাথ বা বিশালবদ্ৰীৰ মন্দিৰৰ সমীপেদি প্ৰবাহিত হৈ নন্দ প্ৰয়াগত 'নন্দাকিনি'ৰ লগত মিলিত হৈছে। ৰুদ্ৰপ্ৰয়াগত অলকানন্দা সুন্দৰী 'মন্দাকিনি'ৰ লগ লাগি কৰ্ণপ্ৰয়াগত আকৌ 'পিণ্ডৰ' নদীৰ লগ লাগিছে। আনহাতে দেৱপ্ৰয়াগত 'ভাগীৰথী'ৰ লগ লাগি গংগা নামলৈ হৰিদ্বাৰ অভিমুখে গতি কৰিছে।

হৰিদ্বাৰৰ পৰা ৩২০ কিঃমিঃ দূৰত্বত বিষ্ণুতীৰ্থ বদ্ৰীনাথ মন্দিৰ। মন্দিৰটোৰ চূড়া সোণৰ আৰু ভিতৰত শালেগ্ৰাম শিলৰ বিষ্ণুমূৰ্ত্তি আছে। এই মন্দিৰৰ পিছতেই আছে বিখ্যাত নীলকণ্ঠ শৃঙ্গ। এই শৃঙ্গই সূৰ্য্যোদয়ৰ সময়ত এক অপাৰ্থিৱ মনোমোহা ৰূপ ধাৰণ কৰি দৰ্শনাৰ্থীৰ মনত অপাৰ আনন্দ দিয়ে। আনহাতে মন্দাকিনিৰ বাওঁতীৰত আছে কেদাৰনাথ মন্দিৰ। ২০১৩ চনৰ বিধ্বংসী প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখীন হৈ এই অঞ্চলৰ হোটেল, ধৰ্মশালা, আশ্ৰম, লোকালয় আদি ধ্বংসস্তূপত পৰিণত হৈছিল। কিন্তু প্ৰৱল জলোচ্ছাসৰ সন্মুখীন হৈও সম্পূৰ্ণ অলৌকিকভাৱে এই মন্দিৰ অক্ষত অৱস্থাত ৰৈ গৈছিল। সেই সময়ত সাধাৰণ লোকে এই জলোচ্ছাসক মানুহৰ অত্যাচাৰ আৰু অনাচাৰ দেখি

বোৱা 'দেৱতাৰ চকুলো' বুলি অভিহিত কৰিছিল।

দেৱভূমি বা উত্তৰাখণ্ড হৈছে হিমালয়ৰ থিক মধ্যৱৰ্তী অঞ্চল 'গাৰোৱাল' আৰু 'কুমায়ুণ'ৰ সমষ্টি। এই দেৱভূমিক (দেৱতাৰ আৱাসস্থলী) উপনিষদত 'উত্তৰ পাঞ্চাল' হিচাপে বৰ্ণনা কৰা হৈছে। ৰামায়ণ স্ৰষ্টা বাল্মীকিয়ে ইয়াক 'উত্তৰ কুশল' আৰু মহাভাৰত স্ৰষ্টা বেদব্যাসে 'উত্তৰ কুৰু' হিচাপে অভিহিত কৰি গৈছে। বৃটিছ শাসনৰ আগলৈকে গাৰোৱাল এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে চিহ্নিত আছিল আৰু ইয়াৰ ৰাজধানী আছিল শ্ৰীনগৰ (জম্মু কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰ নহয়)। পোনপ্ৰথমে পণ্ডিত জৱাহৰলাল নেহেৰুদেৱে এই অঞ্চলক ভাৰতৰ এখন অঙ্গৰাজ্য হিচাপে অন্তৰ্ভুক্তি কৰিবৰ চেষ্টা কৰিছিল। সেয়ো আছিল ১৯৩৮ চনৰ কথা, তেতিয়া ভাৰতবৰ্ষ স্বাধীন হোৱাই নাছিল। ইয়াৰ বাষষ্ঠি বছৰৰ পিছত অৰ্থাৎ ২০০০ চনৰ ৯ ডিচেম্বৰ তাৰিখেহে অটল বিহাৰী বাজপেয়ী দেৱৰ প্ৰত্যক্ষ হস্তক্ষেপত উত্তৰাখণ্ডই ভাৰতৰ ২৭তম ৰাজ্য হিচাপে দেশৰ মানচিত্ৰত ভুমুকি মাৰিছিল। সুৰজিৎ সিং বাৰ্ণালা এই ৰাজ্যৰ প্ৰথমজন ৰাজ্যপাল আৰু নিত্যানন্দ স্বামী হ'ল প্ৰথমজনা মুখ্যমন্ত্ৰী।

**উল্লেখনীয় দৰ্শনস্থলী ঃ**

মন্দিৰ নগৰী হৰিদ্বাৰা হৈছে গাৰোৱাল হিমালয়ৰ প্ৰৱেশদ্বাৰ। ইয়াৰ হৰ-কি-পউৰিৰ ঘাটত হোৱা সন্ধ্যা আৰতিৰ দৃশ্য অপূৰ্ব। মনসা পাহাৰৰ চূড়াত আছে মনসা মন্দিৰ। এই মন্দিৰলৈ ৬০০ মিটাৰ দীঘল ৰোপৱেৰ সহায়ত যাব পাৰি। মন্দিৰ সমূহৰ ভিতৰত ভাৰত মাতাৰ মন্দিৰ আধুনিক স্থাপত্যৰ অভিনৱ নিদৰ্শন। তাৰোপৰি দুৰ্গামন্দিৰ, সতীকুণ্ড, হৰিহৰ আশ্ৰম, পাৰদেশ্বৰ মন্দিৰ আদিও দৰ্শনীয় স্থান।

হৰিদ্বাৰৰ পৰা ২৪ কিলোমিটাৰ দূৰত আছে ঋষীকেশ। ইয়াৰ প্ৰধান আকৰ্ষণ 'লক্ষ্মণ ঝুলা'। বহুতো আশ্ৰম থকা এই নগৰীৰ ৰাজপথত মনৰ শান্তি বিচাৰি অহা অগণন বিদেশীলোকৰ পয়োভৰ ঘটে। ইয়াৰ পিছত ক্ৰমে দেৱপ্ৰয়াগ, শ্ৰীনগৰ আৰু ৰুদ্ৰপ্ৰয়াগ। ৰুদ্ৰপ্ৰয়াগত ৰুদ্ৰৰূপী শিৱৰ মন্দিৰ আছে। ইয়াৰ পৰা ১৮ কিঃমিঃ দূৰত অলকানন্দাৰ পাৰতে আছে অগস্ত্যমুণিৰ তপস্যাস্থল। মুঠৰ ওপৰত হৰিদ্বাৰৰ পৰা এই গোটেই পথছোৱাই হৈছে অপাৰ্থিৱ যেন লগা এক



সৌন্দৰ্যৰ আঁকৰ। আপুনি যদি প্ৰকৃতিপ্ৰেমী, তেনেহ'লে এই দেৱভূমিলৈ আহক, নিশ্চয়কৈ ইয়াত বিচাৰি পাব আপোনাৰ মনৰ প্ৰশান্তি, চকুৰ তৃপ্তি লগতে হৃদয়ত পাৰভঙা আনন্দৰ ঢল।

**কেনেকৈ আহিব ঃ**

অসমৰ পৰা উৰাজাহাজ বা ৰেলযোগে দিল্লীলৈ আহি শতাব্দী ৰেলেৰে হৰিদ্বাৰলৈ আহিব পাৰে। তাৰ পৰা সৰু গাড়ী ভাৰালৈ ল'ব পাৰি। দিল্লীৰ পৰা ভ্ৰমণ এজেন্সিসমূহৰ সহায়ত বাছেৰেও যাত্ৰা কৰিব পাৰে।

**ক'ত থাকিব ঃ**

হৰিদ্বাৰত চৰকাৰী পৰ্যটনৰ 'হোটেল অলকানন্দা' আছে। ইয়াৰোপৰি 'ৰাহি হোটেল', 'কিংস প্লাজা', 'জ্ঞান হেৰিটেজ' আদিতো থকাৰ সু-ব্যৱস্থা আছে। ৰুদ্ৰপ্ৰয়াগত 'ট্যুৰিষ্ট ৰেষ্ট হাউচ', 'হোটেল বিজয়ৰাজ', 'হোটেল তুলসী' আদি উল্লেখযোগ্য। অন্যান্য উল্লেখনীয় স্থানসমূহতো ধৰমশালাৰ ব্যৱস্থা আছে।

❖❖❖❖❖

# নাৰীৰ গণিত প্ৰীতি আৰু এগৰাকী প্ৰখ্যাত মহিলা গণিতবিদৰ কথাৰে

✍ শ্ৰী টঙ্কেশ্বৰ বৰুৱা
সহযোগী অধ্যাপক
সোণাৰি মহাবিদ্যালয়

অতি প্ৰাচীন কালত জ্ঞান চৰ্চাৰ ক্ষেত্ৰত নাৰী- পুৰুষৰ মাজত কোনো পাৰ্থক্য নাছিল। তেতিয়াৰ দিনত নাৰীৰ ওপৰত বহুত সামাজিক অনুশাসন জাপি দিয়া হোৱা নাছিল। গ্ৰীচত প্লেটোৰ সময়ত নাৰীয়ে পুৰুষৰ সমানেই জ্ঞান চৰ্চা কৰিব পাৰিছিল। প্ৰাচীন ভাৰতবৰ্ষতো তেনে প্ৰমাণ পোৱা যায়। যেতিয়াৰ পৰা সমাজত অধিক পৰিমানে পুৰুষ শাসিত হ'বলৈ ধৰিলে, তেতিয়াৰ পৰা নাৰীৰ জ্ঞান চৰ্চাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হ'বলৈ ধৰিলে। তেনে পৰিপ্ৰেক্ষিততে গণিত জগতলৈ নাৰীৰ উল্লেখনীয় অৱদান আজিও তুলনামুলক ভাৱে কম হোৱা পৰিলক্ষিত হয় যদিও নাৰীৰ গণিত প্ৰীতিৰ অভাৱ হোৱা নাই।

প্ৰাচীন গ্ৰীচত পিথাগ'ৰাচৰ পঢ়াশালিত নাৰীয়ে গণিত চৰ্চা কৰাৰ কথা উল্লেখ পোৱা যায়। উদাহৰণ হিচাবে পিথাগোৰীয় ফৈদৰ থিয়ানো আৰু আমাৰ দেশৰ লীলাৱতী উল্লেখযোগ্য। উনবিংশ শতিকাৰ পৰা পশ্চিমীয়া দেশসমূহত নাৰীয়ে গণিত চৰ্চাৰ সুযোগ লাভ কৰে। ঘৰুৱা প্ৰতিবন্ধকতা থকা সত্বেও ৰুছ মহিলা চ'ফি কোৱালেভস্কিয়ে (Sophie Kovalevsky , ১৮৫০-১৮৯১) উচ্চ শিক্ষা গ্ৰহণ কৰি মহিলা গণিত বিদ হিচাবে খ্যাতি অৰ্জন কৰিব পাৰিছিল। যি গৰাকী গণিতবিদে উচ্চ শিক্ষাৰ বাবে বিবাহৰ শৰণাপন্ন হ'ব লগা হৈছিল, যিহেতু অভিভাৱকে চ'ফিৰ উচ্চ শিক্ষা বিৰোধিতা কৰিছিল। এই গৰাকী গণিতবিদৰ বিষয়ে তলত কিছু আলোকপাত কৰা হৈছে।

দুটা শতিকাৰ পূৰ্বে বহু কষ্ট আৰু অসুবিধাৰ মাজেৰে প্ৰবল ধাউতি প্ৰদৰ্শন কৰা আন এগৰাকী প্ৰখ্যাত মহিলা গণিতজ্ঞ আছিল এম্মি নোৰেদাৰ (১৮৮২-১৯৩৫)। যি গৰাকী গণিতজ্ঞই বিখ্যাত গণিতজ্ঞ পল গৰ্ডনৰ তত্ত্বাবধানত গৱেষণা কৰি পি.এইচ.ডি. ডিগ্ৰী পাবলৈ সক্ষম হৈছিল।

মহিলাৰ গণিত প্ৰীতিৰ বাবেই বিখ্যাত গণিতজ্ঞ অইলাৰে (Leonard



Euler, ১৭০৭-১৭৮৩) নতুন আবিষ্কাৰ কৰিব পাৰিছিল, গণিতজ্ঞ ডেৰ্কাটিজে (Rene Decartes, ১৫৯৬-১৬৪১) ৰাজসভাত সন্মানীয় সদস্যৰ স্থান লাভ কৰিছিল। ১৭২৪ খৃঃত ৰাচিয়ান সম্ৰাট মহান পিটাৰে বিজ্ঞান চৰ্চাৰ বাবে The Imperical Academy of Science নামৰ এখন একাডেমী প্ৰতিষ্ঠা কৰিছিল। সম্ৰাটৰ মৃত্যুৰ পিছত ৰাণী কেথেৰিণে অধিক মনোযোগ দি প্ৰতিষ্ঠানখন উন্নতমানলৈ গঢ় দিলে। য'ৰ পৰাই অইলাৰে নতুন আবিষ্কাৰসমূহ কৰাৰ বাবে সুযোগ লাভ কৰিছিল। অন্যজন গণিতজ্ঞ ডেৰ্কাটিজৰ ফ্ৰান্সৰ টুচ্ নগৰত জন্ম হৈছিল। জ্যামিটিৰ সৰলৰেখা, বৃত্ত, অধিবৃত্তৰ বাবে ৰূপ প্ৰকাশৰ সূত্ৰ (pattern) য়ে ক্ৰমে $y = mx+c$, $x^2 + y^2 = a^2$ আৰু $\frac{x^2}{a^2} + \frac{y^2}{b^2} = 1$, তাক তেওঁৱেই প্ৰথমে ধাৰণা দিছিল। তেওঁৰ ৰচিত পুথি 'Discourse' ৰ বাবে ১৬৪৯ খৃঃত চুইডেনৰ ৰাণী খ্ৰীষ্টিনাই তেওঁক ৰাজসভাৰ সন্মানীত সদস্যৰ স্থান দিছিল। এইয়া নাৰীৰ গণিত প্ৰীতিৰ সুন্দৰ নিদৰ্শন।

**চ'ফি কোৱালেভস্কি (Sophie Kovalevsky) ঃ**

১৮৫০ চনৰ ১ জানুৱাৰীত ৰাছিয়াৰ মস্কোত চ'ফি কোৱালেভস্কিৰ জন্ম হয়। তেওঁ আছিল এক অনন্যা প্ৰতিভা সম্পন্ন গণিতজ্ঞা। মাত্ৰ দহ বছৰ বয়সতে তেওঁ ৱাল্ডেমাৰ (Waldemer Kovalevsky) লগত বিয়া হয়। তেওঁৰ স্বামী আছিল এজন প্ৰখ্যাত পুৰাতত্ববিদ। বিয়াৰ পাছত স্বামীৰ সৈতে তেওঁ হীডেনবাৰ্গলৈ যায় আৰু সেই চহৰত কেইবাগৰাকী বিখ্যাত বিজ্ঞানীৰ সান্নিধ্যত গণিত আৰু পদাৰ্থ বিজ্ঞান পঢ়াৰ সুযোগ লাভ কৰে। তেওঁৰ আগ্ৰহ ক্ৰমান্বয়ে গণিতৰ প্ৰতি বাঢ়ি যায় আৰু ১৫ বছৰ বয়সতে এগৰাকী গণিতৰ পাৰদৰ্শী মহিলা হিচাবে স্বীকৃতি পায়। ১৮৬৮ চনৰ ভিতৰতে তেওঁ জ্যামিতি আৰু কলনগণিতৰ (Calculous) তত্ত্বসমূহৰ ওপৰত আধিপত্য বিস্তাৰ কৰে।

১৮৭০ চনত তেওঁ বাৰ্লিনলৈ যায় আৰু তাত তিনি বছৰ গণিতজ্ঞ ৱেইৰষ্ট্ৰাছ (Weirstrass)ৰ তত্ত্বাৱধানত সমকালীন গণিত অধ্যয়নত ব্যস্ত থাকে। এই কালছোৱাতে চ'ফিয়ে "About the theory of partial differential equations" শীৰ্ষক গৱেষণা কৰি গটিংগেন বিশ্ববিদ্যালয়ৰ পৰা ১৮৭৪ চনত পি. এইচ.ডি লাভ কৰে। ইয়াৰ ওপৰি সেই বিশ্ববিদ্যালয়ত গণিত বিষয়ক দুখন গুৰুত্বপূৰ্ণ গৱেষণাপত্ৰ প্ৰকাশ কৰে। তাৰ পাছত তেওঁ স্বামীগৃহ ৰাছিয়ালৈ আহে আৰু ১৮৭৮ চনত এটি কন্যসন্তানৰ মাতৃ হয়।

১৮৮৩ চনত মাৰ্চ মাহত তেওঁ পেৰিচত হোৱা এখন চেমিনাৰত অংশ গ্ৰহণ কৰিবলৈ যায় আৰু তাত থাকোতেই তেওঁৰ স্বামীৰ মৃত্যু হয়। স্বামীৰ আকস্মিক বিয়োগত তেওঁ মৰ্মান্তিক দুখ পাই এমাহ শৰ্যাগত হৈ পৰে। গণিত গুৰু ৱেইৰষ্ট্ৰাছৰ মৰম আৰু উদগণীত তেওঁ স্বাভাৱিক অৱস্থালৈ আহে আৰু অধ্যয়নত ব্ৰতী হয়। পিছলৈ তেওঁ বাৰ্লিনৰ পৰা "On the refraction of light in crystalline" শীৰ্ষক গৱেষণা পত্ৰ প্ৰকাশ কৰে।

চ'ফিৰ ইচ্ছা আছিল গণিত বিষয়ৰ এগৰাকী প্ৰৱক্তা হোৱা। ১৮৮১ চনত ফিনলেণ্ড বিশ্ববিদ্যালয়ৰ গণিত প্ৰফেচাৰ মিটাগ লেফলাৰে (Mittag Leffler) তেওঁক ষ্টকহম বিশ্ববিদ্যালয়ত সহযোগী প্ৰফেচাৰ হিচাবে নিয়োগ কৰে। তেওঁ সেই বিশ্ববিদ্যালয়ে আয়োজন কৰা ভাষণৰ শৃংখলাত আংশিক অৱকল সমীকৰণৰ বিষয়ে গৱেষণা পাঠ কৰি নিৰ্বাচিত শ্ৰুতাসকলক মোহিত কৰে। তেওঁৰ ব্যক্তিত্ব আৰু বিষয়বস্তু ওপৰত থকা গভীৰ জ্ঞানৰ বাবে উচ্চ প্ৰশংসা পোৱাৰ লগতে তেওঁৰ কাৰ্যকাল আৰু পাঁচ বছৰৰ বাবে বঢ়াই দিয়ে। পাঁচ বছৰ পূৰ্ণ হোৱাৰ আগতেই তেওঁৰ এখন গুৰুত্বপূৰ্ণ গৱেষণা পত্ৰৰ বাবে Institute of France য়ে তেওঁক Bordin Prize ৰে পুৰস্কৃত কৰে। এই পুৰস্কাৰে প্ৰফেচাৰ চ'ফিৰ নাম-যশ বিয়পাই পেলালে। ১৮৯০ চনৰ শীতকালটো ফ্ৰান্সৰ সাগৰ উপকণ্ঠ অঞ্চলত কটাবলৈ গৈছিল আৰু তাৰ পৰা জাহাজেৰে ঘূৰি আহোতে ঠাণ্ডা লাগি অসুস্থতা অনুভৱ কৰে আৰু ফেব্ৰুৱাৰী ১০ তাৰিখে মৃত্যুক আকোৱালি লয়।

গণিত জগতলৈ চ'ফি কোৱালেভস্কিৰ উল্লেখযোগ্য অৱদানৰ ভিতৰৰে এটা হ'ল Kovalevsky's top যিটো তেওঁৰ নামেৰেই জনাজাত। 'কোৱালেভস্কি টপ' হ'ল এটা বিন্দু সাপেক্ষে এটা গোটা পদাৰ্থৰ গতি সম্পৰ্কীয় তত্ত্ব। যাৰ বাবেই তেওঁ গণিত জগতত স্মৰণীয় হৈ ৰ'ব। ঊনবিংশ শতিকাত জন্ম গ্ৰহণ কৰি কম বয়সতে বিবাহপাশত আবদ্ধহৈও অগতানুগতিক শিক্ষা গ্ৰহণেৰে শিক্ষাত ব্ৰতী হৈ Weierstrass অৰ দৰে মহান গণিতজ্ঞৰ অন্তাৱধানত পি.এইচ.ডি. ডিগ্ৰী লাভ কৰা আৰু যৌৱনৰ মাজভাগতে স্বামীহাৰাহৈও চ'ফি কোৱালেভস্কিয়ে মহিলা গণিতজ্ঞ হিচাবে নিজকে গণিত জগতত প্ৰতিষ্ঠিত কৰি থৈ যাব পৰাটো জ্ঞান সন্ধানী সকলৰ বাবে সঁচাই আদৰ্শ আৰু বিৰল কীৰ্তৃত্বৰ প্ৰতীক।

❖❖❖❖❖



# ৰাম গগৈৰ প্ৰথম কবিতা পুথি 'মাটিৰ স্বপ্ন'ত কাব্যিক সৌন্দৰ্য

✍ ড° ৰীতা দত্ত
সহযোগী অধ্যাপিকা
সোণাৰি মহাবিদ্যালয়

'ৰামধেনু'ৰ যুগ মানেই পঞ্চাছৰ দশক। অৰ্থাৎ ১৯৫২-১৯৬১ চনৰ এইসময়ছোৱাকেই 'ৰামধেনু'ৰ যুগ বুলি ক'ব পাৰি। 'ৰামধেনু' আলোচনীৰ সম্পাদক আছিল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য। এই সময়ছোৱাৰ কবিসকলৰ কবিতালৈ চালে দেখা যায় প্ৰথমাৱস্থাত কবিসকলে একেবোৰ ছন্দ, বাক্যখণ্ড বা চিত্ৰকল্পৰ ব্যৱহাৰ কৰিয়েই নিজৰ সৃষ্টিসমূহ আগবঢ়াই আহিছিল। ফলত ভাল কবিতাৰ সংখ্যা আছিল তেনেই সীমিত। সম্পাদকেও এলিয়টভঙ্গীৰ কবিতাকেই ৰামধেনুত প্ৰৱেশাধিকাৰ দি আহিছিল। ঐতিহ্যচেতনাৰ অনুপস্থিতি যিকোনো ধৰণৰ কবিতাৰ বাবেই মাৰাত্মক। ঠিক এইখিনি সময়তে মাৰ্ক্সীয় দৰ্শনে কেইজনমান কবিক উদ্বুদ্ধ কৰিছিল— তাৰে এজন সম্পাদক নিজে আৰু আন জন আছিল কবি ৰাম গগৈদেৱ।

কবি নলিনীধৰ ভট্টাচাৰ্যৰ ভাষাত— কবি ৰাম গগৈৰ "পথাৰ' এক নতুন সৃষ্টিৰ ৰূপক। মহাজনী অৰ্থনীতিৰ লাভ-ক্ষতিৰ নৰকত মেহনতী জনতাৰ বিদ্ৰোহ আৰু নতুনত্বৰ স্বপ্ন 'পথাৰ' কবিতাত উজলি আছে। গগৈৰ পৰৱৰ্তী কবিতাসমূহত 'পথাৰ' কবিতাত 'সঁচা আবেগৰ বোল' দুৰ্লভ"। তথাপি তেওঁ 'পথাৰ'ৰ কবি বা 'পৃথিৱীৰ কবি' হৈয়েই পৰিচিত হৈ ৰ'ল। এয়া বোধকৰোঁ বিস্তৰ আলোচনাৰ অভাৱৰ ফল। হয়তোবা বিশেষ এটা পৰিচয়েৰে পৰিচিত হোৱাৰ বাবে সৃষ্টি হোৱা সমালোচনাৰ এচলীয়া দৃষ্টিভংগীৰেই পৰিণতি। ড° প্ৰহ্লাদ কুমাৰ বৰুৱাদেৱৰ মতে গগৈদেৱৰ কবিতাত আনকেতবোৰ গুণো আছে। যেনে— বিপ্লৱীচেতনা, মাটি আৰু মানুহৰ প্ৰেম, গভীৰ জীৱনবোধ, গভীৰ বিষাদবোধ, ইতিহাস চেতনা, সাম্যবাদ আৰু কাব্যিক সৌন্দৰ্য ইত্যাদি।

ৰাম গগৈৰ কবিতাপুথি 'মাটিৰ স্বপ্ন' প্ৰকাশ পাইছিল ১৯৬৩ চনত।

১৯৬৩ চনতে প্ৰকাশ পোৱা তেখেতৰ এই সংস্কৰণখনি গগৈদেৱে উচৰ্গা কৰিছিল প্ৰয়াত মাতৃ ৰহিলা গগৈ আৰু পিতৃ প্ৰয়াত লোকনাথ গগৈৰ পবিত্ৰ চৰণত। গগৈদেৱৰ তৃতীয় গৰাকী জ্যেষ্ঠ সহোদৰ ভাতৃ ড° গোলক গগৈয়ে ৰাম গগৈৰ অন্তিম শয্যাত কিতাপখনৰ নতুন সংস্কৰণখনি আগবঢ়োৱাৰ উদ্দেশ্যেৰে প্ৰস্তুত কৰি তুলিছিল যদিও ১২ জুলাই ২০১৬ তাৰিখৰ নিশা ন বাজি সাত মিনিটত গগৈদেৱে সেই ইচ্ছা নেদেখাকৈয়ে মহাপ্ৰস্থান কৰিলে।

'মাটিৰ স্বপ্ন'ত সন্নিবিষ্ট হোৱা মুঠ কবিতাৰ সংখ্য একৈশটা। এই গোটেইকেইটি কবিতাৰ মাজতে জিলিকি আছে কবিৰ জীৱনবোধৰ শৈল্পিক প্ৰকাশ। অৰ্থদ্যোতনাই হৈছে কবিতাৰ প্ৰাণ। ব্যঞ্জনাহীন কবিতা নিৰস। তেখেতৰ এই কবিতামুঠিৰ চিত্ৰকল্পসমূহলৈ মন কৰিলেই সেই সৌন্দৰ্য চকুত পৰে। পুথিখনৰ প্ৰথম কবিতা 'মাটিৰ স্বপ্ন'ত তেওঁ অনেক শিশুক আমন্ত্ৰণ জনাইছে 'পোহৰ সভালৈ'। তেওঁ ৰচি গ'ল সেই জীৱনৰ পথ—

"যি পথ আৰম্ভ হ'ল মাতৃৰ গৰ্ভ বেদনাৰে
যি পথৰ অন্ত হ'ব মৃত্যুৰ ঘন এন্ধাৰেৰে।"

মাতৃৰ গৰ্ভবেদনাৰ কষ্টকৰ অনুভৱ আৰু প্ৰাপ্তিৰ বিষমুক্ত আনন্দই হৈছে জনতাৰো পোৱাৰ আনন্দ। 'পথাৰ' কবিতাতো তেনেদৰে বানৰূপী শোষণৰ ভয়াবহতাৰ চিত্ৰ খুব সুন্দৰকৈ চিত্ৰিত হৈছে—

"পাৰ ভাঙি পানী আহে
সোঁতৰ ছেৱে ছেৱে বাঢ়ে, নাচে আৰু হাঁহে।
ক্ৰুৰ সৰ্পঃ ফেনিল উত্তাল তৰংগ ৰাজি
বুকুৰ সেউজ সপোনটোকো কাঢ়ি লৈ যায় ...।
বাধা নাই অবাধে আহিল আৰু গ'ল ...।"

শয়নে সপোনে পীড়িত জনতাৰ মুক্তিৰ সপোন দেখা এইজনা কবিয়ে 'ইংগিত' নামৰ কবিতাত এটি নিৰ্জ্জন সেমেকা সন্ধিয়াৰ অনুভৱ এনেদৰে অংকিত কৰিছে—

"পলাতক বিছিন্ন সৈন্যবাহিনীৰ দৰে
মোৰ মন বিক্ষিপ্ত ব্যঞ্জনাময়।"—



অৰ্থাৎ পলাতক সৈনিকৰ দৰে তেওঁৰো চিন্তাৰ আঁত হেৰাইছে, আহেই বা নাহেই তেওঁৰ আকাঙ্খিত 'এটা নতুন দিনৰ সূৰ্য' যাৰ মুখত থাকিব 'অপৰ্যাপ্ত হাঁহিৰ বৈচিত্ৰ্য'। 'অঘৰী' নামৰ কবিতাটিত অভিসাৰত লিপ্ত গাভৰুক 'জিপচী' বুলিয়ে ক'ব বিচাৰিছে। পেটৰ ক্ষুধা আৰু জীৱন-মৰণৰ কান্দোনৰো তেওঁ সমভাগী। কাৰণ 'ফচলহীন' পৃথিৱী অনুৰ্বৰ, কবিয়ে বিচাৰে— "মোক লাগে মাতৃগৰ্ভ পৃথিৱীৰ চিৰনতুন।" 'মুক্তি' কবিতাটো আছে সেই একেই আবেদন— "ৰাতিৰ কৃত্ৰিম প্ৰেম আৰু ব্যস্ততাৰ শেষত তাই কান্দিব।" ৰমনীৰ ক্লান্ত দেহৰ চিত্ৰকল্প নিৰ্মাণেৰে তেওঁ মুক্তিৰ স্বপ্ন আঁকিছে। 'Sinners in love buried under stone' নামৰ কবিতাত আৰৱৰ এহাল প্ৰেমিক-প্ৰেমিকাক ধৰ্মৰ নামত শিলগুটি দলিয়াই বালিত পুতি মৰাৰ ব্যভিচাৰৰ কথা বৰ্ণিত হৈছে। কবিয়ে তাৰেই চিত্ৰকল্প এনেদৰে অংকন কৰিছে—

"দুটি প্ৰাণ, দুটি আত্মা, দুপাহি কুসুম,
সমুখত জীৱন্ত নিৰ্মম। ধীৰে ধীৰে আঁকি
দিলা প্ৰেয়সীৰ কোমল গালত প্ৰেম আলিংগন,
কি মধুৰ আলিংগন !
কি সুগভীৰ প্ৰেম ! মধুৰ, মধুৰ।
হে যুগল, হে যৌৱন,
লাঞ্ছিত নোহোৱা তুমি
মৃত্যুৰে ৰাখি গ'লা যুগমীয়া প্ৰেমৰ স্বাক্ষৰ।"

'নগাপাহাৰ' কবিতাত কবিয়ে 'চিন্তাক' অকোৰা-পকোৰা বাটৰ সৈতে আৰু শামুকীয়া গতিক 'কুমজেলুকা'ৰ লগত তুলনা কৰিছে। 'জোৱাৰ যিদিনা আহিলে' কবিতাটিত কবিয়ে বিশ্বক নতুন ৰূপত সজাব বিচাৰিছে। জীৱনৰ প্ৰতিটো পল-অনুপল দৰিদ্ৰ, শোষিত-নিষ্পেষিতৰ মুক্তিৰ কথা ভাবি ভাবি কবি যেন ভাগৰি পৰিছে। তেওঁ 'কোনো এক ধূসৰ সন্ধিয়া' নামৰ কবিতাত খন্তেক জীৱাব বিচাৰিছে। তেওঁৰ বাদে যেন কাৰো হাতত নাই ক্ষণিকো সময়। এই 'অভিমান'ক তেওঁ 'অকামিলা' বুলি কৈছে— "হিংসা, ঈৰ্ষা, বিদ্বেষেৰে পৰিপূৰ্ণ পৃথিৱীত

অকামিলা অভিমান।” ‘সান্ধ্য-মালিকা’ত কবিয়ে আন্ধাৰতো আশাবাদ স্থাপন কৰিছে। কাৰণ আন্ধাৰেই আছে যি আঁতৰিলেহে সোমাব পাৰে সূৰ্যৰ আলোক। ‘নিৰ্ণয়’ কবিতাত হেম বৰুৱাৰ কবিতাৰ ছাঁ পৰা যেন লাগে—

“দিল্লী অনেক দূৰ। ..... আমাৰ
সপোন দেখাৰ অধিকাৰ
পৰিকল্পনাৰ যোগ-বিয়োগত অন্তৰ্ধান। ....”

‘টিপলিং, ১৯ আগষ্ট ঃ ৫৭’ নামৰ কবিতাত ফুটি উঠিছে অসমৰ প্ৰগতিৰ পথ মুক্ত কৰাৰ স্বপ্ন। ‘বৰ্ষাৰ শেষত’ নামৰ কবিতাত বৰ্ষাৰ পিছত শৰৎ অহাৰ আশা লুপ্ত হৈ আছে। শৰৎ মানেই আঘোণৰ পথাৰ। আঘোণ মানেই জনতাৰ প্ৰাপ্তি, মেটমৰা হয় আশাৰ ভড়াঁল।

চিত্ৰকল্প বা উপমাৰ কথা বাদ দি যদি ৰাম গগৈৰ কবিতাত সাংগীতিক সৌন্দৰ্য বিচাৰ কৰা যায়, তাৰো পোৱা যায় অনেক উদাহৰণ। ‘বৰ্ষাৰ শেষত’ নামৰ কবিতাত আছে এনে লয়—

“মেঘচন্দ্ৰে তালে তালে বতাহ বলিব,
গান গাব নিকুঞ্জ কঁপাই !”

‘জোনাকীৰ ৰাতি’ নামৰ কবিতাত পাওঁ—

“কোমল কোমল ডাৱৰে ডাৱৰে
স্বৰ্ণকিৰণ উদ্ভাসিত অনুপমা ৰাতি ....”

উপমাই কবিতাক অনন্য মাত্ৰা প্ৰদান কৰে। কবিয়ে বিভিন্ন উপমানৰ লগত উপমেয় চিত্ৰ সংলগ্ন কৰিছে। যেনে— মনোৰম প্ৰভাত- সূৰ্যস্নাত (মাটিৰ স্বপ্ন), টিঙিৰিৰ জুইখেদা ৰণক্লান্ত এদল মানুহ, জীৱন বীণা, পলাতক বিচ্ছিন্ন সৈন্য (ইংগিত), জিপ্‌চী গাভৰু, জীৱনৰ ফাগুণ দিন (Sinners in love buried under stone), সন্ধ্যাৰ নিয়ন উজ্জ্বল অলকাৰ মেঘ নামে (আলাপ)— ইত্যাদি।



মুঠতে, ৰাম গগৈ এজন প্ৰকৃত কবি। ‘পথাৰ’ বা ‘প্ৰকৃতি’ৰ কবিৰো উৰ্দ্ধত তেওঁ এজন জন্মজ কবি। মাটি, মানুহক একান্ত মনে ভালপোৱা এই কবিজনৰ কবিতাত মৃত্যুচেতনা যিদৰে আছে, সৌন্দৰ্যচেতনাও তেনেদৰে আছে। সেয়েহে তেওঁৰ আভ্যন্তৰীণ কবিসত্ত্বা ইমান দৰদী অথবা কাব্যময়-গীতিময়। মাজে মাজে কবিয়ে একাকীত্বত যে ভুগা নাই তেনে নহয়, কিন্তু জনতাৰ মাজত তেওঁ নিসংগতা ধুলিসাৎ হৈ গৈছে। দুঃখবোধে তেওঁক লৰাব পৰা নাই। আশাবাদ তেওঁৰ কবিতাৰ মেৰুদণ্ড। মুক্তিৰ আবাহন তেওঁ হৃদয়ৰ পৰা শুনিছে, চাবলৈ আৰু পাবলৈ পৰম আশাৰে তেওঁ বাট চাইছে নৱজাত অৰুণলৈ নিত্যনৈমিত্তিক। বাটচোৰা তেওঁৰ ধৰ্ম, গৈ থকা তেওঁৰ ধৰ্ম। সাম্যবাদী এই কবিজনাৰ মনৰ কথা ‘বিষ্ণুৰাভা’ নামৰ কবিতাত এনেদৰে প্ৰকাশ পাইছে— “ৰুদ্ধ কাৰা মুক্ত কৰি আমি আগুৱাই যাম। নতুন অসম আৰু নতুন সমাজৰ যাত্ৰা হ’ব জয় তুমি ইতিহাস লিখিবা ৰঙা ইতিহাস।”

এই সপোনেৰে জীৱন সজোৱা কবিজনালৈ আমাৰ সশ্ৰদ্ধ প্ৰণিপাত।

❖❖❖❖❖

# জ্যোতিপ্ৰসাদৰ সৃষ্টিত সৌন্দৰ্য চেতনা ঃ সমকালীন সমাজত ইয়াৰ গুৰুত্ব

✍ শ্ৰীমতী ৰেখামণি গগৈ
সহকাৰী অধ্যাপিকা
সোণাৰি মহাবিদ্যালয়

সুন্দৰৰ পূজাই হৈছে কৃষ্টি বা সংস্কৃতি। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ব্যক্তি, সমাজ, জাতি, তথা পৃথিৱীখনকে সুন্দৰৰ উপাসক হোৱাটো কামনা কৰিছিল। কাৰণ সৌন্দৰ্য চেতনা সত্যৰ অনুশীলনৰ নামান্তৰ মাত্ৰ। এই সৌন্দৰ্য্য চেতনাই সমাজ তথা দেশৰ পূৰ্ণ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তদুপৰি এই চিৰসুন্দৰ সাধনাই মানুহক আন্ধাৰৰ পৰা পোহৰলৈ নিব পাৰে, অৰ্থাৎ ৰূপান্তৰ ঘটাব পাৰে। এক কথাত ক'বলৈ গলে মানুহে জানো সংস্কৃতিৰে, সভ্যতাৰে, সুন্দৰকেই জীৱনলৈ নমাই অনা নাই? গতিকে ৰূপান্তৰ শিল্পী ৰূপকোঁৱৰে সৌন্দৰ্যৰ লগত সত্যৰ সম্পৰ্কৰ কথা কৈ জনসাধাৰণৰ অন্তৰত ৰোপন কৰিব খুজিছে সুন্দৰৰ বীজ।

জ্যোতিপ্ৰসাদ আগৰৱালা একাধাৰে কবি, সাহিত্যিক, চিত্ৰনিৰ্মাতা, সুৰকাৰ, গীতিকাৰ, কিমান যে শিল্পগুণৰ অধিকাৰী আছিল ভাবিলে আচৰিত লাগে। তেখেতৰ এই সৃষ্টিত অভিনৱত্ব অনাৰ অন্যতম কাৰক আছিল সৌন্দৰ্যচেতনা। যি সৌন্দৰ্য চেতনাই মানুহৰ অন্তৰ আৰু বহিঃ দুয়ো ভাগতে ৱৰ্তি আছে। বৰ্তমান সময়ত এই সৌন্দৰ্যচেতনাক সাৰোগত কৰি সৃষ্টিৰ অনন্য সম্ভাৰ লাভ কৰিব পাৰো। এই উদ্দেশ্য আগত ৰাখি মোৰ আলোচনা পত্ৰৰ শিৰোনাম ধাৰ্য কৰা হৈছে। "জ্যোতিপ্ৰসাদৰ সৃষ্টিত সৌন্দৰ্য চেতনা ঃ সমকালীন সমাজত ইয়াৰ গুৰুত্ব।"

সময়ৰ লগত সমাজো পৰিবৰ্তনশীল। ঐই পৰিবৰ্তনশীল সমাজে কঢ়িয়াই আনে বিভিন্ন সাহিত্যবস্তুৰ। নতুন চিন্তা-চৰ্চা, ধাৰণা, বিশ্বাসে মানুহৰ কল্পনাত ধৰা দিয়ে, সৃষ্টি হয় নতুন যুগৰ নতুন সাহিত্যৰ। সাধৰণতে কোৱা হয়



একোটা সৃষ্টিশীল প্ৰতিভা যুগ যন্ত্ৰণাৰ সৃষ্টি। জ্যোতিপ্ৰসাদে যি যন্ত্ৰণা ভেদ কৰি নতুন সৃষ্টিৰ পাতনি মেলিছিল সেই একেই যন্ত্ৰণা ভেদ কৰিবলৈ তেখেতৰ সৃষ্টিৰ তত্ব অনুধাৱন কৰা অতিব প্ৰয়োজন। সুন্দৰ মনতহে সুন্দৰ বীজ ৰোপন কৰিব পাৰি। সমাজৰ প্ৰত্যেকজন মানুহক চিন্তাৰে, মনবুদ্ধিৰে সুন্দৰ কৰি তুলিব পাৰিব লাগিব। তেতিয়াহে সমাজৰ প্ৰগতি সম্ভৱ। যান্ত্ৰিকতাই গ্ৰাস কৰিলেও আমাৰ অন্তৰ্দৃষ্টিত সুন্দৰক স্থাপন কৰিব পাৰিলেই সমকালীন সমাজ শিল্পীলৈ ৰূপান্তৰ হৈছে বুলি ক'ব পাৰিম। গতিকে জ্যোতিপ্ৰসাদৰ সৌন্দৰ্যবোধ বৰ্তমান সময়ত সমাজৰ ভেটি হিচাপে গ্ৰহণীয় বুলি ক'ব পাৰি।

সমাজৰ প্ৰত্যেকজন লোকেই একো একোজন শিল্পী। এই সুপ্ত হৈ থকা শিল্পগুণক কলাসন্মতভাৱে উলিয়াই আনিব জনাতেই সংস্কৃতিৰ সাৰ্থকতা। গতিকে ভৱিষ্যতদ্ৰষ্টা ৰূপকোঁৱৰৰ সুন্দৰ আৰাধনা জন্মান্তৰ ভেদি সমাজতে বৰ্তি থাকিব। গতিকে এই অন্তৰ আৰু বহিঃসৌন্দৰ্যক বৰ্তমান সমকালীন সময় আৰু সমাজত গুৰুত্ব সহকাৰে আলোচনা কৰিলে অমঙ্গল নহৈ প্ৰগতি যে হ'ব সেয়া নিশ্চিত।

প্ৰকৃত অৰ্থত সৌন্দৰ্য মানৱীয় সভ্যতাৰ স্তৰত জৈৱিক প্ৰয়োজনৰ উৰ্দ্ধৰ এক উপযোগিতা। যিয়ে অন্তৰ সংস্কৃতিৰ যথাৰ্থ ব্যাখ্যা আগবঢ়াব পাৰে। জ্যোতিপ্ৰসাদ কোনো সমসাময়িক লেখক শিল্পীৰ দৰে কেৱল অসমীয়া বা হিন্দু অনুগত্যত বন্দী হৈ থকা নাছিল। তেওঁ মুক্ত কণ্ঠে আৰ্ন্তজাতিক আৰু সৰ্বভাৰতীয় দৃষ্টিকোণ সাবটি ল'ব পাৰিছিল। সংকীৰ্ণতাৰ বিৰুদ্ধে সকীয়নি দিও তেওঁ উপলব্ধি কৰিছিল যে ইতিহাসৰ এটা স্তৰত জনগণৰ আশা-আকাংক্ষা আৰু সৃষ্টি ক্ষমতা জাতীয় খাতেৰে প্ৰৱাহিত হয়।

জ্যোতিপ্ৰসাদৰ সংস্কৃতিৰ সংজ্ঞা পৃথক আৰু অধিক বাস্তৱধৰ্মী। সংস্কৃতি আন একো নহয়, সংস্কৃতি কেৱল সুন্দৰৰ আৰধনা। আমি জানো এই সুন্দৰ ৰোমান্টিক কল্পনা বিলাসেৰে নিৰ্মিত কোনো মানস ছবি নহয়, বৰং সৎ চিন্তা চেতনা আৰু গতিশীল সৃষ্টিৰে সজাই তোলা কলাত্মক জীৱনেই সুন্দৰ। জীৱনৰ সৈতে সৌন্দৰ্য আৰু সংস্কৃতিৰ কেনে নিবিড় সম্পৰ্ক ঘটিব লাগে, এই কথা জ্যোতিপ্ৰসাদে কাৰ্যৰ দ্বাৰা দেখুৱাই গৈছে। আমাৰ বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য প্ৰয়োগ কৰাৰ লগে লগে আমাৰ মন আৰু হৃদয়ৰ গুণতো

সৌন্দৰ্য্য প্ৰয়োগ কৰিব লাগে। তেতিয়াহে মানুহৰ সংস্কৃতিয়ে পূৰ্ণৰূপ লাভ কৰে। এই ধাৰণা সময় সাপেক্ষে নহয়, চিৰ শ্বাশত। বৰ্তমানৰ সাহিত্য ৰাজি ৰচনা তথা বিচাৰ বিশ্লেষণত সৌন্দৰ্য চেতনাক অগ্ৰাধিকাৰ দিব লাগে যেতিয়ালৈকে সমাজ বৰ্তি থাকিব তেতিয়ালৈকে সংস্কৃতি বৰ্তি থাকিব। মাথোন সংস্কৃতিৰ সংযোগ বিয়োগ ঘটিব। কিন্তু সংস্কৃতিৰ যি মূলাধাৰ যি ভেটি সেয়া সদায় সুদৃঢ় হৈ থাকিব, যদিয়ে আমি প্ৰয়াস কৰোঁ।

সংস্কৃতিৰ ভ্ৰষ্টতাৰ পৰাই আজিৰ সামাজিক ব্যাধিৰ উৎপত্তি হৈছে। তেন্তে নিশ্চয় আমি সেই সংস্কৃতিক সুস্থ অৱস্থা সৃষ্টি কৰিব লাগিব। তাৰ আচল বেজ হৈছে শিল্পী, সাহিত্যিক, কবি, দাৰ্শনিক আৰু আদৰ্শবাদীসকল। সংস্কৃতি সেই মুহূৰ্ততে আৰম্ভ হয়, যি মুহূৰ্তৰ পৰা মানুহে উশাহ ল'বলৈ ধৰে। ভালদৰে উশাহ ল'বলৈ শিকাৰ প্ৰক্ৰিয়াটোতেই সংস্কৃতিৰ আৰম্ভ। এই সংস্কৃতিয়ে কেৱল গান-বাজনাৰ কথাকে বুজোৱা নাই, সংস্কৃতি হ'ল দৰ্শন, মানুহৰ আত্মাৰ সংগ্ৰাম। এনেধৰণৰ দৃষ্টিভংগীয়ে জ্যোতিপ্ৰসাদৰ ৰচনাৰাজিত পৰিদৃশ্যমান ঘটিছে। উদাহৰণস্বৰূপে, জ্যোতিপ্ৰসাদৰ নাটকত প্ৰতিফলিত হৈছে সমাজৰ গতিক ৰুদ্ধ কৰা প্ৰাচীন কু-সংস্কাৰ, পদমৰ্য্যদা, তথা জাত্যাভিমানৰ দম্ভ আৰু মানুহক মানুহে কৰা শোষণ পীড়নক সমাজৰ প্ৰগতিৰ প্ৰধান অন্তৰায় ৰূপে চিনাক্ত কৰিছে আৰু এই অন্তৰায় বোৰকে অসুন্দৰৰ ৰূপত দেখুৱাই বিপ্লৱী চেতনাৰে সেইবোৰক মষিমূৰ কৰি ব্যক্তিজীৱন তথা সমাজজীৱনক সুন্দৰ কৰাৰ নিজৰ দৃষ্টি আৰু দৰ্শন প্ৰতিষ্ঠা কৰিছে।

মানুহক তথা সমাজক অসুন্দৰৰ পৰা সুন্দৰলৈ ৰূপান্তৰ কৰিবলৈ হ'লে সমাজ খনত বিপ্লৱী ভাৱনাৰো জন্ম হ'ব লাগিব। বিপ্লৱ মানে গতি। সমাজৰ গতিত যিবোৰ অশুভ শক্তিয়ে প্ৰতিবন্ধক সৃষ্টি কৰে, সেইধ অশুভ শক্তিবোৰ নিৰ্মূল কৰিব পাৰিলেই সমাজ গতিশীল হয় আৰু সমাজ গতিশীল হ'লেই সুন্দৰ হয় সপোন।

জ্যোতিপ্ৰসাদৰ বিবিধ গীতত প্ৰতিফলিত হৈছে সুন্দৰ চেতনা। গীত হ'ল এনে এক মাধ্যম য'ত শব্দই হৃদয়ৰ বাট বিচাৰি যায়, মন-প্ৰাণ উথলি উঠে আনন্দত। অনুভৱৰৰ পাৰ বাগৰি নিগৰি আহে সুন্দৰ চেতনা। ফলস্বৰূপে সৃষ্টি হ'ল - "সুন্দৰ তোক পূজা কৰা নাই", "হে মোৰ গান", "মোৰ শতশত গানে এই অগ্নিযুগৰ বহ্নিমান", "আজি জনতাৰ দুৱাৰে দুৱাৰে নতুন মন্ত্ৰ মাতি", "সুন্দৰ তই কিমান সুন্দৰ", "সুন্দৰ তই মোৰ ৰূপতেই মোক আহি দেখা দিবি" আদি



অনন্য সুন্দৰ গীতৰ। এইবোৰ গীতেই প্ৰমাণ কৰে শিল্পীগৰাকীৰ চিৰ সুন্দৰ প্ৰয়াসী চেতনা। এই সুন্দৰ প্ৰয়াসী চেতনা কিন্তু স্বপ্নলোকৰ সুন্দৰ চেতনা নহয়, ই -জনচেতনাৰেই সুন্দৰ আৰু সুক্ষ্ম অনুভূতি মাথোন।

জ্যোতি প্ৰসাদৰ সমগ্ৰ মানসিকতাই সমাজ সচেতনাৰে সমৃদ্ধ। যেন- "বগী ছোৱালী তই গাঁৱৰ শেৱালী" - নামৰ গীতটোততো তেখেতৰ সমাজ সচেতন মনৰে পৰিচয় প্ৰতিফলিত হৈছে। সমাজৰ তৰুণ-তৰুণীৰ প্ৰতিভা কেনেকৈ ৰুগ্ন সমাজৰ অৱস্থাই মষিমূৰ কৰি পেলাইছে, তাৰ সামাজিক বিশ্লেষণ এই গীতটো। সহৃদয় উপলব্ধিৰে সমকালীন ঘূনেধৰা সমাজখনক ঘূনেধৰা সমাজখনক গীতিময় কোমলতা আৰু কাৰুন্যৰে প্ৰকাশ কৰিছে গীতটোৰ মাজেদি।

জ্যোতিপ্ৰসাদৰ এই সৌন্দৰ্য চেতনা সমকালীন সমাজৰ এটা গুৰুত্বপূৰ্ণ দিশ বুলি বিবেচনা কৰিব পাৰি কাৰণ ৰূপান্তৰৰ বাবে মানুহৰ প্ৰতিটো কাম, চিন্তা, চেতনা অনুভূতি সকলো কলাময় হ'ব লাগিব।, তেতিয়াহে সমাজৰ প্ৰগতি হ'ব। আৰু এই ৰূপান্তৰ আন্ধাৰৰ পৰা পোহৰলৈ স্থিতিশীলতাৰ পৰা গতিশীলতালৈ আৰু দুস্কৃতিৰ পৰা সংস্কৃতিলৈ ৰূপান্তৰ।

মুঠৰ ওপৰত ক'ব পাৰি জ্যোতিপ্ৰসাদে নতুন সমাজ গঢ়িবৰ মানসেৰে যেনেকৈ ৰূপান্তৰ ঘটোৱাৰ কথা কল্পনা কৰিছিল ঠিক তেনেদৰে সেই একে দৃষ্টিভংগীৰে বৰ্তমান সময়তো শব্দেৰে, গীতেৰে সুৰেৰে আৰু কথাৰে এই ৰূপান্তৰ চেতনাক উজ্জীৱিত কৰি তুলিব লাগে। বৰ্তমান যুগৰ সাহিত্যৰ ৰচনাৰ লক্ষ্য বা উদ্দেশ্য কি? সাহিত্য কাৰ বাবে উচৰ্গিত? ইত্যাদি কথাৰ সমিধান বিচাৰি চালে পাম যে সাহিত্য হ'ল জনসাধাৰণ কাৰণে বা সমাজৰ স্বাৰ্থতে ৰচনা কৰা হয়। মানৱতাৰ সীমাই সাহিত্যৰ চৰম সীমা। এই ক্ষেত্ৰত মই ভাবো সাহিত্যক ৰূপান্তৰকামী ধাৰণা আৰু উদ্দেশ্যৰে ৰচনা কৰিব লাগে। তেতিয়াহে হেৰাই যাব ধৰা আমাৰ আত্মিক সৌন্দৰ্য ঘূৰি আহিব।

অনন্য প্ৰতিভাৰ অধিকাৰী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা। যাৰ দৃষ্টিত দানৱ-মানৱ শত্ৰু-মিত্ৰ সকলো শিল্পী। শোনিত কুঁৱৰী নাটকৰ 'বান' চৰিত্ৰটোৱে ইয়াৰ উৎকৃষ্ট প্ৰমাণ। যিয়ে সুন্দৰৰ চেতনা সৰ্বোত্তম প্ৰতিফলন বহন কৰিছে। পোন প্ৰথমবাৰৰ বাবে অনিৰুদ্ধক দেখি মুখৰ পৰা অতৰ্কিতে প্ৰকাশিত হোৱা 'কি সুন্দৰ' বোলা কথাযাৰেই ইয়াৰ উদাহৰণ। অৰ্থাৎ অসুন্দৰক

সুন্দৰলৈ পৰ্যবসিত কৰাই শিল্পীৰ উদ্দেশ্য। বৰ্তমান সময়ত যান্ত্ৰিক সভ্যতাই আদৰি ল'ব পৰাকৈ সুন্দৰক প্ৰতিষ্ঠা কৰিব পাৰিলেই জ্যোতিপ্ৰসাদৰ প্ৰচেষ্টা সাৰ্থক হব বুলি ক'ব পাৰি। সমাজ একেখনেই মাথো সলনি হৈছে চিন্তা-ধাৰাৰ, ক্ষিপ্ৰতৰ সমাজত প্ৰতিজন লোকেই আৱৰি লৈছে গতানুগতিক সময়ৰ স্বাৰ্থজড়িত জীৱন। তেওঁলোকৰ অন্তৰত সুন্দৰ চেতনাৰ বীজ ৰোপন কৰিব পাৰিলেই সমাজৰ প্ৰগতি নিশ্চিত। গতিকে কবি, সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, চিত্ৰনিৰ্মাতা সকলোৱে এই কথাষাৰি মনত ৰাখিব লাগে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, জ্যোতিপ্ৰসাদৰ সৌন্দৰ্যচেতনা ঐতিহ্য আৰু আধুনিকতাৰ সংযোগ ঘটাই নতুন ধাৰা এটাৰ জন্ম দিব পাৰে। এইগৰাকী মহাশিল্পীৰ দৃষ্টি দৰ্শন আৰু সৃষ্টিয়ে প্ৰকৃত অৰ্থত অসমৰ সংস্কৃতিৰ ভেটি ৰচনা কৰিলে।

---

**৩.০১ গ্ৰন্থপঞ্জী ঃ**

১) বৰুৱা, প্ৰহলাদ কুমাৰ ঃ জ্যোতি মনীষা, বনলতা ৩ য় প্ৰকাশ, অক্টোবৰ, ২০০৩।

চ) চৌধুৰী, প্ৰসেনজিৎ (সম্পাদনা) ঃ জ্যোতিপ্ৰসাদ, বানী প্ৰিন্টাৰ্চ, ৰাজগড়, গুৱাহাটী, জানুৱাৰী ১৯৯০ চন।

❖❖❖❖❖



# আধুনিক অসমীয়া সাহিত্যত সীতা বিষয়ক সংগ্ৰহণ ঃ এক তুলনামূলক অধ্যয়ন

✍ কেশৰী ভূঞা
সহকাৰী অধ্যাপিকা
সোণাৰি মহাবিদ্যালয়

বাল্মীকি ৰচিত 'ৰামায়ণ'ৰ মূল নাৰী চৰিত্ৰ হৈছে সীতা। পিতৃবাক্য পালন কৰি বনবাসী হোৱা ৰামক সংগ প্ৰদান কৰিছিল পত্নী সীতা আৰু ভাতৃ লক্ষ্মণে। বনবাসৰ সময়ত লংকাধিপতি ৰাৱণে সীতাক হৰণ কৰাৰ ফলস্বৰূপে ধ্বংস হয় স্বৰ্ণলংকা। ৰাজকন্যা, ৰাজমহিষী, ৰাজবধু হৈয়ো সংঘাত পূৰ্ণ জীৱন পাৰ কৰা সীতাৰ কৰুণ কাহিনীয়ে জনমানসক যুগে যুগে আলোড়িত কৰি আহিছে।

আধুনিক অসমীয়া সাহিত্যৰ ভেঁটি স্থাপন হয় উনবিংশ শতিকাত। এই শতিকাৰ মাজভাগত খ্ৰীষ্টিয়ান মিছনেৰী সকলে প্ৰকাশ কৰা অৰুনোদই (১৮৪৬) পত্ৰিকাৰ সময়চোৱাই আধুনিক অসমীয়া সাহিত্যৰ প্ৰস্তুতি পৰ্ব। অসমীয়া সাহিত্যৰ আধুনিক যুগত পূৰ্বৰ পৰম্পৰাগত ধৰ্মীয় প্ৰভাবযুক্ত সাহিত্য ৰচনাৰ লগতে পাশ্চাত্য সাহিত্যৰ প্ৰভাবত বাস্তৱভিত্তিক মানবতাবাদী সাহিত্য ৰচনা হ'বলৈ ধৰে। আধুনিককতাৰ প্ৰভাৱত বহুতো পৌৰাণিক চৰিত্ৰই আধুনিক অসমীয়া সাহিত্যত নতুন ৰূপত ভুমুকি মাৰিবলৈ ধৰে। আধুনিক অসমীয়া সাহিত্যত সীতা চৰিত্ৰটোক কেন্দ্ৰ কৰি বহুতো কবিতা, গল্প, নাটক, উপন্যাস ৰচনা কৰা হৈছে। সীতাৰ পৰম্পৰাগত ৰূপৰ লগত ভিন্ন ৰূপ বৈশিষ্ট্যেৰে সীতাক এক নতুন সত্বা প্ৰদানৰ প্ৰয়াস কৰাও পৰিলক্ষিত হৈছে।

অসমীয়া সাহিত্যৰ প্ৰাৰম্ভৰে পৰা ৰামায়ণ, মহাভাৰতৰ চৰিত্ৰ ঘটনা আদিৰ সংগ্ৰহণ পৰিলক্ষিত হৈছে। আধুনিক অসমীয়া সাহিত্যত ৰামায়ণৰ নাৰী চৰিত্ৰ সীতাক বিভিন্ন ৰূপেৰে উপস্থাপন কৰা দেখা গৈছে। আধুনিক অসমীয়া সাহিত্যত এই সীতা চৰিত্ৰৰ সংগ্ৰহণ কেনেদৰে হৈছে তাৰ আলোচনাই এই অধ্যয়ণৰ মুল উদ্দেশ্য । তদুপৰি সাহিত্যত ৰামায়ণ মহাকাব্যৰ ঘটনাৰ চৰিত্ৰৰ

সংগ্ৰহণৰ নিৰন্তৰ প্ৰবাহ আধুনিক অসমীয়া সাহিত্যত সীতা বিষয়ক সংগ্ৰহণৰ জৰিয়তে প্ৰয়াস কৰা হৈছে।

এই অধ্যয়ন কাৰ্যৰ পৰিসৰ হিচাপে আধুনিক অসমীয়া সাহিত্য অৰ্থাৎ অৰুনোদয় যুগৰ পৰা বৰ্তমানলৈ যি সমূহ সাহিত্য ৰচনা হৈছে, সেই সমূহক সামৰি লোৱা হৈছে। এই কালছোৱাত ৰচিত সাহিত্যৰ বিভিন্ন বিধাৰ ভিতৰত কবিতা গল্প নাটক, উপন্যাস, প্ৰবন্ধ সাহিত্যক অধ্যয়নৰ পৰিসৰৰ অন্তৰ্ভুক্ত কৰা হৈছে।

অধ্যয়নৰ পদ্ধতি হিচাপে তুলনামূলক পদ্ধতিক প্ৰয়োগ কৰা হৈছে।

**১। আধুনিক অসমীয়া কবিতাত সীতা ঃ-** অসমীয়া সাহিত্যৰ আধুনিক কালছোৱা কবিতাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। এই সময়ছোৱাৰ অসমীয়া কবিতাও মহাকাব্যিক প্ৰভাৱৰ পৰা মুক্ত হ'ব পৰা নাই। আধুনিক যুগৰ কবিতাত সীতাবিষয়ক সংগ্ৰহণ চাৰিধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি।

(ক) বিষয়বস্তুৰ ৰূপত

(খ) চৰিত্ৰৰ ৰূপত

(গ) প্ৰতীক, চিত্ৰকল্প, ব্যঞ্জনা আদি কবিতাৰ আংগিক ৰূপত

(ঘ) প্ৰসংগ-অনুসংগ হিচাপে

(ক) বিষয়বস্তুৰ ৰূপত সীতা বিষয়ক সংগ্ৰহণ।

| কবিৰ নাম | কবিতাৰ নাম |
|---|---|
| ভোলানাথ দাস | সীতাহৰণ কাব্য |

ভোলানাথ দাসৰ সীতাহৰণ কাব্যত দেখা যায় যে, ইয়াত সীতা চৰিত্ৰ আৰু অন্যান্য ঘটনা সমূহ মূল ৰামায়ণৰ সীতাচৰিত্ৰ আৰু ঘটনাৰ অনুক্ৰমতে ৰক্ষিত হৈছে। ইয়াত চৰিত্ৰ সৃষ্টি আৰু ঘটনাৰ নবীকৰণত গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই।

(খ) চৰিত্ৰৰ ৰূপত সীতা বিষয়ক সংগ্ৰহণঃ-

| কবিৰ নাম | কৰিতাৰ নাম |
|---|---|
| তোষপ্ৰভা কলিতাৰ | সীতা |

তোষপ্ৰভা কলিতাৰ 'সীতা' এটা উৎকৃষ্ট আধুনিক অসমীয়া কবিতা। এই কবিতাত সীতা চৰিত্ৰৰ নিৰ্মম প্ৰতিবাদ আৰু যন্ত্ৰণাবোধে কবিতাটোক উৎকৃষ্ট



কৰি তুলিছে।

(গ) প্ৰতীক, চিত্ৰকল্প, ব্যঞ্জনা আদি কবিতাৰ আংগিক ৰূপত সীতা সংগ্ৰহণঃ-

| কবি | কবিতা | প্ৰয়োগৰ উদাহৰণ |
|---|---|---|
| হেম বৰুৱা | যাত্ৰাৰ শেষ নাই | অশোকবন, সীতা সোণৰ পহু |
| হোমেন বৰগোহাঁঞিৰ মোৰ আইতা লংকাত বন্দিনী সীতা। | | |
| হোমেন বৰগোহাঁঞিৰ | মোৰ আইতা | লংকাত বন্দিনী সীতা |

(ঘ) প্ৰসংগ অনুসংগ হিচাপে সীতা চৰিত্ৰৰ সংগ্ৰহণ।

| কবি | কবিতা |
|---|---|
| চন্দ্ৰকুমাৰ আগৰৱালা | উৰ্মিলা |

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'উমিৰ্লা' কবিতাৰে প্ৰসংগক্ৰমে এই অন্যতম ৰামায়ণী নাৰী চৰিত্ৰ সীতাৰ সংগ্ৰহণ হৈছে।

**২। অসমীয়া গল্পত সীতা**

(ক) অভিযোজিত ৰূপত সীতা

| গল্পকাৰৰ নাম | গল্প |
|---|---|
| জুৰী বৰা বৰগোঁহাঞি | পাথিৰ্বী |

জুৰি বৰা বৰগোহাঁঞিয়ে ৰচনা কৰা 'পাথিৱী' নামৰ গল্পটোত সীতা আৰু বসুমতীৰ কথোপকথনৰ এটা ৰূপ পোৱা যায়। এই গল্পটি সীতাই অগ্নিপৰীক্ষা দিয়াৰ পিছত আই বসুমতীৰ কোলাত আশ্ৰয় লোৱাৰ বিৱৰণ পোৱা যায়। নিজ স্বামীক যেতিয়া সীতাই সতীত্বৰ কথা ক'ব, অগ্নি পৰীক্ষাত অবতীৰ্ণ হৈ দেখুৱাব লগা হ'ল তেতিয়া সীতা ভীষণ মনোকষ্টত ভুগিছে। মাতৃৰ ওচৰত যেতিয়া নিজৰ দুখৰ কথা বিৱৰি কৈছে তেতিয়া মাতৃ নিজেই বিমোৰত পৰি ভবিছে যে এইগৰাকী জনকনন্দিনী সীতা হয়নে নহয়!

এই গল্পটোত গল্পকাৰে পৌৰাণিক দৃষ্টিভংগীক আঁতৰাই কিছু নতুনত্বক দেখুৱাব বিচাৰিছে। পৌৰাণিক আখ্যানটোত যিদৰে পোৱা যায় যে, ৰামে কেৱল সীতাক পাবৰ বাবে হৰধনু ভংগ কৰিছিল, কিন্তু ইয়াত সেই কথা আত্তকান কৰা হৈছে। গল্পকাৰে ইয়াত দেখুৱাব বিচাৰিছে যে অযোধ্যাৰ ঐশ্বৰ্যবিভূতি ম্লান

কৰিবলৈ নিদিবৰ বাবেহে ৰামে হৰধনু ভংগ কৰিছিল।

এই গল্পটোত সীতাৰ মনোবেদনা দেখুওৱা হৈছে। তদুপৰি ইয়াত গল্পকাৰে দেখুৱাইছে যে সীতাই স্বামীৰ অকণমান প্ৰেমৰ বাবে হাঁহাকাৰ কৰি ফুৰিছিল। নাৰীমনৰ প্ৰেম, মমতা, ঈৰ্ষা, খং আদি ইয়াত পৰিস্ফুট হোৱা দেখা গৈছে।

**৩। অসমীয়া উপন্যাস আৰু উপন্যাসিকাত সীতাঃ**

| ঔপন্যাসিকৰ নাম | উপন্যাসৰ নাম | প্ৰকাশৰ চন |
|---|---|---|
| কল্যাণী মহন্ত | বৈদেহী | ২০০৮ |

অসমীয়া উপন্যাসতো সীতা বিষয়ক সংগ্ৰহণ হৈছে। তেনে সীতা বিষয়ক সংগ্ৰহণযুক্ত উপন্যাসৰ ভিতৰত ২০০৮ চনত প্ৰকাশিত কল্যাণী মহন্তৰ 'বৈদেহী' অসমীয়া উপন্যাস সাহিত্যত অভিনৱ সংযোজন। এই উপন্যাসখনত সীতা চৰিত্ৰটোক মূল ৰামায়ণত থকাৰ দৰে সংগ্ৰহণ কৰা হৈছে। সীতাৰ প্ৰথম পুৰুষত উপন্যাস খনত বৰ্ণনা আগবঢ়াইছে। উপন্যাসখনত সীতা চৰিত্ৰটোৰ মূল কথাখিনি একে ৰূপত আছে। কিন্তু বৰ্ণনাবোৰ সীতাৰ মুখেৰেই প্ৰকাশ কৰা হৈছে বাবে সীতাৰ মনস্তাত্বিক দিশৰ প্ৰকাশ হোৱা দেখা যায়। সীতাৰ জীৱন যান্ত্ৰণাৰ সূক্ষ্ম প্ৰকাশে উপন্যাসখন সুখপাঠ্য কৰি তুলিছে।

কল্যাণী মহন্তৰ 'বৈদেহী' উপন্যাসত সীতাই নিজ মুখেদি নিজৰ জন্ম বৃত্তান্ত আৰু জীৱন যন্ত্ৰণা প্ৰকাশ পাইছে। জীৱনৰ শেষ মহূৰ্তত উপনীত হৈ তেওঁ সংসাৰৰ মায়া-মোহ, কন্যা, নাৰী জীৱনৰ মূল্য কি, নাৰী জীৱনৰ সৌন্দৰ্য কি সকলো স্বীকাৰোক্তি প্ৰকাশ কৰিছে।

উপন্যাসিকাত অভিযোজনাৰ ৰূপত সীতাঃ

| ঔপন্যাসিকৰ নাম | উপন্যাসিকা | প্ৰকাশৰ চন |
|---|---|---|
| প্ৰণয় ফুকন | শবৰী | ২০১৬, জনমভূমি |

শবৰী উপন্যাসিকাখনত সীতা চৰিত্ৰটোৰ অভিযোজনা ঘটিছে। মূল ৰামায়ণত ৰামৰ সহৰ্ধমিনীৰ ৰূপত মূখ্য ভূমিকা গ্ৰহণ কৰা সীতা চৰিত্ৰটোক উপন্যাসিকাখনত এটি গৌণ চৰিত্ৰৰ ৰূপত পোৱা গৈছে।

সীতাৰ পৰিবৰ্তে সাইলাখ সীতাৰ দৰে ৰূপ লাৱণ্যৰে ভৰপুৰ এগৰাকী আদিবাসী নাৰী শবৰীকহে উপন্যাসিকাখনৰ মুখ্যচৰিত্ৰৰ ৰূপত উপস্থাপন



কৰিছে।

**আধুনিক অসমীয়া নাটকত সীতাঃ**

**পুনঃ সৃজনৰ ৰূপত সীতা**

| নাটকৰ নাম | লেখকৰ নাম | প্ৰকাশিত চন |
|---|---|---|
| সীতা হৰণ | ৰমাকান্ত চৌধুৰী | ১৮৭৫ |
| বৈদেহী বিচ্ছেদ | দেবনাথ বৰদলৈ | ১৯০১ |
| সীতা হৰণ | দেবনাথ বৰদলৈ | ১৯০৯ |
| অগ্নি পৰীক্ষা | দণ্ডিনাথ কলিতা | ১৯৩৭ |

আধুনিক অসমীয়া নাট্য সাহিত্যৰ ক্ষেত্ৰত সীতা চৰিত্ৰক লৈ ৰচিত প্ৰথম নাট হ'ল ৰমাকান্ত চৌধুৰীৰ সীতা হৰণ নাট (১৮৭৫)। ইয়াৰ পিছত সীতা চৰিত্ৰক কেন্দ্ৰ কৰি ৰচিত দেবনাথ বৰদলৈৰ 'বৈদেহী বিচ্ছেদ' নাটখন পোৱা যায়। এই নাটকখনত নাট্যকাৰৰ মৌলিকতা কাহিনী ৰূপায়ণত বা চৰিত্ৰ চিত্ৰণত দেখা নাযায়। ৰামায়ণৰ উত্তৰাকাণ্ডত সীতা বনবাস আৰু সীতাৰ পাতাল প্ৰবেশক সহজ সৰলভাবে নাটকখনত সংগ্ৰহণ কৰিছে।

উল্লিখিত সকলোবিলাক নাটকত সীতা চৰিত্ৰক সম্পূৰ্ণৰূপে সংগ্ৰহণ কৰিছে।

আধুনিক অসমীয়া সাহিত্যত সীতা বিষয়ক সংগ্ৰহণে ভিন্ন প্ৰতীকি লাভ কৰিছে আৰু ই ৰামায়ণ মহাকাব্যৰে বৰ্তনযোগ্যতা প্ৰতিপন্ন কৰিছে। আধুনিক অসমীয়া সাহিত্যত সীতা বিষয়ক সংগ্ৰহণযুক্ত কবিতা, গল্প, উপন্যাস, নাটক অধিক পৰিমাণে ৰচিত হোৱা দেখা গৈছে।

আলোচনাটিৰ পৰা এই সিদ্ধান্তত উপনী হ'ব পাৰি যে, অন্যান্য মহাকাব্যিক চৰিত্ৰৰ দৰে সীতা চৰিত্ৰটোৱে যুগে যুগে জনমানসত প্ৰভাব বিস্তাৰ কৰি আহিছে। ফলস্বৰূপে, আধুনিক অসমীয়া সাহিত্যৰ ন ন ভাগ, যেনে - গল্প, উপন্যাস, নাটক, আদিতো সীতা চৰিত্ৰৰ সংগ্ৰহণ ঘটিছে। এই কথাই ৰামায়ণ মহাকাব্যৰ চিৰকাল বৰ্তনযোগ্যতা প্ৰতিফলিত কৰিছে।

সহায়ক গ্ৰন্থপঞ্জীঃ-
১। কাকতি, বাণীকান্ত ঃ বাণীকান্ত চয়নিকা
প্ৰথম সংস্কৰণ ঃ ১৯৮১
প্ৰকাশন সাহিত্য একাডেমী
২। গগৈ, লীলা (সম্পা) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, প্ৰথম সংস্কৰণ নবেম্বৰ ২০০২, প্ৰকাশন-বনলতা।
৩। ডেকা, পল্লবী বুজৰবৰুৱা ঃ তুলনামূলক সাহিত্য, প্ৰথম প্ৰকাশ মে, ২০১৩ প্ৰকাশন-বনলতা
৪। নেওগ, মহেশ্বৰ (সম্পা) ঃ সঞ্চয়ণ সাহিত্য অকাডেমী প্ৰথম প্ৰকাশ, ১৯৭৯
৫। ফুকন, প্ৰণয় ঃ শবৰী (উপন্যাসিকা) জন্মভূমি, সম্পা, হেমন্ত বৰ্মণ, ৰঙালী বিহু সংখ্যা, ২০১৬
৬। বৰা, জুৰী বৰগোঁহাই ঃ পাথিৰ্বী (গল্প) প্ৰান্তিক, সম্পা, প্ৰদীপ বৰা জুলাই ২০১৩

❖❖❖❖❖



# জাতীয় চেতনাৰে উজ্জীৱিত লেখিকা অনিমা গগৈ

✍ কল্পনা বৰুৱা
প্ৰৱক্তা, মাহমৰা কণিষ্ঠ মহাবিদ্যালয়

প্ৰজ্ঞাৰ সাধনা আৰু জাতীয় চেতনা সম্পন্ন চিন্তাৰে কুৰি শতিকাৰ সাহিত্য ক্ষেত্ৰখনত ভাস্বৰ হৈ উঠা এটা অতি সমাদৃত নাম অনিমা গগৈ। জাতীয় জীৱনৰ গৌৰৱ বহনকাৰী এইগৰাকী প্ৰজ্ঞাৱতী নাৰীয়ে জাতীয় সত্বাক উজ্জীৱিত কৰাৰ লক্ষ্যৰে বৰ্তমানলৈকে ২৬ খন গ্ৰন্থ ৰচনা কৰি বুৰঞ্জী সাহিত্যৰ ক্ষেত্ৰখনত বিপুল অৰিহণা যোগাইছে। অফুৰন্ত সৃষ্টিশীলতাৰ গৰাকী আজন্ম সংগ্ৰামী অনিমা গগৈয়ে বৰ অসম আৰু বৃহত্তৰ অসমীয়া জাতিৰ স্ৰষ্টা আৰু দ্ৰষ্টা চাওফা চাওলুং ছ্য-কা-ফা কে প্ৰমূখ্য কৰি জাতীয় বীৰ-বীৰাঙ্গনাসকলৰ জীৱন গাঁথাক তেখেতৰ বলিষ্ঠ লেখনিৰে অনন্য ৰূপত প্ৰকাশ কৰি ইতিহাসৰ জ্ঞান অন্বেষণৰ পথ প্ৰশস্ত কৰি তুলিছে। বিশেষকৈ জাতীয় চেতনা সৃষ্টি কৰাৰ প্ৰতি কলম উৎসৰ্গিত স্বনামধন্য লেখিকা অনিমা গগৈয়ে কাব্যগ্ৰন্থ, শিশু নাটক, শিশু-কিশোৰ উপযোগী উপন্যাস, ভ্ৰমণ কাহিনী আদিও ৰচনা কৰি সাহিত্যৰ ক্ষেত্ৰখন সমৃদ্ধিশালী কৰাত বৰঙণি আগবঢ়াই আহিছে। বুৰঞ্জীমূলক সাহিত্য ৰচনা কৰাৰ উপৰিও লেখিকা গৰাকীয়ে ইংৰাজী ভাষাতো কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি সমাদৃত হৈছে।

সুলেখিকা অনিমা গগৈৰ শৰীৰ আৰু মনৰ শিৰাই উপশিৰাই প্ৰবাহিত হৈ আছে জাতীয় চেতনাৰ তেজ। সেয়ে ব্যতিক্ৰমী চিন্তাৰে উজ্জীৱিত হৈ উঠা এই গৰাকী লেখিকাই ছশবছৰীয়া আহোম ৰাজত্ব কালৰ স্বৰ্ণমণ্ডিত ইতিহাসৰ বিষয়ে বুৰঞ্জীৰ পাতত খোদিত থকা একো একোটা সোণালী অধ্যায়ত ন-সঞ্জীৱনী প্ৰদান কৰিছে আৰু লগতে অন্য জনগোষ্ঠীৰো মহিয়সী নাৰীক উজ্জ্বলাই তোলাৰ প্ৰয়াস কৰিছে। অধ্যয়ন পিপাসু এটা সুন্দৰ মনৰ গৰাকী অনিমা গগৈয়ে জীৱনত বহু প্ৰত্যাহবানৰ সন্মুখীন হৈয়ো মনৰ সবল স্থিতিৰ বাবেই সাহিত্য জগতত এক উল্লেখনীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

অসমীয়া জাতীয় জীৱনৰ সোণালী অভিযাত্ৰাত তেখেতৰ বৰ্ণময় কৰ্ম পৰিক্ৰমাই এটা স্বৰ্ণময় মাৰ্গ দেখুৱাবলৈ সক্ষম হৈছে। সম্প্ৰতি ৭০ৰ দেওনা পাৰ হোৱা লেখিকা গৰাকীৰ সুন্দৰৰ অনন্য সুবাস আৰু স্বকীয় চিন্তা-চেতনাৰে স্বকীয় অস্তিত্বক তেজোদ্দীপ্ত ৰূপত প্ৰতিফলিত কৰাটোৱেই লক্ষ্য। তেখেতে ইতিমধ্যে বৰ অসম গঢ়োতা চাওলুং ছ্যকাফা, লুইতৰ পাৰৰ বিদুষী বীৰাঙ্গনা, অসমীয়া জাতি গঠনত বীৰ লাচিত আৰু সতী জয়মতীৰ অৱদান, মহিয়সী বীৰাঙ্গনা মূলাগাভৰু, মহানায়ক ফাছেঙমোং, ৰুদ্ৰসিংহ, (ভাৰতীয় মানৱ গৱেষণা কেন্দ্ৰ (নাইচুৰ)ৰ দ্বাৰা অনুমুদিত) মূলাগাভৰু (নাটক), জয়মতী কুঁৱৰী (শিশু গ্ৰন্থ), অকণিৰ বীৰ লাচিত, অকণিৰ মহিষী সাধনী, বৰেণ্য অসম সন্তান, অকণিৰ বীৰ চিলাৰায়, মধুৰ অতি মধুৰ (শিশু উপন্যাস),

বৈবাহিক সম্বন্ধৰে অসমীয়া জাতি গঠন, স্মৃতিৰ সুগন্ধি (কাব্য গ্ৰন্থ), আলোক পথৰ যাত্ৰী, (শিশু উপন্যাস), ইউৰোপৰ অভিমানী মন, (ভ্ৰমণ কাহিনী), Pillers of Nation building, Jaimati and Lachit Borphukon, Mulagabhoru, The greatest Putriotic Herione of Assam, Life...... An Enchanting Journey, Swargadew Rudra Singha, The golden Stage of Brahmaputra, আদি গ্ৰন্থ ৰচনা কৰিছে। প্ৰবল ইচ্ছাশক্তি আৰু আত্মবিশ্বাস যে মানুহৰ জীৱনৰ সফলতাৰ মাপকাঠী এই কথাযাৰ অনিমা গগৈয়ে প্ৰতিপন্ন কৰি দেখুৱাইছে। তেখেতৰ স্বামী প্ৰয়াত ডাঃ প্ৰফুল্ল গগৈয়ে তেখেতক অৱশ্যে যথেষ্ট উৎসাহ আৰু প্ৰেৰণা যোগাইছিল। কাৰণ প্ৰয়াত স্বামীয়ে জানিছিল অনিমা গগৈৰ সাহিত্য প্ৰীতিৰ কথা। অষ্টম শ্ৰেণীত থাকোতেই গল্প লিখা এইগৰাকী লেখিকাই কুকুৰ, মেকুৰী আদি জীৱ-জন্তুৰ প্ৰীতিক মুল উপজীব্য হিচাপে লৈ বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত লিখি বিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰাৰ উপৰিও সৰুতেই শংকৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষৰ বিষয়ে ৰচনা লিখি ৰচনা প্ৰতিযোগিতাবোৰত পুৰস্কাৰ লাভ কৰিছিল। বিয়াৰ কেইবছৰ মানত ১৯৮৮ চনত পাছত জীৱনৰ প্ৰেৰণা আৰু সাহস স্বৰূপ স্বামীক হেৰুৱাই হতাশাত ভোগা এইগৰাকী নাৰীৰ কাষত সাহস হিচাপে থিয় দিয়ে জন্মদাতা পিতৃ সোণাৰিৰ প্ৰয়াত অনন্ত ফুকন। দেউতাক অনন্ত ফুকনে তেখেতক মনৰ দুখ-হতাশা উপশম হ'বৰ বাবে গ্ৰন্থ অধ্যয়ন কৰিবলৈ পৰামৰ্শ দি বৰেণ্য লেখক সৰ্বানন্দ ৰাজকোঁৱৰৰ "ইতিহাসে সোঁৱৰা ছশটা বছৰ" নামৰ গ্ৰন্থ খনি পঢ়িবলৈ দিয়ে। এই গ্ৰন্থখন অধ্যয়ন কৰাৰ পাছত জাতীয় বীৰ-বীৰাঙ্গনাসকলৰ দেশপ্ৰেম, জাতিপ্ৰেম, সাহস, বীৰত্ব আৰু ত্যাগৰ অম্লান কাহিনীয়ে তেখেতৰ অন্তৰত নিভৃত কোণত জাতীয় প্ৰেমৰ বীজ অংকুৰিত কৰে। তাৰ পাছত বুৰঞ্জীমূলক বিভিন্ন গ্ৰন্থ আৰু প্ৰায়বোৰ উপলব্ধ বুৰঞ্জী অধ্যয়ন কৰি সাহিত্য সাধনা তথা চৰ্চাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰে। অসমীয়া বীৰ বীৰাঙ্গনা সকলৰ জীৱনৰ আদৰ্শ কৰ্ত্তব্যনিষ্ঠা আৰু ত্যাগক নতুন প্ৰজন্মৰ মাজত বিলাই দিবলৈ, আৰু যাতে দেশ আৰু জাতিৰ ভৱিষ্যত নৱ প্ৰজন্মই জাতীয় চেতনাৰে উদ্বুদ্ধ হ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আজীৱন এই সাধনাত ব্ৰতী হোৱাৰ সংকল্প গ্ৰহণ কৰে। যাৰ বাবে তেখেতে আদৰ্শ নাৰী সকলৰ জীৱনাদৰ্শক চিৰস্মৰণীয় কৰাৰ প্ৰয়াস চলাইছে আৰু অনুপ্ৰেৰণা জগাই তুলিবলৈ বুৰঞ্জীমূলক সাহিত্য চৰ্চা কৰি আহিছে। তদুপৰি এইগৰাকী লেখিকাৰ প্ৰচেষ্টাত গুৱাহাটীত ২০০২ চনত "সতী জয়মতী ট্ৰাষ্ট চছাইটি" অসম গঠন কৰে। তদুপৰি তেখেতে এই চছাইটিৰ অস্থায়ী ভৱন নিৰ্মাণ কমিটিৰ যোগেদি জয়মতী ভৱন নিৰ্মাণ , বেৰা নিৰ্মাণ আদি কাম কৰাৰ সৈতে মহিলা সকলক জড়িত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। শেহতীয়াকৈ যোৱা নৱেশ্বৰ মাহত চৰকাৰে তেখেতলোকক এই কামৰ বাবে মাটি প্ৰদান কৰে আৰু এই মাটিতে এটা স্থায়ী ভৱন নিৰ্মাণ কৰাৰ পৰিকল্পনা তেখেতলোকে হাতত লৈছে। এই অনুষ্ঠানৰ যোগেদি প্ৰতিবছৰে এগৰাকী বিশিষ্টা সমাজকৰ্মী, ত্যাগী মহিলা তথা বৰেণ্যা নাৰীক তেখেতলোকে সম্বৰ্ধনা জনায়। লগতে তেখেতসকলে জয়মতীৰ ওপৰত গৱেষণা কৰা গৱেষকসকলকো সম্বৰ্ধনা জনাই আহিছে (যেনে - লোকসংগীত, গৱেষণামূলক গ্ৰন্থ আদি) আৰু সমাজৰ পৰিবেশ সচেতনতা সৃষ্টিৰ বাবেও কাম কৰা এই অনুষ্ঠানে যৌতুক



প্ৰথা, নাৰী নিৰ্যাতন আদিৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰকৃতাৰ্থত নাৰীৰ উত্তৰণেই এই চছাইটিৰ তথা অনুষ্ঠানটিৰ লক্ষ্য। ১৯৮৩ চনৰ পৰা তেখেতৰ সহযোগত গুৱাহাটীত "জয়মতী স্মৃতি দিৱস" অনুষ্ঠিত কৰি আমাৰ নাৰীসমাজৰ মাজত দেশ প্ৰেম আৰু জাতীয় চেতনা জগাই তুলিবলৈ তেখেতে চেষ্টা কৰি আহিছে। (১৯৮৩ চনৰ পৰা এই অনুষ্ঠান সৈতে ওতঃপ্ৰোতভাৱে জড়িত হোৱাৰ উপৰিও তেখেতে মুখ্য আহবায়িকা হিচাপেও কাৰ্যনিৰ্বাহ কৰে। বৰ্ত্তমান এই অনুষ্ঠানৰ তেখেত সভানেত্ৰীৰ গুৰু দায়িত্বত আছে।

প্ৰয়াত পিতৃ অনন্ত ফুকনৰ আদৰ্শৰে অনুপ্ৰাণিত অনিমা গগৈয়ে প্ৰয়াত মাতৃ গুণবালা ফুকনৰ পৰা কৰ্মনিষ্ঠা শিকি নিজৰ জীৱন পৰিচালিত কৰি আহিছে। মাতৃ হিচাপেও তেখেত এগৰাকী আদৰ্শ মাতৃ। স্বামীৰ বিয়োগৰ পিছত তিনিওটা সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিছে একক প্ৰচেষ্টাৰে। তেখেতৰ জ্যেষ্ঠ পুত্ৰ আকাশজ্যোতি গগৈ আৰু কণিষ্ঠ পুত্ৰ প্ৰকাশজ্যোতি গগৈ আজি প্ৰতিষ্ঠিত। জ্যেষ্ঠ পুত্ৰ আকাশজ্যোতি গগৈ বৰ্তমান বাংগালোৰত আৰ্মীৰ লেফটেনেন্ট কৰ্ণেল হিচাপে কৰ্মৰত আৰু সৰু পুত্ৰ প্ৰকাশজ্যোতি গগৈ প্ৰতিষ্ঠিত ব্যৱসায়ী। ঢোলবাদনত পাৰ্গতি তেখেতৰ দুয়োগৰাকী পুত্ৰ এসময়ত 'জুনিয়ৰ মঘাই ওজা' হিচাপে পৰিচিত আছিল। তেখেতৰ কন্যা বিথীকা গগৈ (বুঢ়াগোহাঁই) গুৱাহাটীৰ বশিষ্ঠত অৱস্থিত আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ৰ বন গৱেষক। সৰু বোৱাৰী ৰশ্মিৰেখা গগৈ চৰাইদেউ জিলাৰ মৰাণস্থিত মাহমৰাৰ ৰাজহ চক্ৰ বিষয়া।

সুদীৰ্ঘ দিন সাহিত্য চৰ্চা কৰি অহা অনিমা গগৈ অসমীয়া সাহিত্য জগতৰ এগৰাকী উজ্বল নক্ষত্ৰ। অসম মাতৃৰ সুযোগ্য সন্তান বীৰ-বীৰাঙ্গনা সকলৰ আত্মত্যাগ, আত্মাহুতি আৰু বীৰত্বৰ জীয়া জীৱন গাঁথা, জাতিৰ গৌৰৱ আৰু মহিমাৰ আলোকক পুনৰ চিনাকী কৰি দিয়া এই গৰাকী লেখিকাই তেখেতৰ সাহিত্য কৰ্মৰ স্বীকৃতি হিচাবে ২০০৯ চনত অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন, ২০১০ চনত ড° আম্বেদকাৰ ফেল'শ্বিপ ৰাষ্ট্ৰীয় বঁটা আৰু ২০১৪ চনত বাণী পাঠক সোঁৱৰণী মৌলিক শিশু উপন্যাস বঁটা লাভ কৰাৰ উপৰিও অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগ, অসম লেখিকা সংস্থা, পাঞ্জাবাৰী লেখিকা সংস্থা, নুনমাটি সাহিত্য সভা, দক্ষিণ গুৱাহাটী লেখিকা সংস্থা, সোণাৰি ৰাজহুৱা বিহু সন্মিলন ২০১২, সাতসৰী সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠান, পৃথিৱী প্ৰকাশন, ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতি, জীৱনজ্যোতি ৰাজ্যিক এন. জি. অ, আদিৰ দ্বাৰা সম্বৰ্ধিত হৈছে। সাহিত্য সাধনাৰ সমান্তৰালভাৱে সমাজসেৱা কৰি অহা অনিমা গগৈয়ে জাঁজী বামুণ পুখুৰী হাইস্কুলৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা, দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ সম্পাদিকা, অসম লেখিকা সংস্থাৰ পৃষ্ঠপোষক, মধ্য গুৱাহাটী লেখিকা সংস্থাৰ উপদেষ্টা, দিছপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সহকাৰী সম্পাদিকা, জনপথ যুৱ ক্লাবৰ প্ৰাক্তন সভানেত্ৰী, মে'নাং ৰাই সমিতি, অসমৰ খানাপাৰা আঞ্চলিক সাহিত্য চৰাৰ সাংগঠনিক সম্পাদিকা, অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসম লেখিকা সংস্থাৰ আজীৱন সভ্য আৰু বৰ্তমান "সতী জয়মতী স্মৃতি ট্ৰাষ্ট চছাইটি"ৰ সভানেত্ৰী।

১৯৪৮ চনৰ ১ মাৰ্চত শিৱসাগৰ জিলাৰ সোণাৰিত জন্মগ্ৰহণ কৰা অনিমা গগৈয়ে

যোৰহাট দেৱী চৰণ বৰুৱা ছোৱালী মহাবিদ্যালত শিক্ষা জীৱন শেষ কৰি ১৯৬৯ চনত সাপেখাতীৰ চতিয়ানাগুৰি পূৰ্বাঞ্চল হাইস্কুলত সহঃ প্ৰধান শিক্ষয়িত্ৰী (প্ৰতিষ্ঠাপক) হিচাবে কৰ্মজীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত গুৱাহাটীস্থিত অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা ২০০৭ চনৰ ২৭ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰে। এই গৰাকী লেখিকাৰ বিভিন্ন বিষয়ক লেখনি অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, শংকৰজ্যোতি, আজিৰ দৈনিক বাতৰি (অধুনালুপ্ত), নতুন দৈনিক (অধুনালুপ্ত), নিয়মীয়া অনুপল, ৰাইজৰ বাতৰি, অৰ্দ্ধ আকাশ, পুৱাৰ বাতৰি, ৰহস্য, সমীক্ষণ, পৃথিৱী, নাৰীযুগ আদি কাকত-আলোচনীত প্ৰকাশিত হৈছে। তেখেত পৃথিৱীৰ বিভিন্ন দেশ বিশেষকৈ দক্ষিণ এছিয়াৰ থাইলেণ্ড, ছিংগাপুৰ, মালয়েচিয়া; আৰু লণ্ডন, ফ্ৰান্স, জাৰ্মানী, পেৰিছ, ভেনিছ, বেলজিয়াম, ইটালী, চুইজাৰলেণ্ড, চীন, বেইজিং, ছাংহাই, হংকং, মাকাও আদিকে ধৰি অৰ্দ্ধ শতাধিক দেশ ভ্ৰমণৰ অভিজ্ঞতাৰে পুষ্ট।

এইগৰাকী বৰেণ্যা নাৰী, জাতীয় চেতনা বিষয়ক সুলেখিকা, কবি, উপন্যাসিকা, সমাজসেৱিকা, নাট্যকাৰ, শিশুগ্ৰন্থ ৰচয়িতা অনিমা গগৈক টাই আহোম যুৱ পৰিষদ; অসমৰ ধেমাজি সমিতিয়ে পোন প্ৰথমবাৰৰ বাবে অসমৰ জাতীয় নাৰী বীৰাঙ্গনা ৰমনী তথা মহিয়সী জয়মতীৰ দেশপ্ৰেম, জাতীয় চেতনা, সাহস আৰু আত্মত্যাগক মৰ্যাদাপূৰ্ণভাৱে সুঁৱৰি "বীৰাঙ্গনা জয়মতী বঁটা" প্ৰদান কৰিবলৈ লোৱাটো নিতান্তই সময়োপযোগী আৰু উচিত পদক্ষেপ হৈছে। এই গৰাকী জাতীয় বীৰাঙ্গনা জয়মতী অসমীয়া জাতিৰ বাবে, অসমীয়া ৰমণীৰ বাবে গভীৰ অনুপ্ৰেৰণাৰ প্ৰতীক। ধেমাজি জিলা সমিতিয়ে লোৱা এই প্ৰশংসনীয় পদক্ষেপে অসমীয়া জাতীয় ঐতিহ্য শক্তিশালীভাৱে বিকশাই তোলাত লেখক-লেখিকাসকলক অনুপ্ৰাণিত কৰি তুলিব বুলি ভাবিব পাৰি। অসম ইতিহাসৰ এই যুগ সন্ধিক্ষণত এক বহল, উদাৰ, দৃঢ় আৰু আপোচবিহীন ভাৱে আত্মবিশ্বাসেৰে সকলোকে আদৰি লোৱাৰ পথ নিৰ্দেশনাও টাইপাই গ্ৰহণ কৰিব লাগিব। যি সময়ত অসমীয়া জাতিয়ে অসমীয়াৰ সংজ্ঞা বিচাৰি অযথা যুক্তি-তৰ্কত অৱতীৰ্ণ হব লগা হৈছে সেই সময়ত এইসকল জাতীয় বীৰাঙ্গনাৰ মহৎ পৰিচয়, আত্মত্যাগৰ গাঁথাক জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগ হিচাবে ধৰি টাইপাই যি মহৎ কৰ্ম কৰাৰ প্ৰয়াস কৰিছে সেয়া সঁচাকৈয়ে শলাগিবলগীয়া। অনিমা গগৈৰ দৰে এগৰাকী সাহসী আৰু সংগ্ৰামী নাৰীক এই বঁটা প্ৰদানেৰে সন্মানিত কৰিবলৈ লোৱাটোত আমি এক ইতিবাচক শক্তিশালী প্ৰচেষ্টা বুলিব লাগিব। বঁটা বাহনে মানুহক অনেক যুগজয়ী, কালজয়ী মহৎ কৰ্ম কৰিবৰ বাবে গভীৰ অনুপ্ৰেৰণা প্ৰদান কৰে। আমি আশা কৰিছো বীৰাঙ্গনা জয়মতী বঁটাৰে সন্মানিত হোৱা সন্মানীয়া লেখিকা অনিমা গগৈয়ে অনাগত দিনবোৰত বুৰঞ্জীৰ অনেক সমলেৰে ন ন গ্ৰন্থ ৰচনা কৰি নৱ প্ৰজন্মক আৰু আমাৰ নাৰী সমাজৰ উত্তৰণৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিবৰ বাবে অনুপ্ৰাণিত কৰিব, সমাজক শুদ্ধ পথে আগুৱাই নিয়াৰ লগতে দেশ আৰু জাতিৰ প্ৰতি থকা অকুণ্ঠ ভালপোৱা আৰু সামাজিক দায়বদ্ধতাৰ বাবে তেখেত বুৰঞ্জী সাহিত্যৰ জগতখনত আৰু সামাজিক ক্ষেত্ৰখনত এক ব্যতিক্ৰমী অধ্যায় হৈ ৰ'ব, আৰু স্বজাতিৰ সংকটত সময়ত নিশ্চিতভাৱে তেখেতৰ গভীৰ জাতীয় চেতনাই ইতিবাচক প্ৰভাৱ পেলাব। তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

❖❖❖❖❖



# THE LIMITATIONS OF INDIAN NATIONALIST HISTORIOGRAPHY

✍ **Lindy Goodwin**
Asstt. Professor
Sonari College

Orientalist and British Imperialist writings on Indian history are considered to be the first scientific historical writings of India. Indeed Indian history owes much to these writings but it also must be remembered that these writers had an underlying imperialist motive. Hence it was seen that little interest was shown for Indian life and culture and economic issues were only treated in so far as they had political application. Such works were confined mostly to the British period and were concerned mainly with British activities.[i] So the beginning of actual modern Indian historiography can be said to have begun with the writings of the Indian nationalist historians.

The phrase nationalist historians were first used by R.C. Majumdar, to denote those historians of India whose writings had nationalist bias, especially during the period of colonial occupation. The nationalist historiography helped for unearthing of wide range of sources and re examination of all the available sources. In the course of time it received new impetus from the country wide agitation for political freedom and it slowly became a part of the movement itself. R,G.Bhandarkar, H.C,Raychoudhary, J.N.Sarkar, G.S.Sardesai, S.KrishnaSwami Ayyangar, Lala Lajpath Rai, C.F.Andrews, Pattabhi Sittaramayya, Girija Mukharjee etc were important nationalist writers. The trained or academic historians also followed this style of writing in the post independent era,

they were B.R.Nanda, Tarachand, Amales Tripathi, Bishweshar Prasad etc. Most of this historians connected history as explanationist and propagandist. They inspired the people of India and awakened the self confidence and national pride among the mass which strengthened the national movement. These Indian historians began their writings of Indian History amid the rise of the nationalist movement in the mid nineteenth century. Indian nationalist historiography had certain similar elements with the nationalist historiography of China and also of modern Europe. This type of historiography was highly politicized, often substantiating and supporting the nationalist movement as a means of independence from oppressive Western rule. Jawaharlal Nehru's *The Discovery of India* was such an example of rewriting of Indian history from a nationalist perspective. Also like in modern Europe, China or in Japan the concepts of 'nation' and 'civilization' were frequently used in the hope of rebuilding a nation free of foreign rule. Indian nationalist historiography also adopted a teleological approach of studying the past with the present in mind.[ii] After an initial phase of infatuation with the west, the educated Indians felt that Indian culture must be revitalized and a new consciousness must be promoted must be promoted through historical knowledge of the people's past. Bankim Chandra Chatterjee viewed that there was nothing more fundamental than the study and writing of history, as a means of creating sense of unity, national pride and desire for freedom.[iii] Indian Nationalist Historiography was an attempt by Indian scholars to vindicate their culture from the unfounded charges and prejudices of the European writers. The nationalist writers often tried to glorify India's past and put forward the idea that it was only after the coming of the Muslims and later the British to India that Indian society, culture and economy



witnessed a downfall. So aspects like India's ancient civilization, government system, military achievements etc were highlighted in their writings. Indian historians tried to prove the falsity of colonial historical narrative on the basis of analysis of existing historical sources, as also the hunt for fresh sources. Of course, they also were moved by a feeling of hurt national pride. For decades, their work was confined to ancient and medieval periods. The professional historians did not take up the modern period though, as we shall see, the economists did, basically because of two reasons: (a) most of them were 186 working in government or government-controlled schools and colleges, there was fear that any critique of colonialism would affect their careers; (b) they accepted the contemporary British historical view that scientific history must not deal with recent or contemporary period. Historians like K.P.Jayaswal, R.C.Dutt etc spoke of the Indian state as a non-despotic, welfare state. They also tried to present the view that the influence of the caste system was not that strong in Indian society and it never had a divisive effect on the people. Indian nationalist historians tried to popularize the concept that the institutions which were considered to have originated in the West had also existed in the past in India. For eg. K.P.Jayaswal in his *Hindu Polity*, published in 1915, he argued that the ancient Indian political system was either republican or that of constitutional monarchy. He said, 'The constitutional progress made by the Hindus has probably not been equaled, much less surpassed, by any polity of antiquity.' (This was to counter the European view that Greece was the home of democracy). R. C. Majumdar wrote in his *Corporate Life in Ancient India* that institutions 'which we are accustomed to look upon as of western growth had also flourished in India long ago.' Thus, interestingly, the value structure of the west was accepted. It

is not ancient Indian political institutions which were declared to be, on the whole, greater, but western institutions which were accepted as greater and then found to have existed in ancient India. Basically, the nationalist approach was to assert that anything that was politically positive in the West had already existed in India.

Undoubtedly Nationalist historiography played a very important part in instilling the feeling of dignity, pride, unity and nationalist sentiment in the minds of the Indians. This provided an undeniable impetus to the freedom struggle in India. Nationalist historians did, however, set up a high tradition of scholarship. They based their writings on hard research and commitment to truth as they saw it. They carefully and meticulously footnoted all their statements. Consequently, their writing was very often empirically sound. Indian Nationalist historiography also led to the writing of regional histories and to the writing of social and economic history of India. In spite of all these contributions Nationalist Historiography suffers from certain limitations.

One of the greatest limitations of Nationalist Historiography is that it has been dominated by elitism. In his essay, 'On Some Aspects of Historiography of Colonial India', Ranajit Guha states that like neo-colonialist historiography, neo nationalist historiography is prejudiced to the elite class portraying them as predominant heroes who brought about the nationalist consciousness in an otherwise subdued India. The Indian elite groups are elite personalities, institutions, activities and ideas. It seems correct, for, the Indian neo-nationalist history credits the whole of the struggle for Independence as an act performed by a group of elitist lawyers such as Gandhi, Nehru, Ram Mohan Roy, Tilak, Gokhale, Patel, Rajagopalachari and others.[iv] Due to such an approach the contribution and role of the mass of common



people was largely ignored and hence provided a partial representation of history.

Nationalist historiography also tends to deviate from the ideal of objectivity which is required to achieve true history. This stems from the problem of imparting a teleological purpose to history i.e trying to use history to define the present. So some historians tended to over hype or totally ignore certain incidents which occurred in history. For instance Dr. Tara Chand chose to completely ignore the role of Bhagat Singh and others (the revolutionary movement as a whole) as he may have considered it to throw bad light on India or to undermine the role of Gandhi, the Indian Nationalist Congress and other elitists in the Indian freedom struggle. Historians like K.P.Jayaswal on the other hand imparted new interpretations to ancient inscriptions and literary texts. He is said to have put over emphasis on the passages and texts in order to support his case.[v]

As a reaction to imperialist historiography and in an attempt to glorify India's past, nationalist historians made claims which were exaggerated and chauvinistic in nature. Emotion and sentiment usurped the place of reason and balance, objectivity and perspective which are prerequisites of true history were lost in the process. Romila Thapar says, 'There was an unashamed glorification of India's ancient past. This glorious past was a compensation for the humiliating present.' The deep conviction in India's glorious past sometimes led historians to stretch their arguments to an obnoxious and ridiculous extent.[vi]

One of the most serious limitations of nationalist historiography in India was its communal concepts and the creation of the ideology of Hindutva. The idea of a glorious past prior to the coming of the Muslims and the British, writing of local histories of the Sikhs, Rajputs and Marathas

where clashes with and victories against the Mughals were glorified are characteristics of Nationalist historiography. The well-known historian R. C. Majumdar was of the view that the entire period from c. 1200 onwards was one of foreign rule; Muslims were alien to Indian (Hindu) culture; the Hindus, oppressed and humiliated, wished nothing better than to slaughter "the Mlechhas" (Muslims); the British regime was a successor more civilised than "Muslim rule"; yet real opposition to the British came from Hindus, not Muslims, even in 1857; and, finally, the national movement's course was throughout distorted by concessions made to Muslims by Gandhiji, who was so much personally to blame for Partition. This view runs like a red thread in the volumes of History and Culture of the Indian People (first volume issued 1951), published by the Bharatiya Vidya Bhavan with financial assistance from the Government of India, and edited by R. C. Majumdar. ajumdar went on to author texts on the Rebellion of 1857 and the freedom movement in which the same stance was firmly maintained.[vii]

It can be concluded that national history has contributed immensely to increasing the scope of Indian history and has led to unearthing of a vast array of sources which can be used to reconstruct India's past accurately. However Indian nationalist historiography suffers some limitations in terms of perspective, methodology and assumptions. This has led to this kind of history having to face criticism. So a scholar of history must be careful and free from bias when following this trend of history in order to acquire objective and true history.



**References:**


i. Sreedharan, E., A Textbook Of Historiography 500 BC to 2000 AD, Orient Blackswan, New Delhi, 2009

ii. Wang, Q. Edward, Franz L, Fillafer, George G. Iggers., The Many Faces of Clio: Cross Cultural Approaches to Historiography, Berghahn Books, 2007 pg. 202,203

iii. Sreedharan op cit pg. 426

iv. Guha, Ranajit., On Some Aspects of Historiography in Colonial India in The Small Voice of History ed., Partha Chatterjee , Permanent Black (Orient Blackswan), New Delhi, 2010

v. Basham,A.L. Modern Historians of Ancient India in C.H.Phillips ed., Historians of India, Pakistan and Ceylon, Oxford University Press, 1967.

vi. Sreedharan op cit.pg 433.

vii. Habib, Irfan., History and interpretation Communalism and problems of historiography in India (www.sacw.net)


❖❖❖❖❖

# ROLE OF FEMALE PERSON IN VIOLENCE AND CONFLICTS: AN ETHICAL OUTLOOK

✍ Dr. Bimal Chandra Gogoi
Principal, Sonari College

Perhaps, women are the most beautiful human beings of the Universe that has ever been created by the Absolute God. They are the symbols of creation. No one can imagine a universe, which is devoid of women. A world without women is a world without creation, a garden without flower, a river without water.

While we use the word women we mean an adult human being and therefore, let us use the word "female person" for "Women", which seems to be more appropriate than the later.

By nature, Female persons are non-violent and they seem to keep themselves far from violence and conflicts. But they often became the victims of violence and conflicts. For example: In rape cases, they have to face with social boycott together with mental and physical injury, in terrorist's violence if a female person lost her husband she has to live a life of misery and painful widowhood; and so on. Yet it would be injustice if we ignore the presence of violence and conflicts even among the female persons. Being human female-persons are also acquiring its nature and sometimes they also become violent and comes into conflict with others. When male-persons can take part in violence, female-persons cannot keep themselves behind. Here it is to be noted that violence is violence, it should not be categorized according to gender.

Now let us give a look towards the meaning of the word 'violence'. The Oxford Advanced Learner's Dictionary



reads:

1. a) Violent behavior intended to hurt or kill.
   b) Very strong felling that is not controlled: views expressed with some violence.
2. Very strong physical force: the violence of storm. The meaning of the word 'violence' shows that it is always destructive and goes in the way of violence is legally punishable. Here the question of male-or female does not arise.

According to M.K. Gandhi, to injure physically is not the only criteria of violence; to think to injure others physically or mentally, to hurt others or to think about hurting others is violence. If we accept this criterion of violence we must accept that female persons are also taking part in violence. In the history of our civilization we observe a number of cases where female persons became violence and had taken part in conflicts. Even today we after observe in the daily news the cases of women violence, female persons joining in the violent terrorist groups, murdering people and so on.

It is to be noted that while saying about female persons we are not comparing it with male persons. It is already mentioned that female persons are also human beings and they have emotions and passions, which a male person have. Our purpose here is to disclose the fact that female persons are not absent from violence and conflicts.

To clarify the meaning of "conflict" the Oxford Dictionary reads:

1. a) a serious disagreement; an argument,
   b) a struggle; a fight.
2. a serious deference of opinions, wishes etc.

From the meaning of 'conflicts' it is clear that a serious conflict may lead to the act of violence. Disagreement of difference of opinions may be present among us but a serious disagreement of difference of opinions may be cause of violence and therefore, it should be avoided.

It is time when we, the human beings, are claiming

that we have become civilized and discovered super computers together with highest scientific development. But we cannot deny the existence of violence and conflicts, which are destroying ourselves. Some of us are using violence as means to attain liberation and some of us are using violence to keep social status intact and so on.

But the question is "whether violence in any way is ethically permissible?" The act of violence by no means is ethically permissible. Violence and conflicts are the laws of brute. Our ethics permits only the actions, which are good only good actions, are morally permissible. Violence is always destructive and it destroys the beauty of humanity. Nowadays various national and international organizations are taking care to denounce violence and conflicts. Human Rights commission is one of the organizations, which tries to reduce violence and conflicts by means of law. But the most important fact is that we have to change the psychology of human beings and perceive an ethical revolution that would be able to make us realize that violence should be avoided.

It is a fact that human beings are more selfish while compared to other beings in the world. For, we use to permit violence against other beings of the universe and we use to cry when the same is applied against us. It is immoral to think about us and ignore others. We become sensitive when a man or women is injured or killed but we do not become equally sensitive when a street-dog is injured or killed. It is the time to think about all beings of the universe. It is our moral duty.

Now let us see what role a female person may perform in violence and conflicts. Nobody would deny that female persons might perform vital role in reducing violence and conflicts. Fore, female persons are the mothers of human persons including male and females and they get their moral education basically from their mothers. Being a mother, a female person can educate their children about the moral and ethical values in the childhood. This basic moral education



would surely help in shaping a child's behavior in his or her life. Secondly, it is said that more than ninety percent husbands act according to his wife's advice. It means that a female person can advice her husband to avoid violence and conflicts. Thirdly, a sister or aunt sometimes becomes the most influential person for a brother or nephew. In that case she may influence him to act morally permissible acts and to avoid violence and conflicts.

Moreover, a female person is regarded as the founder of education, cultivation and civilization. Human civilization cannot develop without female persons. But many female persons are busy in claiming equal rights and opportunities in the name of feminism without performing their duties thereby. Some of them do not even hesitate to apply violence against her fellow female persons.

After a great period of development in human civilization we are not in a position to realize our destructive qualities viz. violence, conflicts etc. Then, can we claim that we are the highest creation of the universe? Hence, let us realize ourselves and perform morally good actions avoiding violence and conflicts and make the universe a heaven!

Bibliography

1. M.K. Gandhi, An Autobiography
2. M.K. Gandhi, Non-violence in peace and war Vol-I.
3. N. Sarma., Twenteeth Century Indian Philosophy.
4. D.R. Bali, Modern Indian Thought.
5. S.Kaushik, "Women In Education".
6. Jacob E. Safra (Edited), The New Encyclopaedia Britannica.
7. A.S. Hornby, Oxford Advanced Learner's Dictionary.
8. Problems of Analytic Ethics, D.K. Chakravarty.
9. Frenkena Ethics.

❖❖❖❖❖

# এই নন্দিনী

**মূল বাংলা ঃ কণা বসু মিশ্ৰ**
**অনুবাদ ঃ স্বৰ্ণালী গগৈ বৰা**
বিষয় শিক্ষয়িত্ৰী
ডিফু চৰকাৰী মাধ্যমিক বিদ্যালয়

বেংকৰ চকীত বহি নন্দিনীয়ে সমগ্ৰ দিনৰ লেনদেনৰ হিচাপ কৰিছিল। আবেলি চাৰি বজালৈকে বেংক খোলা। এতিয়া পাঁচ বাজিছে, কিন্তু ছয় বজাৰ আগত নন্দিনীৰ ছুটী নাই। কেৱল দায়িত্ব, দায়িত্ব আৰু দায়িত্ব। ঘৰে-বাহিৰে সমানে দায়িত্ব।

বাহিৰত গৰম বতাহ। এই চাৰি দেৱালৰ ভিতৰত বহিও নন্দিনীয়ে তাৰ উত্তাপ অনুভৱ কৰিছিল। ফুল স্পীডত চলি থকা ফেনখনেও সেই উত্তাপ কমাব পৰা নাছিল। এয়াৰ কণ্ডিচনাৰ বিকল, গতিকে অভ্যস্ত আৰামৰ এই ছন্দপতন নন্দিনীয়ে যেন মানি ল'ব পৰা নাছিল। তদুপৰি আজি ঘৰৰ পৰা বেংকলৈ ওলাই অহাৰ সময়তো মাকৰ সৈতে ভাল তৰ্কাতৰ্কি এখনেই হ'ল। দেওবৰীয়া বাতৰি কাকতখনৰ পাত্ৰ-পাত্ৰীৰ শিতানত নন্দিনীয়ে দিয়া বিজ্ঞাপনটি চকুত পৰাত তেওঁৰ আত্মকেন্দ্ৰিক মানসিকতাত যেন আঘাত লাগিল। নন্দিনীয়ে প্ৰচলিত নিয়ম ভংগ কৰিবলৈ ওলোৱা বিষয়টোত তেওঁৰ মাকৰ বিৰুদ্ধবাদী মনটো যিদৰে সক্ৰিয় হৈ উঠিছিল, তেনেদৰে জীয়েকৰ আৰ্জনৰ টকা তেওঁৰ হাতৰ মুঠিৰ পৰা হেৰাই যোৱাৰ ভয়ত স্বাৰ্থপৰ মনটোও ভিতৰি ভিতৰি জ্বলিছিল। তেওঁ যেন কোনোপধ্যে সহ্য কৰিব পৰা নাছিল যে তেওঁৰ জীয়েক দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হওক। নন্দিনীৰ উকা শিৰ। বিষণ্ণ মুখত হতাশাৰ ছাপ, এয়াই যেন নন্দিনীৰ চিৰ জীৱনৰ পৰিচয় হওক— মাকে যেন তাকেই কামনা কৰিছিল।

কিন্তু এনেকৈ জীৱন যাপন কৰা যায় নে? অৰ্থনৈতিক স্বাধীনতাইতো শেষ কথা নহয়। পুৰণি পৈত্ৰিক ঘৰতে মাক আৰু একমাত্ৰ পুত্ৰক লৈ নন্দিনীৰ সংসাৰ। সংসাৰৰ চাবি-কাঠি মাকৰ হাততে, নন্দিনী কেৱল টকা



ঘটা যন্ত্ৰ।

ৰুমালখনেৰে কপালৰ ঘামখিনি টুকি টুকি নন্দিনীয়ে ৰিভল্‌ভিং চেয়াৰখন দুবাৰ মান দোলাই দিলে। তাৰ পিছত সোঁৱে-বাঁৱে বাহুদুটা ঘূৰাই অলপ বাহুৰ ব্যায়াম কৰিলে। আজিকালি তাইৰ বাহুদুটা প্ৰায়ে টন্‌টনাই থাকে। স্পণ্ডিলাইটিছৰ পৰা যে তাই সহজে ৰেহাই নেপায় ইতিমধ্যে নন্দিনীয়ে সেয়া বুজি উঠিছে।

পুৱা দহ বজাত আহি নন্দিনী এই চকীখনত বহেহি আৰু তাৰ পিছত আৰম্ভ হয় কাম আৰু কাম। নন্দিনী এই বেংকৰ ব্ৰাঞ্চ মেনেজাৰ। বদলিৰ চাকৰি। এখন ঠাইত মন বহোঁ-নবহোঁ কৰোতেই আকৌ নতুন ঠাইলৈ বদলি। অৱশ্যে কলকাতা আৰু তাৰ আশে-পাশেই ঘূৰি থাকিবলৈ পাইছে। বৰ্তমান এইটো ব্ৰাঞ্চত আহি নন্দিনীয়ে যথেষ্ট অস্বস্তি অনুভৱ কৰিছে। ইয়াত তেওঁৰ অধীনত অনেক পুৰুষ কৰ্মচাৰী, মহিলাৰ সংখ্যা নন্দিনীকে ধৰি মাত্ৰ চাৰিগৰাকী। নন্দিনীৰ প্ৰতি ইয়াৰ সকলোৰে কটাক্ষ। কাৰণটো অৱশ্যে নন্দিনীয়ে নুবুজা নহয়। নন্দিনীৰ মেজাজ, নন্দিনীৰ ব্যক্তিত্ব, ফাঁকি নিদিয়াকৈ কাম কৰাৰ ক্ষমতা। নন্দিনীৰ এই ব্যক্তিত্ব অনেকৰ বাবে আড্ডা দিয়াত বাধা। নন্দিনীয়ে কিন্তু এইবোৰ গ্ৰাহ্য নকৰে। প্ৰত্যেকদিনে একপ্ৰকাৰ মেজাজ লৈয়ে নন্দিনী ঘৰৰ পৰা ওলায়। তাৰ পিছত ট্ৰাম, মিল, মিডি আদি চাৰিবাৰ সলোৱাৰ পিছত ধাক্কা খাই খাই তেওঁ অফিচ আহি পায় মানে মেজাজ আৰু তুংগত উঠেগৈ।

চাকৰি কৰিও নন্দিনীৰ আজিকালি ভাল নলগা হৈছে। কিন্তু উপায়তো নাই। পেটৰ ভোকৰ জ্বালাৰ বৰ প্ৰতাপ। ঝাশি চক্ৰৰ হিচাপত কাৰো কান্ধত বহি খোৱাৰ ভাগ্য লৈ নন্দিনীৰ জন্ম হোৱা নাই। অৱশ্যে বৰ্তমান বেংকৰ চাকৰিৰ দৰমহা যথেষ্ট ঈৰ্ষণীয়। এই বিৰাট অংকৰ দৰমহাৰ ফালে চাই কোনোবাই যেতিয়া দীৰ্ঘ নিশ্বাস পেলাই, তেতিয়া নন্দিনীৰ মনটো আত্মপ্ৰসাদৰ আনন্দত ফুলি নুঠাও নহয়। ৰুদ্ৰ যেতিয়া আছিল, এই লৈয়ে দুয়োৰে মাজত অশান্তি হৈছিল। ৰুদ্ৰইও বেংকত চাকৰি কৰিছিল, ব্ৰাঞ্চ বেলেগ। কিন্তু তাক চেৰ পেলাই যেতিয়া নন্দিনীয়ে দোপতদোপে পদোন্নতি কৰি গ'ল, ৰুদ্ৰৰ মনত সৃষ্টি হ'ল হীনমন্যতাবোধৰ। মাহৰ শেষত কিন্তু নন্দিনীৰ দৰমহাৰ অংকটোৰ ফালে চাই তাৰ চকু দুটা চক্‌চকাই উঠে।

ৰুদ্ৰৰ মৃত্যু আছিল নিতান্তই দুৰ্ঘটনা। ৰাতি দহমান বজাত বন্ধু এজনৰ ঘৰৰ পৰা স্কুটাৰ চলাই ঘৰলৈ আহি আছিল ৰুদ্ৰ। এখন মিনিবাছ আহি অকস্মাতে ৰুদ্ৰক খুন্দা মাৰি গুছি গ'ল— ঠিক আৰ্মহাষ্টষ্ট্ৰিটৰ মূৰতে।

নন্দিনী বেংকৰ পৰা উভতাৰ পথত ঠিক সেই স্থান পালেই প্ৰায়ে মনটো শিয়ঁৰি উঠে। তেজেৰে তিতি-বুৰি যোৱা পেন্ট-ছাৰ্ট গাড়ীৰ খুন্দাত থেতেলা খাই মাংসপিণ্ডলৈ পৰিণত হোৱা ৰুদ্ৰৰ শৰীৰৰ সেই ছবিখন নন্দিনীৰ মনত বাৰে বাৰে ভাঁহি উঠে। ৰুদ্ৰক ভাল পায়েই বিয়া কৰাইছিল নন্দিনীয়ে। কিন্তু তেওঁলোকৰ প্ৰেম-বিবাহ কিয় বাৰু সুখৰ নহ'ল? মৃত্যুৱেতো শেষ কথা নহয়। মৃত্যুৰ আগৰ জীৱন্ত স্মৃতিবোৰ? দহবছৰীয়া দাম্পত্য জীৱনৰ দিনবোৰ ভবাৰ দৰে মসৃণ কিয় নহ'ল? তথাপি সেই দিনবোৰত ৰুদ্ৰৰ গোঁৱাৰ স্বভাৱটো নন্দিনীৰ বাবে যিমানেই বিৰক্তিকৰ নহওক লাগে, এতিয়া স্মৰণ কৰি ভালেই লাগে। পছোৱা বতাহজাকৰ দৰে ৰুদ্ৰই তাইৰ মনৰ জীৱনটোক খেলি-মেলি কৰি তোলে।

কেতিয়াবা মাজনিশা নন্দিনীয়ে খোলা ছাদত পায়চাৰি কৰি ফুৰে। যদি ৰুদ্ৰ আহি তাইক দেখা দিয়ে? মৃত্যুৰ পিছত মানুহৰ কি সকলো শেষ হৈ যায়? নিদ্ৰাবিহীন ৰাতিবোৰত তাই ছাদৰ পৰা আকাশৰ তৰা গণি থাকে। দূৰৈৰ হুগলিৰ দ্বিতীয়খন সেতুৰ মাস্তুললৈ চাই থাকোঁতে তাইৰ মনত পৰি যায়, সেই বিদ্যাসাগৰ সেতু নিৰ্মাণ কৰি থকাৰ সময়ত ৰুদ্ৰ আৰু তাই প্ৰায়ে তালৈ গৈছিল। সন্ধ্যা যেতিয়া অসমাপ্ত সেতুৰ চাৰিওদিশ জনশূন্য হৈ পৰে, গংগাৰ জোঁৱাৰৰ শব্দলৈ কাণ পাতি পাতি ৰুদ্ৰই কয়, "জাঁপ মাৰি দিওঁ যদি?"

ঃ "এনে উদ্ভট ইচ্ছা কিয়?"— নন্দিনী আচৰিত হয়।

ঃ "তেনেহ'লেতো তোমাৰ লাইন ক্লিয়েৰ।"

ঃ "মানে? কি ল'ৰা-ধেমালি কৰিছা?"

ঃ "ঠিকেই তো, মই মৰি গ'লে তোমাৰ দ্বিতীয় বিবাহৰ পথ মুকলি হ'ব।"

ঃ "আৰু মই মৰি গ'লে?"

ঃ "তুমিনো কিহৰ দুখত মৰিবলৈ যাবা? তোমাৰ কিমান যে গুণমুগ্ধ।"



ঃ "ক'ত দেখিলা মোৰ গুণমুগ্ধসকলক?"

ঃ "মোৰ ষষ্ঠ ইন্দ্ৰিয়ই সকলো সময়তে দেখা পায়।"

সেই ৰুদ্ৰই ইচ্ছাকৃতভাৱে নহ'লেও সঁচাকৈয়ে তাইক এৰি থৈ গুছি গ'ল। কোনোদিন ঘূৰি আহিব নোৱাৰা পথেৰে। নন্দিনীৰ স্মৃতিচাৰণত সুখেই থাকক বা দুখেই থাকক, তাই যে নিসংগ জীৱন আৰু সহ্য কৰিব নোৱাৰে। হুগলিৰ দ্বিতীয় সেতুৰ সিপাৰে সেই বৃষ্টি নামে, সেই সূৰ্য উঠে, অস্ত যায়। স্কুটাৰ লৈ কত জন অহা-যোৱা কৰে, কিন্তু তাৰ মাজত ৰুদ্ৰকতো আৰু দেখা নাযায়। সেই হাঁহিমুখীয়া সপ্ৰতিভ যুৱক। যি ভালপোৱাৰ আকাশখনক ইলাষ্টিকৰ দৰে টানিব জানে। বিস্তৃতি বঢ়াব পাৰে।

একাকীত্ব যে কি ভয়ানক! দীঘ নিশ্বাস এৰে নন্দিনীয়ে। বুকুৰ ভিতৰখন যেন মোচৰ খাই উঠে। ডিঙিত সোপা মাৰি ধৰে এবুকু কন্দনে। ৰুদ্ৰতো কোনোদিন ঘূৰি নাহে, কিন্তু তাইতো জীয়াই থাকিবই লাগিব। গতিকে নন্দিনীয়ে আজিকালি জীয়াই থকাৰ কথা চিন্তা কৰে। নিৰ্বাক নিশ্চল জীৱনটোক সজীৱ কৰাৰ চেষ্টা কৰে। মানুহে কয় ছোৱালীজনী বিধবা। তাই বিধবা বুলিয়ে নিজকে সান্ত্বনা দিয়াৰ চেষ্টা কৰে।

অফিচ ছুটীৰ পিছত ক্লান্ত নন্দিনী যেতিয়া ঘৰলৈ উভতে, ঘৰৰ পৰিৱেশ আৰু অসহ্য লাগে। বৃদ্ধা মাকৰ কাহৰ শব্দৰ লগতে মুখনিঃসৃত শব্দৰ দ্ৰুত তালৰ ভংগীৰ মাজত যি জ্বালা, যি আক্ৰোশ ফুটি উঠে সেয়া সহ্য কৰা নন্দিনীৰ পক্ষে কঠিন। বন কৰা মানুহজনীও থাকে মাকৰ কব্জাত। নন্দিনী যে এইখন ঘৰৰ একমাত্ৰ উপাৰ্জনক্ষম ব্যক্তি, তাইৰো যে ইচ্ছা-অনিচ্ছা থাকিব পাৰে, তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাই। সমগ্ৰদিনৰ খাটনিৰ পিছত আহি পুত্ৰৰ পৰাই বা নন্দিনীয়ে কি ভাল ব্যৱহাৰ পায়? খেলা আৰু খেলা। পঢ়া-শুনাতকৈ বাবুৰ বাবে খেল অধিক প্ৰিয়। গোটেই বিয়লিটো বল খেলাৰ অন্তত সি সন্ধ্যাতে শুই পৰে। তাক শোৱাৰ পৰা উঠাই পঢ়াৰ কথা ক'বলৈ গ'লে নন্দিনীয়ে শুনিব লাগে মাকৰ গালি। বাবুয়েও মাকৰ প্ৰতি বিৰক্তি প্ৰকাশ কৰি মুখত যি আহে তাকে কয়। নন্দিনী নামৰ এই যুৱতী মাতৃগৰাকী তাৰ বাবে নিতান্তই অসন্মানৰ পাত্ৰী। বাবুৰ কৈশোৰ-যৌৱনৰ সন্ধিক্ষণত এই বয়সটোক নন্দিনীৰ মাকে কাৰ্যত ব্যৱহাৰ কৰি জীয়েকৰ বিৰুদ্ধে যুদ্ধ তৈয়াৰীৰ হাথিয়াৰ হিচাপে প্ৰয়োগ কৰিছে।

এইসমূহ বিৰক্তিকৰ অসহ্য পৰিৱেশৰ পৰা নন্দিনীয়ে বাচিবলৈ বিচাৰে। এই পয়ঁত্রিশ বছৰ বয়সতে তাইৰ হেৰাই যোৱাৰ ইচ্ছা নাই। গতিকে বহুত ভবা-চিন্তাৰ অন্তত তাই বাতৰি-কাকতত সেই বিজ্ঞাপনটো দিছে। — নন্দিনীয়ে বিবাহৰ বাবে এজন পাত্র বিচাৰিছে। যিকোনো শিক্ষিত লোক, যাৰ প্রথম পৰিচয় হ'ব লাগিব মানুহ হিচাপে। বন্ধু হিচাপে যোগ্যতাৰ পৰিচয় দিব লাগিব। নন্দিনীয়ে নিজে সাক্ষাৎকাৰ ল'ব। তাই নিজৰ বয়স লুকুওৱা নাই, বিধবা শব্দটো লিখাতও কার্পণ্য কৰা নাই। ইয়াৰ লগতে অৱশ্যে নিজৰ ডিগ্রী আৰু চাকৰিৰ মর্যদাৰ কথা উল্লেখ কৰিবলৈও পাহৰা নাই। বাতৰি কাকতৰ অফিচৰ পোষ্ট-বক্স নম্বৰত চিঠি আহিব। গতিকে বর্তমান নন্দিনী নিশ্চিন্ত। কিন্তু বিজ্ঞাপনটো পঢ়ি যে মাকে সকলো বুজি পাই যাব, সেইটো নন্দিনীয়ে ভবাই নাছিল। মাকে বাতৰি কাকতখন বাবুৰ হাতত তুলি নিদিয়েতো? পোন্ধৰ বছৰীয়া ল'ৰাটোৰ বাবে জীৱনৰ অনেক গোপনীয় তথ্য নিশ্চয় অজানা নহয়। বিশেষকৈ বর্তমান দূৰদর্শনৰ চেনেলসমূহৰ কৃপাত নৰ-নাৰীৰ সম্পর্কৰ কোনোটো দিশেই অজানা নহয়— এই বয়সৰ কিশোৰ-কিশোৰীৰ বাবে। ৰিভলভিং চেয়াৰখনত আঁউজি লৈ নন্দিনীয়ে পুনৰ এটা দোলা দিলে। ভাবিলে, বাবুৰ যি ইচ্ছা তাকে কৰক, তাইৰ কৰিবলগা একো নাই। এতিয়া জানো বাবুৱে তাইক বুজে? ল'ৰাটোৱে যদি তাইৰ মনৰ সংগী হ'লহেঁতেন তেন্তে তাই ইমান একাকীবোধ কৰিলেহেঁতেন নে? অথচ মাক আৰু বাবু— দুইজনেই নন্দিনীৰ দুর্বলতা। সতীয়া মা নহয়, নিজৰ মাক। খুব কম বয়সতে মাক বিধবা হ'ল, নিজৰ মনৰ যন্ত্রণাৰ জ্বালা তেন্তে তেওঁ নিজৰ জীয়েকৰ লগতে মিলাব বিচাৰে? যেন জীয়েকেও ওৱে জীৱন বৈধব্যৰ যন্ত্রণা ভোগ কৰক! নন্দিনীয়ে আজিকালি এটা-দুটা চিগাৰেট হুপিবলৈও ধৰিছে। মাক বা বাবুৰ কাষত কথাটো গোপনীয় হৈ থকা নাই। তাৰ বাবেও মাজে মাজে ব্যঙ্গৰ তূণ নিক্ষেপ হয়। কেতিয়াবা মাকৰ মুখেৰে বা কেতিয়াবা পুত্রৰ। কিন্তু নন্দিনীয়ে সেইবোৰ গ্রাহ্য কৰা নাই। প্রত্যেকৰেতো নিজৰ বাবে জীয়াই থকাৰ অধিকাৰ আছে! তাইতো নিজৰ কর্তব্যত গাফিলতি কৰা নাই। তথাপি নন্দিনীয়ে নিজকে জৰিপ কৰিলে। ভাবিলে, তাই যদি পুনৰ বিবাহ কৰে— তেন্তে কাৰোবাক ফাঁকি দিয়া হ'ব নেকি? মাকক কিংবা পুত্রক? ভায়েক থাকে আমেৰিকাত। নিউজার্চিৰ পৰা সি মাকৰ



খৰচ মাজে মধ্যে পঠায়। নপঠালেও নন্দিনীৰ একো অসুবিধা নাই। মাকক চাবলৈ তাই সম্পূর্ণ সক্ষম। মাকৰ লগত কাম কৰা সহায়িকা আছে। ল'ৰাটোৰ ব্যৱস্থা কৰিব লাগিব কোনোবা হোষ্টেলত, কলকাতাৰ বাহিৰৰ কোনো এক হোষ্টেলত তাক থ'ব লাগিব। আইতাকৰ লগত থাকিলে সি আৰু মানুহ হ'ব নোৱাৰিব কোনোদিনে। ৰুদ্রই যি টকা-পইচা এৰি গৈছে সেই সকলো নন্দিনীয়ে ল'ৰাৰ নামত ফিক্সড্ ডিপ'জিট কৰি ৰাখিছে। তেন্তে সমস্যা ক'ত? কেৱল নন্দিনীয়ে ঘৰটো সলাব লাগিব।

অফিচলৈ অহাৰ আগে আগে মাকে নন্দিনীলৈ খঙেৰে চাই উচ্চ স্বৰত ক'লে— "ৰুদ্রৰ প্রতি এয়াই কি তোৰ প্রেম? নে শ্রদ্ধা? বেচেৰাই চকু মুদো নোমুদোতেই তই অন্য এজনক বিচাৰিলিয়েই।"

নন্দিনী অবাক হ'ল। ৰুদ্রক বিয়া কৰাওঁতেও মাক আছিল বিৰক্ত। সিহঁতৰ দাম্পত্য জীৱন তেওঁ সহ্য কৰিব পৰা নাছিল। কৈছিল, "ৰুদ্রক তই ডিভোর্চ্ছ দে।"

ঃ "কিয়?"

ঃ "সি কি তোৰ যোগ্য? তাক ডিভোর্চ্ছ দি অন্য কাৰোবাক বিয়া কৰা।"

সেইজনী মাক নন্দিনীয়ে কেই পলকমান মাকৰ চকুলৈ চাই ৰ'ল। তেওঁক সহজ কৰি দিয়াৰ বাবে মিচ্‌মিচ্‌কৈ হাঁহিলে আৰু ক'লে— "তুমিয়েইতো মা ৰুদ্রক এদিন সহ্য কৰিব নোৱাৰিছিলা। কোৱা নাছিলা মোক তাক ডিভোর্চ্ছ দিবলৈ?" মাকে সেই কথাৰ ধাৰে-কাছেও নগৈ খঙত ডিঙি ফুলাই চিঞৰিলে— "বাঃ কি ভালপোৱা। সেয়া নেকি আছিল আকৌ প্রেম বিবাহ! এতিয়া নিজৰ দোষ ঢাকিবৰ বাবে মোক মিছাকৈ দোষাৰোপ কৰিবলৈ আহিছঁ? বেচেৰা ৰুদ্র, ইমান সোনকালে তাই তোমাক পাহৰি গ'ল! আজি তুমি তাইৰ বাবে অপমানিত হ'ব লগা হৈছে, অ' ৰুদ্র।"

নন্দিনীৰ বৰ অসহ্য লাগিছিল, মাকৰ এই নাটকীয়তা। ব্যঙ্গ মিশ্রিত তীক্ষ্ণ কণ্ঠও তাইৰ বাবে চাবুকৰ কোব যেন লাগিছিল। এইবোৰ হজম কৰাৰ শক্তি তাইৰ নাছিল আৰু নাছিল সময়ও। অফিচলৈ যোৱাৰ সময় হৈ গৈছিল। শাৰীৰ কোঁচকেইটা ঠিক কৰি কৰি নন্দিনী শান্ত স্বৰেৰে উত্তৰ

দিছিল ঃ "মা অ'! জীয়াই থাকিবলৈ এজন সঙ্গী বিচাৰিছোঁ; সেইবুলিয়ে কি ৰুদ্ৰক পাহৰি যাম নে? ৰুদ্ৰৰ অস্তিত্বইতো মোক শিকলিৰ দৰে মেৰাই বান্ধি ৰাখিছে।"

নন্দিনীৰ মাকে ওলোটাই কৈছিল, "আৰু এজনক তেন্তে ঠগিব লাগে কিয়?" আয়নাৰ সন্মুখত ৰৈ ভুলবোৰ শুধৰাই নন্দিনীয়ে কৈছিল, "ইয়াক জানো ঠগা বুলি কয়? ৰুদ্ৰ যিমানদিন আছিল, তেওঁৰ বাহিৰেতো মই অন্য কাকো ভবা নাছিলো, মা। সংসাৰত যাৰ যিমান পাওনা, তাকতো সিমানখিনি দিবই লাগিব। এতিয়া মই অকলশৰীয়া, অকলে অকলে জীয়াই থকা বৰ কঠিন।"

ঃ "পৃথিৱীৰ বিধবাবোৰ তেন্তে জীয়াই থকা নাই?"

ঃ "নাথাকিব কিয়? মোৰ জীৱনলৈ যদি আৰু কোনোবা এজন আহে, তাত তোমাৰ ইমান আপত্তি কিয়? বিধবাৰ বিয়া নহয় নেকি? পুৰুষ কেতিয়াও বিধবা নহয়, বিধবা হয় কেৱল নাৰী। বিধবা পুৰুষে যদি বিয়া কৰাব পাৰে, নাৰীয়ে কি নোৱাৰে?"

ঃ "মইতো বিয়া কৰোৱা নাই, তোৰ বাবা মৰাৰ পিছত।"

ঃ "কৰিব লাগিছিল। অৰ্থডক্স্ মেণ্টেলিটিৰ পৰা ৰেহাই পালাহেঁতেন। কিন্তু তেতিয়াতো তোমাৰ বয়সো ষাঠিৰ ওপৰত।"

ঃ "তাতে কি হ'ল? খ্ৰীষ্টান ফেমিলিবোৰত এইটো আৰু কি বয়স? চাৰ্চত গৈ চাব পাৰ কিমান বৃদ্ধ-বৃদ্ধাৰ বিয়া হৈ আছে।"

ঃ "তেনেহ'লে তুমি নকৰালা কিয়?"

ঃ "তোৰ বাবে।"

ঃ "মোৰ বাবে?"

ঃ "অ', তইতো তেতিয়াও অবিবাহিতা। মানুহে কি ক'লেহেঁতেন?"

ঃ "সেইটোৱে আচল কথা, মোৰ বাবে নহয়, লোকনিন্দাহে তোমাৰ বাবে চিন্তনীয় বিষয় আছিল।"

ঃ "কি নো ডাঙৰ কথাটো? নিজৰ মৃত স্বামীক পাহৰি গৈ দ্বিতীয়বাৰ বিয়া কৰাব খোজাবোৰক মই ঘৃণা কৰোঁ।"

ঃ "ৰুদ্ৰ জীয়াই থাকোঁতেতো এই ঘৰত সোমাবলৈও দিয়া নাছিলা



মা। আৰু মৃত্যুৰ পিছত সিয়ে তোমাৰ বৰ আপোন হৈ পৰিল।"

নন্দিনীৰ মাকে চিৎকাৰ কৰি উঠিছিল— "বাজে কথা নকবি। ৰুদ্ৰ কি তোৰ যোগ্য আছিল? তাৰ স'তে তোৰ প্ৰেম আছে বুলি জনাৰ পিছতেই দেউতাৰৰ হাৰ্ট এটেক্ হৈছিল।"

নন্দিনীয়ে অসহায়ৰ দৰে মাকলৈ চালে ঃ "অ' মা, আৰু মিছা নামাতিবা যদি কওঁ যে দেউতাৰ মৃত্যুৰ কাৰণ তুমি বুলি? দেউতাক এদিনৰ বাবেও শান্তি দিছিলা নে তুমি? তুমিওতো হিন্দু পৰিয়ালৰ ছোৱালী আছিলা। দেউতাৰ লগত বিয়া হ'বৰ বাবেহে খ্ৰীষ্টান ধৰ্ম লৈছিলা। কিন্তু ৰুদ্ৰৰ ক্ষেত্ৰত—, সি হিন্দু বাবেই তোমাৰ কাষত অপৰাধী হ'বলগা হৈছিল। আচল কথা হৈছে তোমাৰ মন, যি মন হৈছে তোমাৰ খেয়াল-খুছিৰ ফল। দেউতাক তুমি কোনোদিন ভালপোৱা নাছিলা আৰু সেই দেউতাৰ ছোৱালী হোৱাৰ অপৰাধত মোকো।"

কাষৰ কোঠাৰ পৰা চিঞঁৰি উঠিল বাবু।

নন্দিনী চমক খাই গ'ল। সকলো শুনিলে ল'ৰাটোৱে? সি কি এতিয়াও স্কুললৈ যোৱা নাই? বাবু হঠাৎ বাহিৰ ওলাই আহিল— "গেট আউট! গেট আউট! উই আৰ নট্ ইউৰ বাৰ্ডেন। আমি তোমাৰ বোজা নহয়। আইতাক লৈ মই মামাৰ ওচৰলৈ গুছি যাম।"

নন্দিনীয়ে মাকৰ ফালে চালে— "তুমি বাবুক ভালেই ব্ৰেইন ৱাছ কৰিছা, মা। ৰুদ্ৰৰ লগতো মোক শান্তিত থাকিবলৈ নিদিলা আৰু এতিয়া বাবুৰ লগতো। কিয়, মা?" নন্দিনীৰ মাক এইবাৰ নিশ্চুপ। তাৰ পিছতে তেওঁৰ ছানি পৰা চকুত পানী ভৰি উঠিল। তেওঁ হঠাৎ চিৎকাৰ কৰি উঠিল— "বাবু, বাবু অ'! তোৰ মাৰৰ এই অপমান মই আৰু এই বুঢ়া বয়সত সহ্য কৰিব নোৱাৰো।"

এইবাৰ মাকৰ ফালে চোঁচা মাৰি অহাৰ দৰে আহিল বাবু হিংস্ৰ দৃষ্টিৰে মাকলৈ চালে। নন্দিনীৰ ভয় লাগি গ'ল। দুখোজমান পিছুপাই গৈ তাই ল'ৰাৰ ফালে চালে। বাবুয়ে কৈ উঠিল, "আইতাৰ ঘৰৰ পৰা তুমি ওলাই যোৱা। মইতো এতিয়া ডাঙৰ হৈছোঁ, মই আইতাক চাম। প্লিজ... গেট আউট।"

নন্দিনীৰ বুকুৰ মাজত কঁপনি উঠিল। এবুকু কান্দোনে তাইৰ ডিঙিত সোপা মাৰি ধৰিলে। এইটো ল'ৰাৰ বাবে তাই ইমান পৰিশ্ৰম কৰিছে? ৰুদ্ৰ আৰু তাই কত স্বপ্ন দেখিছিল! তাইৰ মাকে নাতিয়েকক মাকৰ বিৰুদ্ধে উচটাই দি কি ভুলেই যে কৰা নাই! মাকৰ এই মানসিক ব্যাধিৰ পৰা নন্দিনী বাচিবলৈ বিচাৰে। নাই, বহুত দেৰি হৈ গৈছে, আৰু নহয়। আৰ্মহাষ্ট ষ্ট্ৰিটৰ অন্ধকাৰ পুৰণা ঘৰটোৰ চিৰিয়েদি নামি থাকোঁতে নন্দিনীয়ে ভাবিছিল, যেনেকৈয়ে হওক বাবুক মাকৰ আঁচলৰ তলৰ পৰা আঁতৰাই আনিবই লাগিব। মাকৰ খৰমৰ খট্‌খট্ শব্দ শুনি তাই বুজি উঠিছিল, মাকো শান্তিত থাকিব পৰা নাই। জীয়েকৰ পুনৰ বিবাহৰ কথাই তেওঁক চিন্তিত কৰি তুলিছে। কোনে চাব তেওঁক? ল'ৰা আমেৰিকাত, বোৱাৰী মেমচাহাব। কোনোদিনে সিহঁত আৰু কলকাতালৈ ঘূৰি নাহে। বিয়াৰ পিছত মেম বোৱাৰীক লৈ এবাৰেই মাত্ৰ আহিছিল মাক-দেউতাকক চাবলৈ। দেউতাকৰ মৃত্যুৰ খবৰ পাইও সি অহা নাছিল।

নন্দিনীৰ এই মুহূৰ্তত অনুশোচনা হ'ল— তাই কিয় মাকক বিয়াৰ কথা ক'বলৈ গ'ল? তাই কিয় ঘৰৰ পৰা আঁতৰি যোৱাৰ কথা চিন্তা কৰিলে? বিয়াৰ সময়ত আপত্তি কৰিলেও পিছততো মাকে স্নেহৰ হাত আগবঢ়াই তাইক আকোঁৱালি লৈছিল। সেই পুৰণা দুমহলীয়া অন্ধকাৰ নিৰ্জন ঘৰটোত মাকৰো জীৱনতো অসহ্য লাগিছিল। নন্দিনীৰ লগতে মাকে ৰুদ্ৰকো স্থান দিবলৈ বাধ্য হ'ল আৰু ক্ৰমান্বয়ে যেন ঘৰটোত প্ৰেম-ভালপোৱাৰ চাৰি দেৱাল গঢ়ি উঠিবলৈ ধৰিছিল। বাবুৰ জন্মৰ পিছত মাক যেন বাউলী হৈ পৰিল। নাতি যেন কেৱল নাতিয়ে নহয়, সি যেন তেওঁৰ হেৰাই যোৱা একমাত্ৰ পুত্ৰৰ প্ৰতিবিম্ব। তেওঁ যেন নাতিৰ মাজতে বিচাৰি পালে তেওঁক পাহৰি যোৱা বিদেশবাসী পুত্ৰক।

তাৰ পিছত জীয়েকৰ কাষৰ পৰা নাতিক কাঢ়ি নিয়াৰ টাগ্ অব্ ৱাৰ চলিবলৈ ধৰিলে।

ৰুদ্ৰই সেইটো ভালপোৱা নাছিল। সি প্ৰায়ে কৈছিল, "ব'লা, আমি এটা বেলেগ ফ্লেট লৈ বেলেগকৈ থাকোঁ।" কিন্তু ৰাজী হোৱা নাছিল নন্দিনী। আমি ইমান স্বাৰ্থপৰ হ'মনে? বুঢ়া অসহায় মাক অকলে এৰি গুছি



যাম?

ৰুদ্ৰই খুব জোৰ কৰা সত্বেও তেতিয়া নন্দিনীয়ে মাকক এৰি যাবলৈ মান্তি হোৱা নাছিল। আৰু আজি? আজি ৰুদ্ৰৰ কথা ভাবি নন্দিনীৰ দুচকু ভৰি আহিল। মনে মনে ৰুদ্ৰক ক'লে, "ছ'ৰী ৰুদ্ৰ! কি কৰিম কোৱা? তুমি গুছি গ'লা, মাৰ লগত একেখন ছাদৰ তলত থকা মোৰ পক্ষে আৰু সম্ভৱ নহয়। তুমি মোৰ মাক চিনিছিলা ৰুদ্ৰ। মই যেন চিনিও নিচিনিলো।"

আজি সমগ্ৰ দিন কামৰ ফাঁকে ফাঁকে বাবুৰ মুখখনে নন্দিনীক আমানি কৰি থাকিল। তাই যে বাবুক কি সুন্দৰভাৱে মানুহ কৰাৰ কথা কল্পনা কৰিছিল! মাকে কিয় বুজিবলৈ চেষ্টা নকৰিলে যে টকা তৈয়াৰ কৰা তেওঁৰ যন্ত্ৰ জীয়েকৰো কিছুমান আশা থাকিব পাৰে!

নন্দিনীৰ টেবুলৰ ওপৰৰ টেলিফোনটো বাজি উঠিল। সেই মুহূৰ্তত তাই কম্পিউটাৰত ব্যস্ত। ফোনটো বাজি বাজি বন্ধ হৈ গ'ল; তাৰ পিছত আকৌ বাজিল। মিছেছ বিজন গৌৰি আহি ফোনটো উঠালে, কিন্তু লাইন কাটি গ'ল। আকৌ বাজিল— বন্ধ হ'ল, আকৌ বাজিল.... নন্দিনীয়ে অৱশেষত নিজেই ফোন কলটো ৰিচিভ্ কৰিলে।

ঃ "নন্দিনী সৰকাৰ আছেনে?" সিপাৰৰ কণ্ঠ ভাঁহি আহিল।

ঃ "কৈ আছোঁ।"

ঃ "আপুনিয়ে নন্দিনী সৰকাৰ? বাতৰি কাকতৰ বিয়াৰ বিজ্ঞাপন পৃষ্ঠাত "পাত্ৰ লাগে"ৰ বিজ্ঞাপন দিছিল?"

ঃ "দিছিলো, কিন্তু আপুনি মোৰ নাম কেনেকৈ জানিলে?"

ঃ "অনেক দিনৰ পৰাই দেখি আহিছো যে মোৰ পছন্দৰ পাত্ৰীগৰাকীক।" নন্দিনীয়ে ভয় খাই গ'ল— "কোন আপুনি?"

ঃ "আজি আহক না, অফিচ ছুটীৰ পিছত মেট্ৰ'ৰ ওচৰলৈ। কাফে ডি মনিকো।" ফোনৰ লাইন কাটি গ'ল।

নন্দিনী পুনৰ আহি বহিল কম্পিউটাৰত। কী-বৰ্ডত আঙুলি চলালে, মাউচটো লৰ-চৰ কৰিলে। কেইবাযোৰো কৌতুহলী চকুৱে তাইক জৰীপ কৰিবলৈ ধৰিলে।

অফিচ ছুটীৰ পিছত নন্দিনীয়ে এখন টেক্সী ল'লে। অনেক ভিৰ,

ট্ৰেফিক জাম পাৰ কৰি মেট্ৰ'ৰ ওচৰ পাই তাই টেক্সীখন এৰি দিলে।

কপালৰ ঘাম মচি মচি তাই অস্বস্তি দূৰ কৰাৰ চেষ্টা কৰিলে। কিন্তু কাফে ডি মনিকোৰ ওচৰত যিজনক তাই ৰৈ থকা দেখিলে, সেয়া দেখোন সুতপন। তাইৰে এজন কলিগ। তাক দেখি ভেবা-চেকা খালে যেন নন্দিনীয়ে। সুতপনে বাটাৰফ্লাই গোঁফৰ ফাঁকেদি হাঁহি মাৰি ক'লে, "মোক তুমি পছন্দ কৰানে?"

ঃ "কি যা-তা বলকিছা তুমি সুতপন?"

ঃ "বহুদিনৰ পৰাই তোমাক লৈ মোৰ বুকুৰ ভিতৰত ভূমিকম্প চলি আছিল। ৰুদ্ৰ যেতিয়া জীৱিত আছিল, তেতিয়াও। কিন্তু তোমাৰ আগত প্ৰকাশ কৰাৰ সাহস নাছিল।" কফিৰ কাপত চুমুক দি অত্যন্ত সপ্ৰতিভভাৱে সুতপনে কৈ গ'ল। নন্দিনীৰো তাক ভাল নালাগে জানো? পৰস্পৰৰ চকুৰে চকুৰে চোৰাৰ খেলটো দুইজনেই উপভোগ কৰিলে। কিন্তু সেইবুলি বিয়া?

নন্দিনীয়ে ক'লে, "তুমি জানা, তুমি মোতকৈ বয়সত কেইবাবছৰে সৰু।" সুতপনে হাতৰ জ্বলি থকা চিগাৰেটটো নুমুৱাই এছট্ৰেত থ'লে। নন্দিনীৰ হাতত চেপা দি সি ক'লে, "সেইটো কোনো কথা নহয়। নতুন কিবা আছে যদি কোৱা।"

নন্দিনীয়ে তেতিয়াও একো ভাবিব পৰা নাই। কেৱল অপলক দৃষ্টিৰে চাই ৰ'ল সুতপনলৈ। সুতপনেও। সি ক'লে, "মোৰ কথাতো তুমি সকলো জানাই। এতিয়াও বিয়া কৰোৱা নাই। যদিও কওঁ তোমাৰ বাবেই? বিশ্বাস কৰিবা?" নন্দিনী এইবাৰও নিৰৱ। "তুমি তেতিয়া মোৰ কাষৰ পৰাই ৰুদ্ৰৰ লগত স্কুটাৰত উঠি ধূলি উৰুৱাই গুছি যোৱা, তোমাৰ শাৰীৰ আঁচল কতদিন আহি মোৰ মুখৰ ওপৰতেই পৰিছেহি। মইতো তোমালোকৰ পিছে পিছেই স্কুটাৰ লৈ ঘূৰি ফুৰোঁ, দেখিছিলানে কেতিয়াবা?"

ৰুদ্ৰৰ কথা মনলৈ আহোঁতেই নন্দিনীয়ে সুধিলে, "তোমাৰ নিশ্চয় হুমুনিয়াহ ওলাইছিল নহয়, যেতিয়া মই ৰুদ্ৰৰ সৈতে স্কুটাৰত উৰি গৈছিলো?"

ঃ "না না। প্লিজ ড'ণ্ট মিছ্ আণ্ডাৰষ্টেণ্ড। মোক ভুল নুবুজিবা। আই আম্ ইওৰ ৰেল্ উইছাৰ, নন্দিনী। ৰুদ্ৰৰ মৃত্যুৱে মোকো বৰ আঘাত দিছিল।



তোমাৰ কথা ভাবি বহুদিন উজাগৰী নিশা পাৰ কৰিছিলো। তোমাক অকলশৰীয়া কৰি ৰুদ্ৰ গুছি গ'ল..."

ঃ "সেইবাবেই তুমি কি তাৰ শূন্য স্থান পূৰণ কৰিবলৈ আগবাঢ়ি আহিছা?"

ঃ "নহয় নন্দিনী, নহয়। এতিয়াও জীৱনটো বহুত দীঘল, বহুত বাট যাবলৈ আছে। ময়োতো নিঃসংগ। মোৰ শূন্যতা তুমি পূৰণ কৰিব নোৱাৰিবা জানো? তুমি হয়তো অন্য কোনো এজনক সংগী কৰি ল'ব পাৰিবা, কিন্তু মইতো নিঃসংগ হৈয়ে থাকি যাম। তোমাৰ বাহিৰে মই কোনো দিন কাৰো কথা ভবা নাই, নন্দিনী।"

ঃ "কি বিচাৰা তুমি? বন্ধুত্ব?"

ঃ "ওহোঁ, তোমাক বিয়া কৰাব বিচাৰো। ইমানদিনে কথাটো কোৱাৰ সাহস হোৱা নাছিল। আজি কৈ পেলালো, বাতৰি কাকতত তোমাৰ ইচ্ছাৰ কথা গম পায়।"

নন্দিনীয়ে পুনৰ অপলকভাৱে চাই ৰ'ল তালৈ, একো নক'লে। সুতপনে পুনৰ ক'লে, "পাত্ৰ হিচাপে মই কি অত্যন্ত বেয়া?" নন্দিনীয়ে মিচিক্-মাচাককৈ হাঁহিলে। তাৰ পিছত ক'লে— "কি সাহস তোমাৰ! বছৰ লগত প্ৰেম...., তাৰ পিছত বিয়াৰ প্ৰস্তাৱ।" সুতপনে তাইৰ কথাৰ কোনো উত্তৰ নিদি কেবিনৰ পৰ্দাখন টানি দিলে আৰু নন্দিনীক আকোঁৱালি ধৰি এটি চুমা আঁকি দিলে। নন্দিনীৰ অতৃপ্ত মনৰ যন্ত্ৰণাবোৰ নয়নৰ নীৰ হৈ বাগৰি আহি সুতপনৰ চাৰ্ট তিয়াই পেলালে। তাৰ পিছত কিছু সময় দুয়ো পৰস্পৰৰ মাজত যেন হেৰাই গ'ল।

ৰেষ্টুৰেণ্টৰ পৰা ওলাই দুয়ো খোজ কাঢ়ি কাঢ়ি নৈৰ ফালে আগুৱাই গ'ল। দীৰ্ঘ উশাহেৰে খোলা আকাশৰ বতাহ বুকুত ভৰাই লৈ সুতপনে ক'লে— "তেন্তে মাই ডিয়েৰ বছ! তুমি ৰাজী? তোমাৰ অধীনস্থ কৰ্মচাৰীক বিয়া কৰাবলৈ?"

সামান্য হাঁহি নন্দিনীয়ে উত্তৰ দিলে, "ৰাজী"।

❖❖❖❖❖

# নাৰী

✍ গুণ বৰা
অধ্যাপক
বৰদলনি কনিষ্ঠ মহাবিদ্যালয়



মোৰ প্ৰিয় নাৰী বিষয়ক এখন ৰচনা লিখিম
নাৰী মোৰ মা-ভনী-বৌ
যাৰ স'তে মোৰ আজন্ম চিনাকি
যাৰ অমৃত পান কৰি মই
কোনোদিনে
দেৱতা হ'ব খোজা নাই
কোনোদিনে
নীলকণ্ঠ হ'ব খোজা নাই
যাৰ মৰমৰ সাগৰত সাঁতুৰি সাঁতুৰি মই
একলা একলাকৈ বাঢ়ি বাঢ়ি
পূৰ্ণিমাৰ জোনটো যেন হ'লো।
যাৰ প্ৰেমৰ চিপ্‌চিপিয়া বৰষুণত তিতি
তিতি মই
ৰতাহ হ'ব খোজো

তোমাৰ স'তে মোৰ আজন্ম চিনাকি
হে মোৰ প্ৰিয় নাৰী
তোমাৰ স'তে তুলনাই নহয়
সৰগৰ অপেশ্বৰীৰ
তুমি নাৰী
তুমি মোৰ প্ৰিয় নাৰী
ক'ৰ পৰা আৰম্ভ কৰো তোমাৰ কথা
ক'ৰ পৰা আৰম্ভ কৰো তোমাৰ কথা
হে মোৰ প্ৰিয় নাৰী ....

❖❖❖❖❖



# অন্তহীন

✍ গীতাঞ্জলি হাজৰিকা ভূঞা
বিষয় শিক্ষক
বৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়

তৰা ঐ তৰা,
মোলৈ বাৰু তোৰ মনত পৰে নে !
পুৱাতেই হালখন লৈ
পথাৰলৈ মোক যোৱা নেদেখিলে,
তোৰ মুখখনি
খৰালি লুইতৰ দৰে হয়।
এৰা
সেইবোৰ কথা মনত নেপেলাওঁ অ'
তই মোৰ বাবে পুৱাৰ কোমল ৰ'দালি।
অনাঘ্ৰাত গোলাপ পাহিৰ
নিয়ৰ সনা তোৰ গাল দুখন,
ৰ'দত সোণ হালধীয়া হয় ....
তই চাগে পাহৰিলি ....
কিতাপৰ কোনোবা পৃষ্ঠাত দেখা
আগ্ৰাৰ তাজমহলৰ দৰে ...
আমাৰ এটা ঘৰ হোৱা হ'লে ....
উস্ কিমান মধুৰ ...
কিমান সুন্দৰ সেই সপোন!
নিশা আকাশৰ তলত বহি ...
তোক কোলাত লৈ ...
মই কৈছিলো



মৰমেৰে
হ'ব দে তোৰ বাবে মই
সৰগৰ জোন তৰাও থপিয়াই আনিম।
তৰা, ঐ তৰা— মই বৰ অকলশৰীয়া হ'লো অ'
মনত আছেনে যোৱাবাৰ বলিয়া বানে মোক
নিঠৰুৱা কৰাতেই বিচ্ছেদ তোৰে মোৰে-
তৰা, তেতিয়াৰে বৰকৈ পৰিছে মনত
শুনিছো, জাহ গ'ল লুইততে ঘৰ-বাৰী তোৰো!
এফালে প্ৰকৃতিৰ তাণ্ডৱ-
এফালে মানৱতা!
তই বাৰু সহিব পাৰিছনে!
তই শুছি আহ তৰা
মোৰ কাষলে ...
নতুনকৈ যাত্ৰা কৰো-সাকাৰ কৰোঁগে সপোন
যাত্ৰা হ'ব অন্তহীন
কোনেও কেতিয়াও উচ্ছেদ নকৰে-কোনেও নকৰে।

❖❖❖❖❖



# ঐ চাও কা ঐ
# (হে পৰমেশ্বৰ, উপৰিপুৰুষ)

✍ ড° জীৱন কলিতা
সহযোগী অধ্যাপক
নাজিৰা মহাবিদ্যালয়

চাও কা ঐ, তোৰ সেউজীয়া দেও পাহাৰত
আমি ক্লংছেং (মাদলি বা ঢোল) বজাবলৈ আহিছো।
শতিকাৰ শিলনি পানীয়ে তোক উটাই নিব পৰা নাই।
হাতত হেংদান লৈ ৰোপণ কৰা তোৰ
মুন-ডুন্-চুন-খামত আজি ফুলৰ বাগিছা...
জাতিটোৰ ভৰি আজি ক্ষুৰৰ ওপৰত।
ভাষা-ধৰ্ম জলাঞ্জলি দি
একতাৰ ডোলেৰে বন্ধা জনগণ
একতাৰ বোলেৰে গঢ়া জনমন
আজি কিন্তু পথচ্যুত।
কিৰাট-কছাৰী, খাচী-গাৰো-মিৰি আজি নিজ নিজ কক্ষপথত আৱৰ্ত্তিত।
ক্ষুদ্ৰ জাতিসত্তাই কঁপাইছে আমাৰ খিলঞ্জীয়া হৃদয়।
সকলোৰে সুকীয়া স্বাভিমান
সকলোকে ৰাজদণ্ড লাগে চাও কা।
লাগে অটন'মাচ কাউন্সিল
সাত ৰাজ সামৰি এক ৰাজ কৰা তোৰ সোণৰ দেশত
এতিয়া
বিবৰ্ত্তিত সমাজ, পৰিবৰ্ত্তিত মূল্যবোধ।
অস্থিৰ হৃদয়...
উস, মাজনিশা জোনৰ পোহৰত যেন মৈদাম খান্দি
উলিয়াই আনিম গেদীয় শিলৰ দৰে স্তুপিকৃত হৈ থকা

আইৰ হেঁপাহৰ আচলখন।
বেয়া নেপাবা চাওকা,
এটা সাধুকথাৰ দৰেই অন্তৰ্হিত হ'ল আমাৰ সততা।
বিশ্বাসৰ বৰপেৰাত আজি এন. আৰ. চি. আৰু লিগেছী ডাটা।
নেলাগে, নেলাগে আহিব তুমি চাও কা
তুমি আহিব নেলাগে।
তুমি শুই থাকা, শুই থাকা এটা সংকল্প হৈ
চোমদেউক সাৱটি থাকি তুমি আমাৰ সংকল্প হোৱা,
মৰাণ বৰাহী, চুতীয়া কছাৰী সকলো আলিঙ্গনাবদ্ধ হওঁ-
আমাৰ আইনাম-বিয়ানামৰ ঐক্যতানত আলোকিত হওঁক
চৰাই-পৰ্বতত সম্প্ৰীতিৰ কিৰীটি
চাও নু ৰূ চাও কাও ঐ (হে উপৰিপুৰুষ পৰমপিতৃ)
চাও নু ৰূ চাও কাও ঐ
চাও নু ৰূ চাও কাও ঐ

❖❖❖❖❖





# বাস্তৱ

✍ মানিক পাল
প্ৰাক্তন ছাত্ৰ
সোণাৰি বাণিজ্য মহাবিদ্যালয়

ৰাতিপুৱা চাহকাপ হাতত লৈ বাতৰি কাকতখন মেলি ললো। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰকৈ লিখা আছে - 'স্কুলত অঘটন, জুইত জাহ গ'ল মেট্ৰিক পৰীক্ষাৰ বহী, অনিশ্চয়তাৰ গহ্বৰত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত।'

বাতৰিটো পঢ়ি মনটো সেমেকি উঠিল মোৰ। ছাত্ৰ-ছাত্ৰীসকলে কিমান কষ্ট কৰি পঢ়ি সাজু হয় জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰীক্ষাটোলৈ অথচ সেইখিনিকে সুৰক্ষা দিব নোৱাৰে অসমৰ চৰকাৰৰ মন্ত্ৰী-আমোলা তথা শিক্ষা বিভাগটোৱে। নিৰ্বাচনৰ ভোটদানৰ পাছত মন্ত্ৰী-বিধায়কৰ ভাগ্য নিৰ্ণয়কাৰী বেলট বাকচসমূহ নিছিদ্ৰ নিৰাপত্তাৰ মাজেৰে নিয়া হয় আৰু নিছিদ্ৰ নিৰাপত্তাৰ মাজত ৰখা হয় কিন্তু, দেশৰ ভৱিষ্যতৰূপী ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰীক্ষাৰ বহীসমূহ কোনো নিৰাপত্তা নোহোৱাকৈ পেলাই থোৱা হয়। সেইবোৰ কেতিয়াবা গৰুৰ খাদ্যৰূপে পৰিণত হয় আৰু কেতিয়াবা জুইত জাহ গৈ ছাইলৈ পৰিণত হয়। তাৰোপৰি, প্ৰশ্নকাকত বিসংগতি, পৰীক্ষাৰ আগমুহূৰ্তত প্ৰশ্নকাকত ফাদিল হোৱা বোৰতো আছেই। যাৰ ফলাফল ভুগিব লগা হয় কণ কণ ছাত্ৰ-ছাত্ৰীসকলে। কিমান হেতালি খেলিব আৰু এই শিক্ষা বিভাগটোৱে ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ। সকলো কেৱল মুনাফা লুটাত ব্যস্ত। অকল শিক্ষা বিভাগেই নহয় সকলো ফালে কেৱল দুৰ্নীতি আৰু দুৰ্নীতি।

ইফালে আকৌ অসমৰ আপুৰুগীয়া সম্পদ পৃথিৱী বিখ্যাত এশিঙীয়া গড়ৰ সংখ্যাও দিনক দিনে হ্ৰাস পাবলৈ ধৰিছে। বন বিভাগৰ অকৰ্মণ্যতাৰ বাবে ইমানবোৰ বন সুৰক্ষাকৰ্মী থকাৰ পাছতো দিন দুপৰতে বন কৰ্মীৰ নাকৰ তলেৰে চোৰাং চিকাৰীয়ে অবাধে গড় হত্যা কৰি আছে, জীৱন্তে গড়ৰ খৰ্গ কাটি নিছে, হাতী মাৰি হাতীৰ দাঁত লৈ গৈছে, সাৰি যাব পৰা নাই বনৰ ৰজা

বাঘো। চোৰাং চিকাৰীৰ এই অত্যাচাৰত আজি কাজিৰঙাই বিনাইছে তথাপি কাণসাৰ নাই বিভাগীয় কর্তৃপক্ষৰ। সকলো কেৱল নিজৰ স্বাৰ্থ পূৰণত ব্যস্ত। এনেকৈ অবাধে গড় হত্যা হৈ থাকিলে খুউব সোনকালে হয়তো পৃথিৱীৰ পৰা এই আপুৰুগীয়া বস্তুটো নিশ্চিহ্ন হৈ যাব সেইটো খাটাং। আৰু আমাৰ ভৱিষ্যত প্ৰজন্মক গড়ৰ চিনাকী দিবলৈ হ'লে আঙুলিয়াই দিব লাগিব অসম চৰকাৰৰ পৰিবহন নিগম বাছসমূহলৈ, হয়তো তাতেই জিলিকি থাকিব অসম গৌৰৱ গড়ৰ প্ৰতিচ্ছবি। ইফালে ৰাস্তা-ঘাটৰ যি অৱস্থা সেইবোৰ দেখিলে মনত প্ৰশ্নৰ উদয় হয় এয়া গড়কাপ্তানি পথ নে অসম চৰকাৰৰ মীন পালন বিভাগৰ মাছ পোহা ফিচাৰি? এনে লাগে যেন গড়কাপ্তানি বিভাগ আৰু মীন পালন বিভাগে যুটীয়া ভাৱে আৰম্ভ কৰা মীন পালন প্ৰকল্প হে। চাৰিওফালে কেৱল দুৰ্নীতিয়ে গ্ৰাস কৰিছে চৰকাৰখনক, দুৰ্নীতিৰ বাদে সকলো ফালে বিফল হৈছে চৰকাৰ। তাৰোপৰি বানপানী, গৰাখহনীয়া, চুবুৰীয়া ৰাজ্যৰ লগত হোৱা সীমা সমস্যা, অবৈধ বাংলাদেশী অনুপ্ৰৱেশ, হত্যা, ধৰ্ষণ, শিশু নিৰ্যাতন, শিশু শ্ৰমিক, যৌতুকৰ বাবে হোৱা বোৱাৰী হত্যা, বাল্য বিবাহ, চুৰি, ডকাইটি, কৃত্ৰিম বানপানী, নিষিদ্ধ ঘোষিত সংগঠনবোৰৰ বিদ্ৰোহী কৰ্যকলাপ, যুৱ সমাজৰ উশৃংখলতা, মাদক দ্ৰব্যৰ পয়োভৰ আদিৰ দৰে এশ এবুৰি সমস্যাৰে অসম আজি ভাৰাক্ৰান্ত, সময় থাকোতেই এইবোৰ ক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ নকৰিলে আগন্তুক দিনত অসম যে ধ্বংস হব সেয়া নিশ্চিত......

........ৰাস্তাইদি যোৱা চাইকেল এখনৰ টিলিঙাৰ শব্দত মোৰ ভাৱনাৰ য'তি পৰিল। হ'ল, চাহকাপ ইতিমধ্যে ঠাণ্ডা পানীৰ ৰূপ ল'লে। বাকী কাকতখন আৰু পঢ়িবলৈ মন নোযোৱাত জপাই থৈ আমাৰ ৰাহুলৰ কথা চিন্তা কৰিলো, সিও এইবাৰ মেট্ৰিক পৰীক্ষা দিছে, নাজানো কি হয়। তাৰ পাছত অফিচলৈ যাবলৈ সাজু হ'বলৈ ধৰিলো, কিন্তু মনটো কিবা খেলি মেলি লগাত অফিচ নোযোৱাৰ সিদ্ধান্ত ললো। শ্ৰীমতী ইতিমধ্যে অফিচলৈ বুলি ওলালেই, লগত আমাৰ নিজৰ ল'ৰা দ্বীপেনকো স্কুললৈ লৈ গ'ল, সি এইবাৰ নৱম শ্ৰেণীৰ ছাত্ৰ। আৰু যাওঁতে কৈ গ'ল আজি এবেলা কাম কৰি গুচি আহিব বুলি।

পৰীক্ষাৰ বহ্নী জ্বলি যোৱাৰ পাছত পুনৰ পৰীক্ষা হ'ল কিছু কিছু ঠাইত। তাৰ পাছত সকলোৰে অপেক্ষা ফলাফললৈ। কিন্তু তাৰ মাজতে ব'হাগ বিহুৰ সমান্তৰালভাৱে বিধানসভা নিৰ্বাচনৰ দিনো চমু চাপি আহিবলৈ ধৰিলে, নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিহু উচাহক চেৰ পেলাই সকলো নিৰ্বাচনত



ব্যস্ত হৈ পৰিল। মন্ত্ৰী-বিধায়ক, নেতা-পালিনেতা, দলীয়কৰ্মী-সাধাৰণ ৰাইজ। পাচঁবছৰে ৰাইজে যাৰ ছাঁটোকে দেখা নাছিল, ৰাইজৰ সুবিধা-অসুবিধা, সমস্যাৰ খবৰ লবলৈ যিজনৰ আহৰি নাছিল, পাচঁবছৰ আগতে দিয়া প্ৰতিশ্ৰুতিবোৰ যিজনে পুৰা কৰিব নোৱাৰিলে, সেইজনে এতিয়া ৰাইজৰ পদুলিয়ে পদূলিয়ে ঘূৰি ভোট ভিক্ষা কৰিছে, সভা পাতি পুনৰ নতুন প্ৰতিশ্ৰুতিৰে ৰাইজৰ মন মুহিবলৈ চেষ্টা কৰিছে, বিৰোধীৰ সমালোচনাৰে মঞ্চ কঁপাই তুলিছে। মুঠতে সকলো ফালে মাথো ব্যস্ততা। অসমত এইবাৰ বৰদৈচিলাৰ সলনি বলিব ধৰিছে পৰিবৰ্তনৰ বতাহ, কুলি-কেতেকীৰ সলনি আকাশত উৰিব ধৰিলে মন্ত্ৰী-নেতাৰ হেলিকপ্টাৰ, কুলি চৰাইৰ প্ৰব্ৰজনৰ দৰে কেন্দ্ৰীৰ নেতা-পালিনেতাৰ সোঁত ববলৈ ধৰিলে অসমলৈ। নিৰ্বাচনী সভাৰ লাউড স্পিকাৰৰ তীব্ৰ শব্দত তল ৰ'ল পৰি কুলি-কেতেকীৰ শুৱলা মাত, মুঠতে নিৰ্বাচনী ব্যস্ততাই বাৰুকৈয়ে তল পেলালে ৰঙালী বিহুৰ উচাহ।

চাওঁতে চাওঁতে নিৰ্বাচন পাৰ হ'ল, ফলাফলো ওলাল। পৰিবৰ্তনৰ বতাহে ধুমুহাৰ ৰূপ লৈ আগৰ চৰকাৰ খনক উফৰাই এখন নতুন চৰকাৰ গঠন কৰিলে। আগন্তুক দিনত এইখন চৰকাৰে ৰাইজৰ আশা আকাংক্ষা কিমানদুৰ সফল কৰিব পাৰে সেয়া সময়েহে কব। এনেকৈয়ে সময়বোৰ পাৰ হৈ গল আৰু আজি তিনি মে' পৰীক্ষাৰ ফলাফলৰ দিন। ৰাহুল ওলাই গৈছে পৰীক্ষাৰ ৰিজাল্ট আনিবলৈ, মোৰো মনটো উচ্‌পিচ কৰি আছে সি কেতিয়া আহি পায় আৰু মই ভাল খবৰটো পাওঁ।

ৰাহুল আমাৰ নিজৰ ল'ৰা নহয। আজি প্ৰায় সাতবছৰমান আগতে তাক আমাৰ ঘৰলৈ আনিছিলো, তেতিয়া তাৰ বয়স প্ৰায় ১০-১১ বছৰ আছিল সেয়া ২০০৯ চনৰ কথা, সিদিনা আছিল ৪ মে' তাৰিখ........!

......অফিচত আজি ইমান কাম, যোৱা তিনিদিনৰ পৰা বহু কাম পৰি আছে শুক্ৰবাৰে শ্ৰমিক দিৱসৰ বাবে অফিচ বন্ধ, শনিবাৰেও এবেলা কাম। তাৰ পাছত আকৌ দেওবাৰ বাবে অফিচ বন্ধ যাৰ ফলত বহু কাম জমা হৈ আছে। ৰাতি পুৱা আনদিনাতকৈ সোনকালে অফিচত সোমাই কাম আৰম্ভ কৰিছো আৰু এতিয়া প্ৰায় এটা বাজিবৰ হৈছে অথচ আধা অংশ কামো শেষ হোৱা নাই। চাহ একাপৰ বৰ প্ৰয়োজন অনুভৱ কৰাত অফিচৰ পিয়নটোক চিঞৰিলো চাহ একাপৰ কথা ক'ম বুলি, কিন্তু সিও নাই কৰবালৈ ওলাই গৈছে কিবা কামত। উপায় নথকাত ফাইলকেইটা জপাই ড্ৰয়াৰটো তলা মাৰি নিজেই ওলাই

গ'লো ওচৰতে থকা হোটেলখনলৈ। এজন অনা-অসমীয়া মানুহৰ হোটেল। মই চকী এখন টানি লৈ বহাৰ লগে লগে সৰু ল'ৰা এটাই চাহ একাপ লৈ আহিল। ল'ৰাজনৰ বয়স খুউব সম্ভৱ ১০-১১ বছৰমান হ'ব, আজি কিছু দিনৰ আগতে আহিছে প্ৰায় দুমাহমান হ'ব। প্ৰথম কেইদিন মই চাহ আনিব কোৱাতহে চাহ আনিছিল কিন্তু এতিয়া মই যোৱাৰ লগে লগে চাহ আনি দিয়ে সেইবাবে বৰ মৰম লাগে, গতিকে হোটেলৰ মালিকে বাধা দিয়া স্বত্বেও কেতিয়াবা চিপছ্, চকলেট আদি কিনি দিওঁ। চাহকাপ দি যোৱাৰ পাছত ময়ো মালিকৰ লগত দুই এটা কথা পাতি চাহকাপ খাই থাকোঁত এখন বিলাসী গাড়ী হোটেলৰ মুখতে ৰাখি মানুহ দুজন হোটেলখনলৈ সোমাই আহিল, দেখাত বেচ ভদ্ৰলোক যেন লাগিল আৰু তাৰে এজনক কৰবাত দেখা যেন ও লাগিল। ভালকৈ মনত পেলোৱাত মনত পৰিল যোৱা ৰ তাৰিখে শ্ৰমিক দিৱস উপলক্ষে শিশু নিৰ্যাতন আৰু শিশু শ্ৰমৰ বিৰোধিতাৰ ওপৰত অনুষ্ঠিত হোৱা এখন সজাগতা সভাত বলিষ্ঠ কণ্ঠৰে শিশু শ্ৰম আৰু শিশু নিৰ্যাতন বন্ধ কৰাত ৰাইজৰ ভুমিকা সম্পৰ্কে ভাষণ প্ৰদান কৰিছিল। মানুহকেইজনক লগ পোৱাত মই ভাবিলো তেওঁলোকৰ লগত চিনাকী হৈ এই হোটেলত শিশু শ্ৰমিক হিচাপে নিয়োগ হৈ থকা ল'ৰাটোৰ বিষয়ে কিছু কথা পাতিম। তেওঁলোকে চকীত বহি লৈ সেই ল'ৰাজনক উদ্দেশ্যি চিঞৰিলে "ঐ পোৱালী চাহ দুকাপ লৈ আহ" (যেন তাৰ কোনো নাম নাই, সি যেন এটা জন্তুৰ পোৱালী। নাম নাজানিলে ভাইটী বুলিতো মাতিব পাৰে।) ল'ৰাজনে দুহাতে দুকাপ চাহ লৈ আহি তেওঁলোকক দিবলৈ লওঁতেই হোটেলখনলৈ হুৰ-মূৰকৈ সোমাই অহা যুৱক এজনৰ খুন্দাত হাতত থকা চাহ কাপ মানুহজনৰ গাত পৰিলগৈ আৰু মানুহজনে একো চিন্তা নকৰাকৈ অতৰ্কিতে ল'ৰাজনৰ গালত এটা পূৰ্ণহতীয়া চৰ সোধাই দিলে। এফালে যুৱকজনৰ খুন্দাত থৰক্ বৰক হোৱা ল'ৰাজনে নিজকে স্থিৰ কৰাৰ আগমুহূৰ্ততে তাৰ গালত পৰা পূৰ্ণহতীয়া চৰৰ কোবত সি কাৰ্ফাল খাই পৰি গ'ল। কেনে মানুহ এইজন ! অলপো দয়া-মমতা নাই অথচ সেইজন মানুহেই আজি দুদিনমানৰ আগতে ৰাইজৰ সন্মুখত মঞ্চত উঠি শিশু শ্ৰম আৰু শিশু নিৰ্যাতন বন্ধ কৰাৰ ওপৰত বৰ বৰ ভাষণ দি ৰাইজৰ বাহঃ বাহঃ লৈছিল, আৰু আজি ল'ৰাজনৰ কোনো দোষ নথকা স্বত্বেও ল'ৰাজনক মাৰিবলৈ কুণ্ঠাবোধ নকৰিলে, এইয়া জানো নিৰ্যাতন নহয় ? শিশু শ্ৰম বন্ধ কৰাৰ পোষকতা কৰা এজন জ্ঞানী মানুহ তেওঁ অথচ তেওঁৰ চকুত কিয় পৰা নাই এইজন যে এজন শিশু শ্ৰমিক। কেৱল সভা-



সমিতিয়ে বৰ বৰ ভাষণ দি ৰাইজৰ বাহঃ বাহঃ লোৱাই তেওঁলোকৰ কৰ্তব্য নে কেৱল সভা-সমিতিয়ে বৰ বৰ ভাষণ দিলেই সকলো সমস্যাৰ সমাধান হ'ব। মানুহজনে ল'ৰাজনক আকৌ মাৰিবলৈ উঠি যোৱা দেখি মই বাধা দিলো। হ'ব পাৰে তেওঁ কোনোবা ডাঙৰ বিষয়া কিন্তু চকুৰ আগত এনে অন্যায় মই সহ্য কৰিব নোৱাৰো। মোক দেখি হোটেলখনত থকা আন দুজনমান যুৱক আৰু বয়োজ্যেষ্ঠ লোক আগবাঢ়ি আহি তেওঁক বাধা দিলে। কিন্তু আগত কোনো আগবাঢ়ি অহা নাছিল। ময়ো মানুহজনক আৰু বিশেষ একো নকলো কাৰণ ভদ্ৰ লোকৰ মুখৰ মুখা পিন্ধা সমাজৰ এনেচাম ঠেক মনৰ ব্যক্তিৰ লগত কথা পাতি বা তৰ্ক কৰি একো লাভ নাই। সেয়ে মই তেওঁলোকক বাদ দি ল'ৰা জনক তুলিবলৈ আগবাঢ়ি গ'লো, ল'ৰাজনৰ কপালৰ পৰা তেজ ওলাই আছে। পৰি যাওঁতে সম্ভৱ টেবুলৰ চুকত লাগি হয়তো অলপ ফাটিছে। মই লগে লগে তাক ওচৰত থকা ফামাৰ্চীখনলৈ নি বেণ্ডেজ কৰাই দৰৱ পাতি কিনি দি হোটেলখনত থৈ মালিকক সুধিলো। "আপুনি কিয় মনে মনে আছিল ? কিয় মানুজনক একো কোৱা নাছিল ?" কিন্তু মালিকজনে ডাং খাই উঠি ল'ৰাজনৰহে দোষ বুলি ক'লে। ইফালে মই হুৰ-মূৰকৈ সোমাই অহা যুৱক জনক বিচাৰি দেখো সি নাই কেতিয়াবাই পলাই পত্ৰং দিলে। মই মালিকক ক'লো ইমান সৰু ল'ৰাটোক কিয় কামত ৰাখিছে তাৰোপৰি শ্ৰমিকক যদি সুৰক্ষা দিব নোৱাৰে তেন্তে শ্ৰমিক নৰখাই ভাল। সামান্য বেতনৰ বিনিময়ত সৰু ল'ৰাক কামত খটাব পাৰি বুলি আপোনালোকে কেৱল সৰু ল'ৰাহে বিচাৰে, ডাঙৰ মানুহ ৰাখিব নিবিচাৰে। কিছুমান মাক-দেউতাকে সন্তান জন্ম দি দাৰিদ্ৰতাৰ বাবে পোহপাল দিব নোৱাৰি পঢ়া-শুনা আধাতে সামৰাই বা নকৰোৱাই ভৱিষ্যতৰ অন্ধকাৰ পথলৈ ঠেলি দি খেলা-ধূলা কৰা, পখিলা খেদি ফুৰা বয়সতে কামত নিয়োগ কৰাই দিয়ে। বাৰু এই ল'ৰাজনক ইয়াত কামত কোনে কামত লগাই গৈছে। মালিকে ক'লে - "তাৰ দেউতাকে"। মই মালিকক তাৰ দেউতাকক মতাই আনিব ক'লো কালিৰ ভিতৰতে ন'হলে শিশু শ্ৰমিক ৰখাৰ অপৰাধত আৰু অস্বাস্থ্যকৰ-কদৰ্য্যময় পৰিবেশত হোটেল চলোৱাৰ বাবে কালি আপোনাৰ হোটেলত তলা ওলমাই দিম। আৰু এটা কথা ইয়াক মাহিলী বেতন কিমান দিয়ে। তেওঁ ক'লে ছশ টকা। মই কলো ঠিক আছে কালিলৈ তাৰ দেউতাকক মতাৰ ব্যৱস্থা কৰক আৰু আহিলে মোক মাতি দিব বুলি কৈ মোৰ ম'বাইল নম্বৰটো দি আহিলো।

পিছদিনা মানুহজন অহাৰ পাছত হোটেলৰ মালিকে মোক মাতিলে,

মই গৈ দেখো এজন বিকলাংগ মানুহ বহি আছে হোটেলখনত। মই গৈ পোৱাত মালিকজনে ক'লে সেই বিকলাংগ মানুহজনেই তাৰ দেউতাক। মই তেওঁৰ লগত কথা পাতিলো, মানুহজনৰ নাম ঘনকান্ত বৰুৱা, তেওঁৰ দুখলগা কথাবোৰ শুনি মোৰ বুকুটো বিষাই গ'ল, কেনেকৈ বাৰু এজন মানুহে ইমান দুখ-কষ্ট সহ্য কৰিব পাৰে? আগতে মানুহজনৰ ঘৰ অসম-অৰুণাচল সীমান্তত আছিল। কিন্তু নগাই বলপূৰ্বকভাৱে তেওঁলোকৰ মাটি দখল কৰি তেওঁলোকক তাৰ পৰা খেদি পঠায়। (অকল তেওঁয়েই নহয় তেওঁৰ আৰু কিমান পৰিয়ালে নগাৰ আগ্ৰাসনৰ বলি হৈ নিজৰ মৰমৰ, হেপাঁহৰ ঘৰখন এৰি ভাৰা ঘৰ সলাই সলাই জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে তাৰ কোনো হিচাপ নাই।) যাৰ ফলত তেওঁলোকে উপায়হীন হৈ খেতিমাটি ডৰাৰ একাষে এটা সৰু জুপুৰি সাজি খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰিছিল, ঘৈনীয়েকেও মানুহৰ ঘৰত কাম-বন কৰি সংসাৰ চলোৱাৰ উপৰিও ল'ৰা দুটা আৰু ছোৱালীজনীক পঢ়ুৱাইছিল। কিন্তু প্ৰকৃতিৰ নিৰ্মম প্ৰহাৰ কোনে সহ্য কৰিব পাৰে, প্ৰকৃতিয়ে যেতিয়া কালৰূপ লয় তাক বাধা দিয়া ক্ষমতা কাৰ আছে। বিধিয়ে দিলেও বিধাতাই নিদিয়াৰ দৰে প্ৰকৃতিৰ ৰোষত পৰি তেওঁলোকৰ একমাত্ৰ জীৱিকাৰ সম্বল খেতিমাটি ডৰাও নদীৰ বুকুত জাহ গ'ল। কেৱল মাত্ৰ ঘৰৰ ভেটি আৰু পাচলি বাৰীখনৰ বাদে সকলো উটুৱাই লৈ গ'ল বাৰিষাৰ বলিয়া বানে। জীৱিকাৰ একমাত্ৰ সম্বল খেতিমাটি ডৰাও গৰাখহনীয়াৰ ফলত হেৰুৱাব লগা হোৱাত তেওঁলোকৰ চকু পানীৰে বাট নেদেখা হ'ল সেয়ে জীয়াই থকাৰ তাড়নাত ডাঙৰ ল'ৰাজনক পঢ়া এৰুৱাই দোকান এখনত কামত লগাই দিলে আৰু মানুহজনেও নগালেগুলৈ কাম বিচাৰি ওলাই গ'ল। তাত তেওঁ অলপ দিন শিল কঢ়িওৱা ট্ৰাক এখনত কাম কৰিবলৈ ল'লে। অলপ দিন কাম কৰাৰ পাছত হঠাৎ হোৱা দুৰ্ঘটনাত তেওঁ নিজৰ বাওঁভৰিখন হেৰুৱাব লগা হ'ল। এদিনাখন ট্ৰাকত ডাঙৰ ডাঙৰ শিল তুলি থকাৰ সময়ত হঠাৎ ডাঙৰ শিল এটা বাগৰি আহি তেওঁৰ ভৰিত খুন্দা মাৰে ফলত ভৰি বেয়াকৈ থেতেলা খায় যাৰ বাবে তেওঁৰ ভৰিখন কাটি পেলাবলগীয়া হয়। তেওঁৰ ঘৈনীয়েকেও বৰ্তমান আগৰ দৰে কাম বন কৰিব নোৱাৰা হৈছে গতিকে উপায় নাপাই অনিচ্ছা স্বত্বেও সৰু ল'ৰাটোক কামত নিয়োগ কৰিবলগা হৈছে, ছোৱালীজনী বৰ্তমান দ্বিতীয় শ্ৰেণীত পঢ়ি আছে। তেওঁৰ দুখ লগা কাহিনীবোৰ শুনি মোৰ মনটো সেমেকি উঠিল। মানুহজনক ক'লো ল'ৰাটোক মই আমাৰ ঘৰলৈ লৈ যাম। ইয়াত কাম কৰিলে আপুনি মাহে



ছশ টকা পাব সেই টকাৰে আপোনাৰ সংসাৰ চলোৱাত কিছু সহায় হ'ব মই জানো কিন্তু তাৰ যে ভৱিষ্যত অন্ধকাৰ। গতিকে মই তাক আমাৰ ঘৰলৈ লৈ গ'লে যাতে অসুবিধা নহয় তাৰ বাবে মই আপোনাক মাহে টকা পোন্ধৰশ দি পঠাম কিন্তু আপুনি এইটো নাভাবিব যে মই তাক কাম কৰাৰব বাবে লৈ গৈছো আৰু তাৰ বিনিময়ত আপোনাক টকা পোন্ধৰশ দিছো। সি আমাৰ ঘৰত থাকি পঢ়া-শুনা কৰিব, যিমানলৈকে পাৰো মই ইয়াক পঢ়ুৱাম অমাৰ ঘৰত থাকিলে আমাৰ ল'ৰাটোৰো খেলা-ধুলা কৰাৰ লগ এটা হ'ব।

মোৰ কথা শুনি মানুহজনে কিছু সময় কিবা চিন্তা কৰাৰ দৰে থাকি তাৰ পাছত ক'লে মই আপোনাক কিদৰে ধন্যবাদ জনাওঁ। এজন সাধাৰণ অচিনাকী মানুহৰ ল'ৰা এটাক নিজৰ ল'ৰাৰ দৰে আকোঁৱালি লৈ পঢ়া-শুনাৰ সম্পূৰ্ণ দায়িত্ব লৈছে। আপুনি এনে এটা মহৎ কাম কৰিব লৈছে তাত বাৰু মই কেনেকৈ অমান্তি হওঁ, আজিৰ পৰা ই আপোনাৰে ল'ৰা। মই ল'ৰাজনক মাতি সুধিলো মোৰ লগত আমাৰ ঘৰলৈ যাবানে, আমাৰ ঘৰত থাকি পঢ়া-শুনা কৰিবানে? মোৰ কথা শুনি ল'ৰাজন একেষাৰে মান্তি হ'ল। গতিকে মই তাৰ দেউতাকক ক'লো আপুনি এটা কাম কৰিব ল'ৰাজনৰ চতুৰ্থ শ্ৰেণী পাছ কৰা ছাৰ্টিফিকেটখন স্কুলৰ পৰা আনি থব আৰু হোটেলৰ মালিকৰ লগত হিচাপ-নিকাচ কৰি কি পাব লগা আছে লৈ ল'ৰাজনক লৈ ঘৰলৈ যাওঁক। মই দেওবাৰে আপোনাৰ ঘৰলৈ গৈ আপোনালোক গাঁৱৰ কেইজনমান মুখিয়াল বয়োজ্যেষ্ঠ মানুহৰ উপস্থিতিত ল'ৰাজনক আপোনাৰ ঘৰৰ পৰা লৈ আহিম। এইবুলি কৈ তেওঁক ঘৰলৈ যাবৰ কাৰণে বাচৰ ভাৰা দি তেওঁৰ পৰা বিদায় ললো।

দেওবাৰে পুৱাই মই শ্ৰীমতী আৰু আমাৰ ল'ৰাটোক লগত লৈ তেওঁৰ ঘৰ ওলালোগৈ। গাঁৱৰ বোকাময় কেঁচা ৰাস্তা-পদূলি। কোনোমতেহে মই গাড়ীখন চলাই যাব পাৰিলো। আমি গৈ পোৱাত মানুহজনে আমাক দেখি আথে-বেথে নি ভিতৰত বহুৱালে। ঘৰখনৰ অৱস্থা তেনেই বেয়া, মাত্ৰ দুটা ৰূম আৰু এটা পাকঘৰ। পাকঘৰ মানে বাৰাণ্ডাৰ চালিখনতে সৰু এটা পাকঘৰ। ঘৰখনৰ অৱস্থা দেখি সঁচাই বৰ দুখ লাগিল। মানুহজনী ভিতৰত বিছনাখনত পৰি আছিল। আমি অহা গম পাই কোনোমতে লাহে লাহে বিছনাৰ পৰা উঠিআহি আমাৰ কাষত বহিলেহি। তেওঁলোকৰ লগত অলপ আলোচনা কৰাৰ পাছত মানুহজনীয়ে চাহ বনাবলৈ উঠি যাব লওঁতে আমি বাধা দি কলো নালাগে চাহ বনাব মিছাতে কিয় কষ্টখন কৰিব লাগে! কিন্তু তেওঁ নামানিলে আৰু আমাৰ

বাধাৰ স্বত্বেও উঠি গ'ল চাহ বনাবলৈ আৰু মানুহজনো ওলাই গ'ল গাঁৱৰ কেইজন মুখিয়াল মানুহক মাতিবলৈ। আমিও তেনেদৰে কিছু সময় বহি থাকিলো আৰু আমাৰ দ্বীপেনেও তাক লগ পাই তাৰ লগত বাহিৰলৈ ওলাই গৈ খেলাত ব্যস্থ হৈ গ'ল। আমি ওলাই আহি তাক দেখিলো দুয়ো একেলগে খেলাত মগ্ন যেন দুয়ো যেন একে ককাই-ভাই। এনেতে মানুহজনীয়ে ভিতৰলৈ চাহ খাবলৈ মাতিলে। কাটা বিস্কুটৰ সৈতে চাহ দুকাপ আনি আমাক দিলে আৰু ল'ৰাটোৰ বাবে গাখীৰ এগিলাছ। আমি চাহ খাই শেষ কৰো মানে মানুহজনেও চাৰিজনমান গাঁৱৰ বয়োজ্যেষ্ঠ মানুহ লগত লৈ আহি পালেহি। আমি তেওঁলোকৰ লগত আলোচনা কৰিব ধৰিলো আৰু ল'ৰা জনক সাজু হ'বলৈ ক'লো। তেওঁলোকৰ লগত আলোচনা কৰি ল'ৰাজনক চমজি লৈ সন্ধিয়াৰ আগে আগে আমি তাৰ পৰা উভতি আহিলো। আহোতে জোৰকৈ মানুজনৰ হাতত টকা দুহেজাৰমান দি আহিলো মানুহজনীক চিকিৎসা কৰাবৰ বাবে। বাটত বজাৰত সোমাই ল'ৰাজনৰ বাবে কেইযোৰমান ছাৰ্ট-পেন্ট, জোতা-চেণ্ডেল, স্কুলবেগ আৰু প্ৰয়োজনীয় কিছু বস্তু আৰু অলপ মাংস লৈ ঘৰমুৱা হলো।

পাছদিনা আমাৰ কাষত থকা এম.ই. স্কুলখনত তাৰ নাম লগাই দিবলৈ স্কুলৰ প্ৰধান শিক্ষকক লগ ধৰিলো। কিন্তু তেতিয়ালৈকে চাৰিমাহ অতিক্ৰম কৰাৰ বাবে এই বছৰ তাৰ নাম ভৰ্ত্তি কৰিব নোৱাৰিব অহাবছৰলৈ ৰ'ব লাগিব বুলি প্ৰধান শিক্ষকে অমাক জনালে লগতে এইবুলিও ক'লে যে সি যদি আহিব বিছাৰে আহিব পাৰে। ঘৰত এনেই থকাতকৈ কিছু শিক্ষা গ্ৰহণ কৰিব পাৰিব তেন্তে অহা বছৰলৈ তাৰ কিছু সুবিধা হব। কথাটোত ময়ো সন্মতি দিলো, ভালেই হ'ব অন্তত তাৰ পঢ়া ধাউতিটো কমি নাযাব। এবছৰ ঘৰত এনেই বহি থাকিলে তাৰ পঢ়াৰ ধাউতিটো হয়তু কমি যাবও পাৰে।

এবছৰ পাৰ হোৱাৰ পাছত তাক নাম ভৰ্ত্তি কৰি দিলো আৰু পঢ়াৰ ক্ষেত্ৰত সকলো সুবিধা কৰি দিলো, সিও খুউব মন দি পঢ়া-শুনা কৰিব ধৰিলে। লাহে লাহে সি আমাৰ নিজৰ দৰে হৈ পৰিল। নিজৰ দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰিব ধৰিলে সময়ত পঢ়া-শুনা কৰা, ঘৰুৱা দুই এটা কামত সহায় কৰি দিয়া সৰু-সুৰা দুই এটা বজাৰ কৰি দিয়া, আজৰি সময়ত খেলা-ধুলা কৰা, মোৰ ল'ৰাটোৰ পঢ়াৰ ক্ষেত্ৰত সহায় কৰি দিয়া আদি তাৰ নৈমিত্তিক কৰ্ম হৈ পৰিল। আমিও তাক কোনো দিনে পৰ বুলি অনুভৱ কৰিব দিয়া নাই। পঢ়া-শুনা আদি কৰি সকলো দিশতে কোনো দিনে কৃপনালী কৰা নাই। নিজৰ ল'ৰাক যেনেদৰে



দিছো তেনেদৰে তাকো সকলোখিনি দিছো। তাৰোপৰি মানুজনক দিয়া প্ৰতিশ্ৰুতি মতে মাহে পোন্ধৰশ টকা দি পঠাওঁ বা কেতিয়াবা তেওঁ নিজে আহি লৈ যায়। লগতে ঘৰখনো অলপ মেৰামতি কৰাই দিলো।

লাহে লাহে সি নৱম শ্ৰেণী পালে। সেই সময়তে এদিন তেওঁ পুৱাই আহি মানুহজনী ঢুকুৱাৰ খবৰ দিলে। মই লগে লগে অফিচত ফোন কৰি ছুটি লৈ ল'ৰাজনক লগত লৈ তেওঁলোকৰ ঘৰ পালোগৈ। গৈ পাই দাহ-সংকাৰকে আদি কৰি কাম সমাপ্ত কৰি ল'ৰাজন কেইদিনমানৰ কাৰণে তাতে থৈ শ্ৰাদ্ধ কামৰ বাবে টকা দহহেজাৰ দি শ্ৰাদ্ধত আহিম বুলি কৈ তাৰ পৰা গুচি আহিলো।

শ্ৰাদ্ধৰ দিনা আমি তিনিও গ'লো। শ্ৰাদ্ধ কাম-কাজ সম্পূৰ্ণ শেষ কৰাৰ পাছত ল'ৰাজনক ওলাবলৈ ক'লো কিন্তু ল'ৰাজন কিছু দিন থাকিম বুলি কোৱাত আমিও জোৰ নকৰি গুচি আহিলো। এসপ্তাহমানৰ পাছত এদিন দেউতাকে আহি ল'ৰাজনক দি গ'ল। তেওঁ আহি আমাক ক'লে "আপুনি আমাৰ কাৰণে বহু কৰিলে ল'ৰাজনক পঢ়োৱাৰ দায়িত্ব লোৱাৰ উপৰিও সকলো ক্ষেত্ৰতে আমাক বহু সহায় কৰিলে, আপোনাৰ কৃপাতে ছোৱালীজনীও এইবাৰ সপ্তম শ্ৰেণী পালে। ডাঙৰ ল'ৰাটোৱেই এখন সৰুকৈ দোকান খুলিব পৰা হ'ল। ইনকামো আগতকৈ ভাল হৈছে গতিকে এতিয়াৰ পৰা আপুনি আমাক মাহে মাহে দিয়া টকাকেইটা দিব নালাগে যিহেতু ল'ৰাজনে দোকানখন দিছে তাৰ পৰাই পোৱা টকাৰেই আমি সুন্দৰকৈ চলিব পাৰিম। আপুনি আমাৰ কাৰণে যিখিনি কৰিলে সেয়া আমাৰ বাবে যথেষ্ঠ, আপোনাৰ এই উপকাৰ আমি কেতিয়াও পাহৰিব নোৱাৰিম। আপোনাৰ ওচৰত আমি সদায় চিৰকৃতজ্ঞ।" মই কলো ঠিক আছে আপুনি যেতিয়া কৈছে তাকেই হওঁক তথাপিও যদি কেতিয়াবা কিবা অসুবিধা হয় মোক জনাব।

.....এনেতে বাহিৰত গাড়ীৰ শব্দ শুনি মোৰ ভাৱনাৰ যতি পৰিল। বাহিৰলৈ ওলাই গৈ দেখো ৰাহুল উধাতু খাই আহিছে পিছে পিছে ৰাহুলৰ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু দুজনমান নিউজ চেনেলৰ ৰিপৰ্টাৰ। ৰাহুলে দৌৰি আহি মোৰ ভৰিত উবুৰি খাই পৰিল মই লগে লগে তাক তুলি সাৱটি ধৰিলো, স্কুলৰ শিক্ষক এজনে আহি মোক অভিনন্দন জনালে আৰু ক'লে ৰাহুলে ছটা বিষয়তে লেটাৰ মাৰ্কি সহ উত্তীৰ্ণ হৈছে আৰু সেয়াই নহয় ৰাহুল অঞ্চলটোৰ ভিতৰতো শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হৈছে। কথাষাৰ শুনি মোৰ আনন্দত চকুপানী ওলাই আহিল। যিজন ল'ৰা আজিৰ পৰা সাত বছৰমান আগত অৰ্থৰ অভাৱত

পৰি আনৰ হোটেলত বাচন ধুব লগা হৈছিল আজি সেইজন ল'ৰাই নিজৰ দেউতাকৰ, গাওঁখনৰ লগতে মোৰো নাম উজ্জ্বলাবলৈ সক্ষম হৈছে। মই তাক দিয়া সুযোগ-সুবিধাৰ সম্পূৰ্ণখিনি আজি মোক সুদে-মূলে উভতাই দিছে, আজি সি প্ৰমাণ কৰি দেখুৱালে যে মই তাক তুলি পঢ়া-শুনা কৰোৱাই একো ভুল কৰা নাই। মই লগে লগে শ্ৰীমতী ফোন কৰি সোনকালে আহিবলৈ ক'লো আৰু আহোতে অলপ মিঠাই লৈ আহিবলৈ ক'লো।

শ্ৰীমতী আহি পোৱাত চাহপৰ্ব আৰম্ভ হ'ল, চাহপৰ্ব চলি থকাৰ মাজে মাজে সাংবাদিকে কৰা দুই এটা প্ৰশ্ন উত্তৰ দি গ'লো আমি। ইতিমধ্যে চাহপৰ্বও শেষ হ'ল, শিক্ষক সকলো গ'ল আৰু সাংবাদিকেও আমাৰ সাক্ষাৎকাৰ লৈ ঘৰা-ঘৰি গ'ল। তাৰ পাছত শ্ৰীমতীক ভাত ৰান্ধিব কৈ মই বজাৰলৈ ওলাই গ'লো। বজাৰৰ পৰা আহি ভাত-পানী খাই টিভিটো অন কৰিলো নিউজ চাওঁ বুলি। টিভিটো অন কৰাৰ লগে লগে দেখো কেৱল মেট্ৰীক পৰীক্ষাৰ ফলাফলৰ কথাই দেখুৱাই আছে তাৰ মাজতে অথনি সাংবাদিকে লৈ যোৱা আমাৰ সাক্ষাৎকাৰ খিনিও দেখুৱালে। হঠাৎ ব্ৰেকিং নিউজৰ ঠাইত ভাহিঁ উঠা কেইটামান শব্দত মোৰ চকু থৰ হৈ গ'ল। তাত লিখা আছিল উদণ্ড যুৱকৰ তীব্ৰবেগী বাইকৰ খুন্দাত গুৰুতৰভাৱে আহত এজন বিকলাংগ ব্যক্তি। এম্বুলেন্স আহিবলৈ পলম হোৱাত অ'টোৰে চিকিৎসালয়লৈ নিয়া হ'ল আহত ব্যক্তি গৰাকীক, ফোন কৰাৰ পাছতো বহু পলমকৈ ঘটনাস্থলীত উপস্থিত হোৱা এম্বুলেন্সৰ চালক আৰু কৰ্মীক ঘেৰাও কৰে উত্তেজিত ৰাইজে। ঘটনা সংঘটিত কৰিয়েই তীব্ৰবেগে পলায়ন বাইক চালকৰ। বাতৰিটো চাই মই ভাবিব ধৰিলো আজি-কালি এই উঠি অহা ল'ৰাবোৰে গুৰু-গোসাঁই নমনা হৈছে। বাপেকৰ টকাৰে এখন লাখটকীয়া অত্যাধুনিক বাইক কিনি হকে-বিহকে চলাই অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি কৰে। আৰু উচ্চহাৰৰ দৰমহা পোৱা মাক-দেউতাকেও পুতেকৰ দাবী মতে একো কথা বিবেচনা নকৰাকৈ এখন লাখটকীয়া অত্যাধুনিক বাইক কিনি দিয়ে তাকে দেখি মধ্যবিত্ত পৰিয়ালৰ ল'ৰাবোৰেও সিহঁতৰ লগত ফেৰ মাৰিব পৰাকৈ এখন বাইক বিচাৰি মাক-দেউতাকক হাৰাশাস্তি কৰে। যাৰ ফলত উপায়হীন মাটি-বাৰী বন্ধকত থৈ বা বেচি পুতেকৰ দাবী অনুসৰি এখন বাইক কিনি দিবলৈ বাধ্য হয়। তাৰ পাছতে আৰম্ভ হয় তেওঁলোকৰ গতিৰ প্ৰতিযোগিতা, ব্যস্ত ৰাজপথৰ মাজেৰে তীব্ৰ শব্দ কৰি বিজুলী বেগেৰে কেৱল ইমূৰৰ পৰা সিমূৰলৈ বাইক চলাই ফুৰে। সিহঁতৰ বাবে সেয়া যেন এক ব্যস্ত ৰাজপথ নহয়



এক বাইক ৰেচিং ট্ৰেক হে তাৰোপৰি বন্ধুসকলৰ মাজত নিজকে [illegible] কৰিবলৈ কৰা ষ্টান্ট বোৰতো আছেই যাৰ ফল ভোগ কৰিব লগা হে সাধাৰণ পথচাৰী সকল। তেনেকৈ বাইক চলোৱাৰ বাবে প্ৰতিদিনে কিমান যে দুৰ্ঘটনা হৈছে তাৰ হিচাপ জানো কাৰোবাৰ ওচৰত আছে কিমান মানুহ প্ৰতিদিনে আহত বা নিহত সেই কথাত জানো কোনোবাই গুৰুত্ব দিছে। তেনে দুৰ্ঘটনাত যে কেৱল পথচাৰীয়েই নহয় সেই যুৱক বোৰৰ ভিতৰতো কিমান আহত হৈছে অথবা কেতিয়াবা কেতিয়াবা নিহতো হ'বলগীয়া হৈছে। তথাপি জানো অভিভাৱকবোৰে সেই কথা চিন্তা কৰে। যেতিয়া নিজৰ ক্ষেত্ৰত তেনে হয় তেতিয়া হিয়া ঢাকুৰি কান্দে। কিন্তু তেতিয়া জানো হিয়া ঢাকুৰি কান্দি কিবা লাভ আছে। সেয়ে এইবোৰ ক্ষেত্ৰত এতিয়াই সচেতন হোৱা প্ৰয়োজন, নহ'লে হয়তু আগন্তুক দিনত ইয়াতকৈ বেচি বেয়াৰ ফালে ঢাল খাব এই উঠি অহা নৱ প্ৰজন্ম আৰু তেতিয়া.......

হঠাৎ মোৰ ম'বাইলটো বাজি উঠাত মই ভাৱ সাগৰৰ পৰা উভতি আহিলো। ম'বাইলটো চাই দেখো থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শইকীয়াৰ ক'ল। মই ক'লটো ৰিচিভ কৰাত তেওঁ প্ৰথমে ৰাহুলৰ সাফল্যৰ বাবে অভিনন্দন জনালে আৰু ক'লে আপোনাৰ বাবে এটা দুঃখবৰ আছে। অলপ আগতে হোৱা এটা দুৰ্ঘটনাত ৰাহুলৰ পিতৃ ঘনকান্ত বৰুৱা গুৰুতৰভাৱে আহত হৈছে বৰ্তমান তেওঁৰ অৱস্থা সংকটজনক গতিকে যিমান সোনকালে পাৰে আপুনি অসামৰিক চিকিৎসালয়লৈ আহক এই বুলি কৈ তেওঁ কিবা সোধাৰ আগতেই ক'লটো ডিচকানেক্ট কৰি দিলে। মই লৰালৰিকৈ শ্ৰীমতীক বিচাৰি পাকঘৰলৈ গৈ দেখো সিহঁত তিনিওজনে ভাত খাই আছে। মই আৰু কথাৰ অৱতাৰণা নকৰাকৈ সোনকালে ভাত খাই সাজু হ'বলৈ কলো।

চিকিৎসালয়লৈ গৈ দেখো তেজেৰে লুতুৰি-পুতুৰি হৈ তেওঁ বিচনাত পৰি আছে। সম্পূৰ্ণ মূৰত বেণ্ডেজ তাৰোপৰি হাত এখনতো বেণ্ডেজ। মই গৈ মাত লগোৱাত কোনোমতে সেহাই সেহাই কলে আজি ৰাহুলৰ ৰিজাল্ট দিব বুলি জানি ৰাহুলৰ খবৰ ল'বলৈ আহিছিলো কিন্তু ৰিজাল্টৰ খবৰ পোৱাৰ আগতেই তেওঁ চিকিৎসালয়ত ভৰ্ত্তি হ'বলগা হ'ল। পিছত অচি শইকীয়াৰ লগত কথা পাতোতেহে ৰাহুলৰ ৰিজাল্টৰ কথা গম পালে। তাৰ পাছত মোৰ হাত এখন ধৰি কলে আপুনি ৰাহুলক চাব মই হয়তো আৰু বেচি সময় নাবাচিম। মই তেওঁৰ কথাৰ মাজতে বাধা দি ক'লো আপুনি একো চিন্তা নকৰিব আপোনাৰ

একো নহয় মই সকলো ব্যৱস্থা কৰি আছো। এই বুলি কয় মই তাৰ পৰা ওলাই আহি ডক্টৰৰ লগত পৰামৰ্শ কৰি উন্নত চিকিৎসাৰ বাবে চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱাৰ বাবে যো-জা কৰি থাকোতেই ৰূমৰ ভিতৰত এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হোৱাত গৈ দেখো তেওঁ ইতিমধ্যে শেষ নিশ্বাস ত্যাগ কৰিছে।

তাৰ পাছত শ্ৰীমতী আৰু দ্বীপেনক ঘৰলৈ পঠিয়াই দাহ কৰ্মৰ বাবে লগা কিছুমান যাৱতীয় বস্তু কিনি দি ল'ৰাজনক ড্ৰাইভাৰ লগত গাঁৱৰ ঘৰলৈ পঠিয়াই মই নহালৈকে ড্ৰাইভাৰ জনক তাতে তাৰ লগত থাকিবলৈ ক'লো আৰু বাকী দাহ কৰ্মৰ বাবে লাগতীয়াল বস্তুৰ যা-যোগাৰ কৰাত সহায় কৰিবলৈ কলো আৰু ময়ো ডেডবডিৰ লগত জিলা চিকিৎসালয়লৈ গ'লো পোষ্টমৰ্টেমৰ বাবে। তাৰ পৰা উভতি আহোতে প্ৰায় সন্ধিয়া হ'ল। তাৰ পাছত দাহ-সংকাৰ শেষ কৰি ৰাতি এক বজাত ঘৰ পালোহি।

শ্ৰাদ্ধ কাম আদি শেষ হোৱাৰ পাছৰ দিনা মই ৰাহুলক লৈ আহিলো। ৰিজাল্ট দিয়াও আজি প্ৰায় চৈধ্য দিনমান হ'ল। ইতিমধ্যে কলেজবোৰত নামভৰ্ত্তি প্ৰক্ৰিয়া আৰম্ভ হ'লেই আৰু দেৰি কৰিলে হয়তো কতো ছীট পোৱা নাযাব। তাৰ পাছত তাক চহৰৰ এখন আগশাৰীৰ ব্যক্তিগত মহাবিদ্যালয়ত বিজ্ঞান শাখাত তাৰ নাম ভৰ্ত্তি কৰি দিলো আৰু কলেজলৈ অহা-যোৱা কৰিবলৈ এখন সাধাৰণ বাইক কিনি দিলো, ময়ো এখন লাখটকীয়া অত্যাধুনিক বাইক কিনি দিব পাৰিলোহেঁতেন। কিন্তু মই নিবিচাৰো ৰাহুলে যি পৰিস্থিতিত নিজৰ পিতৃক হেৰুৱাব লগা হল সেই পৰিস্থিতি আনৰ বাবে সৃষ্টি হওক। আৰু আগতকৈ মই বেছি সতৰ্ক হলো যাতে সি লগ-সংগত পৰি বেয়াৰফালে ঢাল নাখায়। আৰু কেইটামান বছৰ ভালকৈ পঢ়ি অন্তত এম.এচ.চি ডিগ্ৰীটো ল'ব পাৰিলে আগন্তুক দিনত এটা উচ্চ বৰ্গৰ চাকৰি কৰি আৰামেৰে জীৱন নিৰ্বাহ কৰিব পাৰিব আৰু তেতিয়াহে মোৰ উদ্দেশ্য সফল হ'ব। তেতিয়াহে মই ভাবিব পাৰিম অন্তত এজন হলেওঁ শিশু শ্ৰমিকক উদ্ধাৰ কৰি আনি সঠিক পথ দেখুৱাবলৈ সক্ষম হ'লো। আৰু এনেদৰে যদি সামৰ্থবান আন ব্যক্তিসকলেও অন্তত এজনকৈ শিশু শ্ৰমিকক উদ্ধাৰ কৰি সঠিক পথ দেখুৱাবলৈ সক্ষম হয় তেন্তে আগন্তুক দিনত দেশৰ পৰা শিশু শ্ৰমিকৰ সমস্যাটো সম্পূৰ্ণৰূপে নিৰ্মূল হৈ যাব আৰু ৰাহুলৰ দৰে সহস্ৰ ৰাহুলৰ জীৱন সুন্দৰ আৰু সাৰ্থক হৈ উঠিব।

❖❖❖❖❖



